# ছালাতুল মুমিন, তাকবীৰৰ পৰ তাছলীমলৈ ছালাতৰ নিয়ম-পদ্ধতিৰ বিৱৰণ

## قرة عيون المصلين في بيان صفة صلاة المحسنين من التكبير إلى التسليم في ضوء الكتاب والسنة

[অসমীয়া – Assamese – آسامى ]

ড. ছাঈদ ইব্‌ন আলী ইব্‌ন অহাফ আল-কাহতানী

অনুবাদ

ড. আৰফান আলী

সম্পাদনাঃ

ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী,

জুবাইৰ ৰহমান বিন পিয়াৰ আলী

**গ্ৰন্থস্বত্ব প্ৰকাশক কৰ্তৃক সংৰক্ষিত**

কিতাপৰ নামঃ ছালাতুল মু'মিন

লেখকঃ ড. ছাঈদ ইব্‌ন আলী ইব্‌ন অহাফ আল-কাহতানী

অনুবাদকঃ ড. আৰফান আলী

প্ৰকাশকঃ ইছলাম হাউছ অসমীয়া

প্ৰথম প্ৰকাশঃ

যিকোনো ধৰণৰ সংশোধনীৰ বাবে অনুগ্ৰহ কৰি আমাৰ লগত যোগাযোগ কৰক

assamese@islamhouse.com

**প্ৰাপ্তিস্থান**

**ছালাহুদ্দিন বুক হাউছ বেছিমাৰী**

**মোবাইলঃ 7399187038, 7577906895**

**————————-**

**দাৰুৎ তাওহীদ লিত্‌ তালীফ ওৱাত তাৰ্জামাহ**

(বলোগড়া, নিজ খাৰুপেটীয়া, দৰং অসম)

www.islamhouse.com/as

# ভূমিকা

নিশ্চয় সকলো ধৰণৰ প্ৰশংসাৰ মালিক একমাত্ৰ আল্লাহ তা'আলা, আমি তেওঁৰেই প্ৰশংসা কৰোঁ, তেওঁৰ ওচৰতেই সহায় বিচাৰোঁ, তেওঁৰ ওচৰতেই ইস্তেগফাৰ কৰোঁ। আমি আমাৰ প্ৰবৃত্তিৰ অনিষ্ট আৰু কুকৰ্মৰ কু-প্ৰভাৱৰ পৰা তেওঁৰ ওচৰতেই আশ্ৰয় বিচাৰোঁ। তেওঁ যাক হিদায়াৎ দান কৰে, তাক কোনেও গোমৰাহ বা পথভ্ৰষ্ট কৰিব নোৱাৰে, আৰু যাক তেওঁ গোমৰাহ কৰে, তাক কোনেও সুপথ দেখুৱাব নোৱাৰে। মই সাক্ষ্য প্ৰদান কৰিছোঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক, তেওঁৰ কোনো শ্বৰীক বা অংশীদাৰ নাই। মই আৰু সাক্ষী দিওঁ যে, মুহাম্মদ (চাল্লাল্লাহু আলাইহি ৱাছাল্লাম) আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছূল। আল্লাহ তা'আলাই তেওঁৰ ওপৰত আৰু তেওঁৰ বংশধৰ আৰু চাহাবাসকলৰ ওপৰত আৰু কিয়ামতলৈকে যিসকলে তেওঁলোকক সুন্দৰভাৱে অনুসৰণ কৰিব, তেওঁলোক সকলোৰে ওপৰত অসংখ্য-অগণন ছালাত (দৰূদ) আৰু ছালাম বৰ্ষণ কৰক।

তাৰ পিছত (আম্মা বা'দ): 'ছিফাতুচ ছালাত' তথা ছালাতৰ নিয়ম-পদ্ধতি সংক্ৰান্ত এইখন এখন সৰু পুস্তিকা, য'ত মই 'তাকবীৰৰ পৰা আৰম্ভ কৰি ছালাম' লৈকে কুৰআন আৰু হাদীছৰ দৃষ্টিকোনৰ পৰা ছালাতৰ নিয়ম-পদ্ধতি বৰ্ণনা কৰিছোঁ।

এই পুস্তিকাখন লিখাৰ ক্ষেত্ৰত মই শ্বাইখ আল্লামা আব্দুল আজিজ ইব্‌ন আব্দুল্লাহ ইব্‌ন বাজ ৰাহিমাহুল্লাহৰ দৰছ (পাঠ) আৰু ভাষণৰ পৰা বহুত

উপকৃত হৈছোঁ। আল্লাহ তা'আলাই তেওঁক জান্নাতত সুউচ্চ স্থান দান কৰক।

দুআ কৰিছোঁ আল্লাহ তা'আলাই এই ক্ষুদ্ৰ আমলক বৰকতময় কৰক আৰু ইয়াক একমাত্ৰ তেওঁৰ সন্তুষ্টিৰ বাবে কবুল কৰক। ইয়াৰ দ্বাৰা মোক উপকৃত কৰক এই জীৱনত আৰু মৃত্যুৰ পিছত লগতে প্ৰত্যেক পাঠকে ইয়াৰ দ্বাৰা উপকৃত হওঁক। তেৱেঁই দুআ কবুলকাৰী আৰু মনোবাঞ্ছনা পূৰ্ণকাৰী।

লেখক

শুক্ৰবাৰৰ প্ৰথম প্ৰহৰ

১৮/০৮/১৪২০হি.

## ছালাত আদায়ৰ পদ্ধতি

নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেনেকৈ ছালাত আদায় কৰিছে ঠিক তেনেকৈ ছালাত আদায় কৰাই ছালাতৰ বিশুদ্ধ পদ্ধতি। মালিক ইব্ন হুৱাইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত: নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

...صلوا كما رأيتموني أصلي.

"তোমালোকে তেনেকৈ ছালাত আদায় কৰা, যেনেকৈ মোক ছালাত আদায় কৰোঁতে দেখিছা"। [1]

গতিকে নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ দৰে যিয়ে ছালাত আদায় কৰিব খোজে, তেওঁৰ উচিত তলত বৰ্ণিত পদ্ধতি অনুসৰি ছালাত আদায় কৰা:

১. পৰিপূৰ্ণৰূপে অজু কৰা,

যেনেকৈ আল্লাহ তা'আলাই তেওঁৰ বাণীত নিৰ্দেশ দিছে:

يَا أَيُّهَا الَّذِينَ آمَنُواْ إِذَا قُمْتُمْ إِلَى الصَّلاةِ فاغْسِلُواْ وُجُوهَكُمْ وَأَيْدِيَكُمْ إِلَى الْمَرَافِقِ وَامْسَحُواْ بِرُؤُوسِكُمْ وَأَرْجُلَكُمْ إِلَى الْكَعْبَينِ وَإِن كُنتُمْ جُنُبًا فَاطَّهَّرُواْ وَإِن كُنتُم مَّرْضَى أَوْ عَلَى سَفَرٍ أَوْ جَاءَ أَحَدٌ مَّنكُم مِّنَ الْغَائِطِ أَوْ لاَمَسْتُمُ النِّسَاءَ فَلَمْ تَجِدُواْ مَاءً فَتَيَمَّمُواْ صَعِيدًا طَيِّبًا فَامْسَحُواْ بِوُجُوهِكُمْ وَأَيْدِيكُم مِّنْهُ مَا يُرِيدُ اللّهُ لِيَجْعَلَ عَلَيْكُم مِّنْ حَرَجٍ وَلَـكِن يُرِيدُ لِيُطَهَّرَكُمْ وَلِيُتِمَّ نِعْمَتَهُ عَلَيْكُمْ لَعَلَّكُمْ تَشْكُرُونَ.(سورة المائدة: 6)

"হে মুমিনসকল! যেতিয়া তোমালোকে ছালাতৰ বাবে থিয় হ'ব বিচৰা তেতিয়া তোমালোকে নিজৰ মুখমণ্ডল ধোৱা আৰু কিলাকুটিলৈকে হাত ধোৱা, তোমালোকৰ মূৰ মছেহ কৰা আৰু সৰু গাঁঠিলৈকে ভৰি ধোৱা, আৰু যদি তোমালোকে জুনুবী অৱস্থাত থাকা তেনেহ'লে বিশেষভাৱে

পৱিত্ৰতা অৰ্জন কৰা। যদি তোমালোকে অসুস্থ হোৱা অথবা ভ্ৰমণত থাকা অথবা তোমালোকৰ কোনোবাই মল-মূত্ৰ ত্যাগ কৰি আহে নাইবা স্ত্ৰীৰ লগত সহবাস কৰে আৰু (পৱিত্ৰ হ'বলৈ) পানী নোপোৱা, তেন্তে পৱিত্ৰ মাটিৰ দ্বাৰা তায়াম্মুম কৰিবা। আল্লাহে তোমালোকৰ ওপৰত কোনো ধৰণৰ সংকীৰ্ণতা কৰিব নিবিচাৰে; বৰং তেওঁ তোমালোকক পৱিত্ৰ কৰিব বিচাৰে আৰু তোমালোকৰ ওপৰত তেওঁৰ নিয়ামত সম্পূৰ্ণ কৰিব বিচাৰে, যাতে তোমালোকে কৃতজ্ঞতা জ্ঞাপন কৰা।" [2]

আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

لا تقبل صلاة بغير طهور، ولا صدقة من غلول

"পৱিত্ৰতাবিহীন ছালাত কবুল কৰা নহয়, আৰু খিয়ানতৰ ছাদাকাও কবুল কৰা নহয়"। [3]

গতিকে, ছালাত আৰম্ভ কৰাৰ পূৰ্বে প্ৰত্যেক মুছলিমৰ নিশ্চয় জৰুৰী কৰ্ম হ'ল পৰিপূৰ্ণৰূপে পৱিত্ৰতা অৰ্জন কৰা।

২. কিবলাৰ ফালে মুখ কৰি থিয় হোৱা,

অৰ্থাৎ মক্কাত অৱস্থিত পৱিত্ৰ কাবা ঘৰ সন্মুখত ৰাখি থিয় হোৱা। আল্লাহ তা'আলাই কৈছে:

﴿ قَدْ نَرَى تَقَلُّبَ وَجْهِكَ فِي السَّمَاءِ فَلَنُوَلِّيَنَّكَ قِبْلَةً تَرْضَاهَا فَوَلِّ وَجْهَكَ شَطْرَ الْمَسْجِدِ الْحَرَامِ وَحَيْثُ مَا كُنتُمْ فَوَلُّواْ وُجُوهَكُمْ شَطْرَهُ ١٤٤﴾ (البقرة:144)

"নিশ্চয় আমি আকাশৰ ফালে তোমাৰ বাৰে বাৰে চাই থকাটো লক্ষ্য কৰিছোঁ। এতেকে নিশ্চয় আমি তোমাক এনে কিবলাৰ ফালে ওভতাই দিম যিটো তুমি পছন্দ কৰা। এতেকে তুমি মছজিদে হাৰামৰ ফালে মুখ

কৰা; আৰু তোমালোকে য'তেই নাথাকা কিয় ইয়াৰ ফালেই তোমালোকৰ চেহাৰা ঘূৰাই লোৱা;"। [4]

আবু হুৰাইৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ভুল নিয়মত ছালাত আদায়কাৰীৰ ঘটনাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

إذا قمت إلى الصلاة فأسبغ الوضوء ثم استقبل القبلة...

"যেতিয়া তুমি ছালাতৰ বাবে থিয় হ'বা, তেতিয়া পৰিপূৰ্ণৰূপে অজু কৰিবা তাৰ পিছত কিবলা অভিমুখী হৈ থিয় হ'বা..."[5]

৩. ছালাত আদায়কাৰী ইমামে হওঁক বা অকলশৰীয়াই হওঁক, সন্মুখত ছূতৰা ৰাখি থিয় হ'ব লাগে।

ছূবৰা ইব্‌নে মা 'বাদ জুহানি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

ليستترْ أحدُكم في الصلاة ولو بسهمٍ

"তীৰ (ধনু) বা বৰ্শা দি হ'লেওঁ তোমালোকৰ প্ৰত্যেকে যেন ছালাতত ছূতৰা কায়িম কৰে"। [6]

আবু যৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত: নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

إذا قام أحدُكم يصلي فإنه يستره إذا كان بين يديه مثل مؤخرة الرّحل،فإذا لم يكن بين يديه مثل مؤخرة الرحل فإنه يقطع صلاته: الحمار، والمرأة، والكلب الأسود.

"যেতিয়া তোমালোকৰ কোনোবাই ছালাত আদায়ৰ বাবে থিয় হয়, তেতিয়া তেওঁৰ সন্মুখত উটৰ ওপৰত আৰোহী ব্যক্তিৰ আউচি বহাৰ বাবে পিছফালে ৰখা লাখুটিৰ নিচিনা কিবা ছূতৰা হিচাপে ৰখাই যথেষ্ট, কাৰণ যদি অনুৰূপ কোনো লাখুটি নাথাকে, তেনেহ'লে তেওঁৰ ছালাত গাধ, নাৰী আৰু ক'লা কুকুৰে ভঙ্গ কৰি দিব পাৰে"। [7]

ছূতৰাৰ ওচৰত থিয় হ'ব লাগে আৰু তাৰ নিকটৱৰ্তী হৈ ছালাত আদায় কৰিব লাগে। আবু ছাঈদ খুদৰি ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

إذا صلى أحدُكم فليصلِّ إلى سترةٍ، وليدنُ منها.

"তোমালোকৰ কোনোবাই যেতিয়া ছালাত আদায় কৰে, তেওঁ যেন ছূতৰাৰ ফালে মূখ কৰি ছালাত আদায় কৰে আৰু তাৰ নিকটৱৰ্তী হয়"। [৪]

ছূতৰা আৰু তাৰ মাজেদি এটি ছাগলী অতিক্রম কৰাৰ ঠাই ৰাখিব লাগে, অথবা ছাজদাহৰ ঠাই পৰিমাণ খালি ৰাখিব লাগে। তিনি হাতৰ অতিৰিক্ত ফাঁক ৰাখিব নালাগে। অনুৰূপভাৱে দুই শাৰীৰ মাজতো ইয়াতকৈ বেছি ফাঁক ৰাখিব নালাগে। ছাহাল ইব্‌ন ছা'দ ছায়েদি ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে:

كان بين مصلى رسول الله ﷺ وبين الجدار ممر الشاة.

"ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ছালাতৰ স্থান আৰু দেৱালৰ মাজত এটি ছাগলী অতিক্রম কৰাৰ পৰিমাণ ঠাই খালি আছিল"।[৯]

যদি কোনোবাই তেওঁৰ সন্মুখেদি অতিক্রম কৰিব খোজে, তেন্তে তেওঁ তাক প্ৰতিহত আৰু প্ৰতিৰোধ কৰিব, তথাপিও বিৰত নহ'লে শক্তিৰ দ্বাৰা তাক প্ৰতিহত কৰিব। আবু ছাঈদ খুদৰি ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে, মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক কওঁতে শুনিছোঁ:

إذا صلى أحدكم إلى شيء يستره من الناس، فأراد أحد أن يجتاز بين يديه فليدفعْه، فإن أبى فليقاتلْه؛ فإنما هو شيطان.

"কোনো ব্যক্তিয়ে যেতিয়া ছূতৰা দি ছালাত আদায় কৰে, যিয়ে তেওঁক মানুহৰ পৰা আঁৰ কৰি ৰাখে, তাৰ পিছত কোনোবাই যদি তেওঁৰ

সন্মুখেদি যাব খোজে, তেওঁ তাক প্ৰতিহত কৰিব, সি বিৰত নহ'লে তেওঁৰ লগত যুদ্ধ কৰিব। কাৰণ সি চয়তান"।[10]

মুছলিমৰ আন এটা বৰ্ণনাত আছে, "কাৰণ তেওঁৰ লগত চয়তান আছে"।[11]

মুছল্লীৰ সন্মুখেদি যোৱা বৈধ নহয়। আবু জুহাইম ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

لو يعلمُ المارُّ بين يدي المصلي ماذا عليه لكان أن يقف أربعين خيرًا له من أن يمرّ بين يديه

"মুছল্লীৰ সন্মুখেদি অতিক্ৰমকাৰী ব্যক্তিয়ে যদি জানিলেহেঁতেন, তেওঁৰ ওপৰত কি পৰিমাণ পাপ হৈছে, তেনেহ'লে সন্মুখেদি যোৱাৰ পৰিৱৰ্তে চল্লিশলৈকে অপেক্ষা কৰা তেওঁৰ বাবে উত্তম আছিল"। এই হাদীছৰ এজন বৰ্ণনাকাৰী আবু নাদৰ ৰাহিমাহুল্লাহে কৈছে: মোৰ মনত নাই তেওঁ কি কৈছে: চল্লিশ দিন, নে চল্লিশ মাহ নে চল্লিশ বছৰ"। [12]

ইমামৰ ছুতৰা তেওঁৰ পিছত অৱস্থানৰত সকলোৰে ছুতৰা হিচাপে যথেষ্ট। আব্দুল্লাহ ইব্‌ন আব্বাছ (ৰাদ্বিয়াল্লাহু আনহু)ৰ হাদীছত আছে, তেওঁ এটি মাইকী গাধৰ পিঠিত উঠি আগমন কৰিলে, তেতিয়া মাত্ৰ তেওঁ প্ৰাপ্ত বয়সত ভৰি দিছেহি, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে বিদায় হজ্জত মিনাত থিয় হৈ দেৱাল নোহোৱাকৈ মানুহবোৰক লৈ ছালাত আদায় কৰি আছিল, ইব্‌ন আব্বাছে (ৰাদ্বিয়াল্লাহু আনহু) প্ৰথম শাৰীৰ কিছুমান মুছল্লীৰ সন্মুখেদি গাধৰ পিঠিত আৰোহণ অৱস্থাত অতিক্ৰম কৰিছিল, তাৰ পিছত গাধৰ পিঠিৰ পৰা নামি ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পিছফালে অইনসকলৰ লগত শাৰীত মিলিত হৈ ছালাত আদায় কৰিছিল। তেওঁৰ এই আচৰণক কোনেও তিৰস্কাৰ বা অপছন্দ কৰা নাছিল। [13]

মই শ্বাইখ ইব্‌ন বায ৰাহিমাহুল্লাহক কওঁতে শুনিছোঁ: "ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে, ইমামৰ ছুতৰা মুক্তাতিসকলৰ ছুতৰা হিচাপে গণ্য, গতিকে ইমামৰ সন্মুখত ছুতৰা থাকিলে মুক্তাতিসকলৰ সন্মুখেদি অতিক্ৰম কৰা দোষণীয় নহয়"। [14]

৪. থিয় হোৱা অৱস্থাত তাকবীৰে তাহৰিমা কোৱা।

মুছল্লীয়ে আল্লাহৰ নৈকট্য অৰ্জনৰ বাবে যি নফল অথবা ফৰজ ছালাত আদায় কৰাৰ ইচ্ছা কৰে, অন্তৰত তাৰ বাবে নিয়ত কৰিব আৰু মুখেৰে الله أكبر "আল্লাহু আকবাৰ" ক'ব, আৰু ছাজদাহৰ স্থানত দৃষ্টি ৰাখি হাতৰ আঙুলিসমূহ মিলাই উভয় হাত কান্ধ অথবা কাণলৈকে উঠাব। কাৰণ ভুল পদ্ধতিত ছালাত আদায়কাৰীৰ হাদীছত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

إذا قمت إلى الصلاة فكبر

"যেতিয়া তুমি ছালাতৰ বাবে থিয় হোৱা, তাকবীৰ ক'বা"। [15]

আল্লাহ তা'আলাই কৈছে:

﴿وَقُومُواْ لِلَّهِ قَٰنِتِينَ ٢٣٨﴾(البقرة:238 )

"আৰু আল্লাহৰ বাবে থিয় হোৱা বিনীতভাৱে"।[16]

ইমৰান ইব্‌ন হুছাইন ৰাদ্বিয়াল্লাহু আনহুক ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

صلِّ قائمًا، فإن لم تستطعْ فقاعداً، فإن لم تستطع فعلى جَنْبٍ

"থিয় হৈ ছালাত আদায় কৰা, যদি নোৱাৰা তেন্তে বহি ছালাত আদায় কৰা, সেইটোও যদি নোৱাৰা তেন্তে কাতি হৈ শুই ছালাত আদায় কৰা"। [17]

ওমৰ ইব্‌ন খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: «إنما الأعمال بالنيات» “নিশ্চয় নিয়তৰ ওপৰত আমল নিৰ্ভৰশীল”। [18]

নিয়ত মুখেৰে উচ্চাৰণ নকৰিব, কাৰণ নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লাম আৰু তেওঁৰ চাহাবায়ে কিৰামসকলে নিয়ত মুখেৰে উচ্চাৰণ কৰি পঢ়া নাছিল। আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে, ছালাত আৰম্ভ কৰাৰ সময়ত ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কান্ধ বৰাবৰ উভয় হাত উঠাইছিল, যেতিয়া তেওঁ ৰুকুৰ বাবে তাকবীৰ কৈছিল আৰু ৰুকুৰ পৰা মূৰ উঠাইছিল অনুৰূপভাৱে হাত উত্তোলন কৰিছিল, কিন্তু ছাজদাহৰ পৰা মূৰ উঠোৱাৰ সময়ত তেওঁ এনেকুৱা কৰা নাছিল। অন্য বৰ্ণনাত আছে:

وإذا قام من الركعتين رفع يديه

“যেতিয়া তেওঁ দুই ৰাকাত পূৰ্ণ কৰি উঠিছিল, উভয় হাত উত্তোলন কৰিছিল”।[19]

মালিক ইব্‌ন হুয়াইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া তাকবীৰ কৈছিল, তেতিয়া তেওঁ উভয় হাত কাণ বৰাবৰ উঠাইছিল, যেতিয়া তেওঁ ৰুকু কৰিছিল তেতিয়াও তেওঁ উভয় হাত কাণ বৰাবৰ উঠাইছিল, ৰুকুৰ পৰা মূৰ উঠাই তেওঁ কৈছিল:

سمع الله لمن حمده

(ছামিয়াল্লাহু লিমান হামিদাহ) ছহীহ মুছলিমৰ বৰ্ণনাত আছে:

حتى يحاذي بهما فروع أذنيه

“তেওঁ উভয় হাত দুই কাণৰ লতি বৰাবৰ উঠাইছিল”। [20]

কেতিয়া উভয় হাত কাণ বা কান্ধলৈকে উঠোৱা হ'ব এই সম্পৰ্কে বৰ্ণিত হাদীছবোৰ তিনি প্ৰকাৰৰ:

**প্ৰথম প্ৰকাৰ:** এই প্ৰকাৰ হাদীছৰ দ্বাৰা বুজা যায় যে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে আগত হাত উঠাই তাকবীৰ কৈছে। ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত:

كان رسول الله ﷺ إذا قام للصلاة رفع يديه حتى تكونا حذو منكبيه، ثم كبر

“ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাতৰ বাবে থিয় হৈছিল, উভয় হাত কাণ লৈকে উঠাইছিল তাৰ পিছত তাকবীৰ কৈছিল”। [21]

আবু হুমাইদ ছায়েদি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত:

كان رسول الله ﷺ إذا قام إلى الصلاة يرفع يديه حتى يُحاذِيَ بهما منكبيه ثم يُكبِّر

“ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাতত থিয় হৈছিল, তেতিয়া তেওঁ উভয় হাত কান্ধ বৰাবৰ উঠাইছিল, তাৰ পিছত তাকবীৰ কৈছিল”। [22]

**দ্বিতীয় প্ৰকাৰ:** এই প্ৰকাৰৰ হাদীছৰ দ্বাৰা বুজা যায় যে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে তাকবীৰ কোৱাৰ পিছত হাত উঠাইছিল। আবু কালাবা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ মালেক ইব্‌ন হুয়াইৰিছ ৰাদ্বিয়াল্লাহু আনহুক দেখিছে, তেওঁ ছালাত আদায়ৰ সময়ত তাকবীৰ কৈছিল তাৰ পিছত উভয় হাত উত্তোলন কৰিছিল... তেওঁ কৈছে ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে অনুৰূপ কৰছিল”।[23]

**তৃতীয় প্ৰকাৰ:** এই প্ৰকাৰৰ হাদীছৰ দ্বাৰা বুজা যায় যে, তেওঁ তাকবীৰৰ লগে লগে হাত উঠাইছিল, তাকবীৰ শেষ, হাত উঠোৱাও শেষ। আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: “মই ৰাছূলুল্লাহ

চাল্লাল্লাহু আলাইহি ৱাছাল্লামক ছালাতত তাকবীৰ আৰম্ভ কৰোঁতে , তেওঁ তাকবীৰ কোৱাৰ সময়ত উভয় হাত কাণলৈকে উঠাইছিল"। [24]

গতিকে কোনো ব্যক্তিয়ে যদি এই পদ্ধতিবোৰৰ যিকোনো এটাৰ অনুসৰণ কৰে, তেন্তে তেওঁ ছুন্নতৰ ওপৰতেই আমল কৰা বুজাব।[25]

আৰু ছাজদাহৰ স্থানত দৃষ্টি ৰখা, মূৰটো নত ৰাখি আৰু মাটিৰ ফালে দৃষ্টি নিক্ষেপ কৰাৰ প্ৰমাণ হ'ল বায়হাকী আৰু হাকিম ((ৰাহিমাহুল্লাহ)) বৰ্ণিত হাদীছ, যাৰ সপক্ষে ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ দহজন চাহাবাৰ পৰা বৰ্ণিত হাদীছ আছে। [26]

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

لينتهين أقوام يرفعون أبصارهم إلى السماء في صلاتهم، أو لتُخْطَفَنّ أبصارُهم.

"যিসকলে নিজৰ ছালাতত আকাশৰ ফালে দৃষ্টিপাত কৰে, তেওঁলোকে নিশ্চয় বিৰত থকা উচিত, অন্যথা তেওঁলোকৰ দৃষ্টি হৰণ কৰা হ'ব"।[27]

**৫. উভয় হাত বুকুৰ ওপৰত ৰাখিব, সোঁ হাত বাওঁ হাতৰ পিঠি অথবা কব্জি নাইবা বাহুৰ ওপৰত ৰাখিব।**

ওৱায়েল ইব্ন হুজৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: "মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ লগত ছালাত আদায় কৰিছোঁ, তেওঁ বাওঁ হাতৰ ওপৰত সোঁ হাত ৰাখি বুকুৰ ওপৰত থৈছিল"। [28]

ওৱায়েল ইব্ন হুজৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছ অন্য শব্দত বৰ্ণিত আছে যে, তেওঁ কৈছে: মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক: "যেতিয়া তেওঁ ছালাতত থিয় হৈছিল, সোঁ হাতৰ দ্বাৰা বাওঁ হাত ধৰি ৰাখিছিল"।[29]

এই হাদীছত সোঁ হাতৰ দ্বাৰা বাওঁ হাত ধৰাৰ কথা আছে। অন্যান্য হাদীছত বুকুৰ ওপৰত সোঁ হাত বাওঁ হাতৰ ওপৰত ৰখাৰ কথা আছে। ইব্‌ন উছাইমিন ৰাহিমাহুল্লাহে কৈছে: “এই দুই অৱস্থাত বৈধ: প্ৰথমতঃ সোঁ হাতৰ দ্বাৰা বাওঁ হাত ধৰা। দ্বিতীয়তঃ সোঁ হাত বাওঁ হাতৰ ওপৰত ৰখা”।[30]

ছাহাল ইব্‌ন ছাদৰ পৰা বৰ্ণিত, তেওঁ কৈছে: “লোকসকলক কোৱা হৈছিল, পুৰুষে যেন ছালাতত তেওঁৰ সোঁ হাত বাওঁ হাতৰ বাহুৰ ওপৰত ৰাখে”। আবু হাযিম (ৰাহিমাহুল্লাহে) কৈছে: ইয়াৰ দ্বাৰা মই নিশ্চিত যে, এইটো ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ নিৰ্দেশ আছিল”।[31]

আল্লামা ইব্‌ন বাজ ৰাহিমাহুল্লাহক কওঁতে শুনিছোঁ: “হ’ব পাৰে এইটো অন্য প্ৰকাৰৰ, আকৌ হ’ব পাৰে ইয়াৰ উদ্দেশ্য ওৱায়েল ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছৰ অনুৰূপ”।[32]

**৬. ছালাত আৰম্ভ কৰাৰ দুআৰে ছালাত আৰম্ভ কৰিব।**

ছালাত আৰম্ভ কৰাৰ বহু দুআ আছে , তাৰ পৰা যি কোনো এটা দুআ পঢ়িব লাগে, কিন্তু একাধিক দুআ একেলগে পঢ়িব নালাগে, বৰঞ্চ বেলেগ বেলেগ সময়ত বেলেগ বেলেগ দুআ পঢ়িব লাগে। ছালাত আৰম্ভ কৰাৰ কিছূমান দুআ:

**এক.** আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে তাকবীৰ কৈ কিৰাত আৰম্ভ কৰাৰ আগত অলপ সময় মনে মনে আছিল। মই সুধিলো: হে আল্লাহৰ ৰাছূল চাল্লাল্লাহু আলাইহি ৱাছাল্লাম! মোৰ পিতৃ-মাতৃ আপোনাৰ ওপৰত

উৎসৰ্গিত! আপুনি তাকবীৰ আৰু কিৰাতৰ মধ্যৱৰ্তী সময়ত মনে মনে থাকি কি কয়? তেওঁ ক'লে: "মই কওঁ:

اللّٰهُمَّ باعِدْ بيني وبين خَطاياي كما باعَدْتَ بين المشرق والمغرب، اللّٰهُمَّ نَقِّني من خَطاياي كما يُنقّى الثوبُ الأبيضُ من الدّنس، اللّٰهُمَّ اغْسلْني من خَطاياي بالثلج والماء والبَرَدِ.

"হে আল্লাহ! তুমি মোৰ আৰু মোৰ পাপৰ মাজত দূৰত্ব সৃষ্টি কৰি দিয়া, যিমান দূৰত্ব সৃষ্টি কৰি দিছা পূৰ্ব আৰু পশ্চিমৰ মাজত। হে আল্লাহ! তুমি মোক মোৰ পাপৰ পৰা পৱিত্ৰ কৰি দিয়া, যেনেকৈ পৱিত্ৰ কৰা হয় বগা কাপোৰ ময়লাৰ পৰা। হে আল্লাহ! মোক মোৰ পাপৰ পৰা ধুই দিয়া বৰফ, পানী আৰু তুষাৰৰ দ্বাৰা"।[33]

**দুই.** ছালাত আদায়কাৰীয়ে ইচ্ছা কৰিলে তলৰ দুআটোও পঢ়িব পাৰে:

سبحانك اللّٰهُمَّ وبحمدك، وتبارك اسمك، وتعالى جدُّك، ولا إلٰهَ غيرُك.

"হে আল্লাহ! তোমাৰ পৱিত্ৰতা আৰু প্ৰশংসাৰ মাধ্যমত তোমাৰ তাছবিহ পাঠ কৰিছোঁ, তোমাৰ নাম বৰকতময়, তোমাৰ সন্মান সুমহান, তোমাৰ বাহিৰে আন কোনো ইলাহ নাই"।[34]

**তিনি.** ছালাত আদায়কাৰীয়ে ইচ্ছা কৰিলে আলী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত দুআটোও পঢ়িব পাৰে, আলী ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাতত থিয় হৈছিল, তেতিয়া কৈছিল:

وجهت وجهي للذي فطر السموات والأرض حنيفًا مسلمًا وما أنا من المشركين، إن صلاتي ونُسُكي، ومحياي، ومماتي لله رب العالمين، لا شريك له وبذلك أمرت وأنا من المسلمين، اللّٰهُمَّ أنت الملك لا إله إلا أنت، أنت ربي وأنا عبدك، ظلمت نفسي واعترفت بذنبي فاغفر لي ذنوبي جميعًا، إنه لا يغفر الذنوب إلا أنت، واهدني لأحسن

الأخلاق لا يهدي لأحسنها إلا أنت، واصرف عني سيئها لا يصرف عني سيئها إلا أنت، لبيك، وسعديك، والخير كله بيديك، والشر ليس إليك، أنا بك وإليك، تباركت وتعاليت، أستغفرك وأتوب إليك.

“মই একনিষ্ঠভাৱে আত্মসমৰ্পণ কৰিলোঁ মহান আল্লাহৰ ওচৰত, যিজনে আকাশ আৰু পৃথিৱী সৃষ্টি কৰিছে, মই মুশ্বৰিকসকলৰ অন্তৰ্ভুক্ত নহয়। নিশ্চয় মোৰ ছালাত, মোৰ কুৰবানী, মোৰ জীৱন আৰু মোৰ মৰণ একমাত্ৰ দুই জাহানৰ পালনকৰ্তা আল্লাহ তা’আলাৰ বাবে নিবেদিত, তেওঁৰ কোনো শ্বৰিক নাই, মোক ইয়াৰেই নিৰ্দেশ দিয়া হৈছে, আৰু মই মুছলিমসকলৰ অন্তৰ্ভুক্ত। হে আল্লাহ! তুমিয়েই মালিক, তুমি ব্যতীত কোনো ইলাহ নাই। তুমি মোৰ ৰব, মই তোমাৰ বান্দা, মই মোৰ নফছৰ ওপৰত জুলুম (অত্যাচাৰ) কৰিছোঁ, মই মোৰ অপৰাধ স্বীকাৰ কৰিছোঁ, গতিকে, মোৰ সকলো পাপ মোচন কৰি দিয়া। নিশ্চয় তোমাৰ বাহিৰে কোনেও পাপ মোচন কৰিবলৈ সক্ষম নহয়। মোক উত্তম আদৰ্শৰ দীক্ষা দান কৰা, যাৰ দীক্ষা একমাত্ৰ তোমাৰ বাহিৰে কোনেও দিবলৈ সক্ষম নহয়। তুমি মোৰ পৰা কু-চৰিত্ৰ দূৰীভূত কৰি দিয়া, তোমাৰ বাহিৰে কোনেও সেয়া দূৰীভূত কৰিবলৈ সক্ষম নহয়। মই তোমাৰ দৰবাৰত হাজিৰ, তুমি কল্যাণময়, সকলো কল্যাণ তোমাৰ হাতত, অকল্যাণ তোমাৰ পক্ষৰ পৰা নহয়, মই তোমাৰ ওপৰত সোপৰ্দ আৰু তোমাৰ ওচৰতেই প্ৰত্যাৱৰ্তন কৰিম। তুমি বৰকতময় আৰু মহান। মই তোমাৰ ওচৰত ইস্তেগফাৰ কৰিছোঁ আৰু তোমাৰ ওচৰতেই তাওবাহ কৰিছোঁ”।[35]

ছালাত আদায়কাৰীয়ে ইয়াৰ বাহিৰেওঁ আৰু অন্যান্য দুআ পঢ়িব পাৰে, যিবোৰ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণিত।[36]

**৭. তাৰ পিছত ছালাত আদায়কাৰীয়ে ক’ব:**

أعوذ بالله من الشيطان الرجيم

(আউজু বিল্লাহি মিনাশ্ব শ্বাইত'ৱানিৰ ৰাজ্বিম) কাৰণ আল্লাহ তা'আলাই কৈছে:

﴿فَإِذَا قَرَأۡتَ ٱلۡقُرۡءَانَ فَٱسۡتَعِذۡ بِٱللَّهِ مِنَ ٱلشَّيۡطَٰنِ ٱلرَّجِيمِ ۝٩٨﴾(النحل:98 )

“যেতিয়া তুমি কুৰআন পঢ়িবা আল্লাহৰ ওচৰত অভিশপ্ত চয়তানৰ পৰা আশ্ৰয় বিচাৰিবা”।[37]

অথবা ক'বা:

أعوذ بالله السميع العليم من الشيطان الرجيم، من همزه، ونفخه، ونفثه.

“আল্লাহৰ ওচৰত বিতাৰিত চয়তানৰ পৰা পানাহ মাগিছোঁ, তাৰ প্ৰভাৱৰ পৰা, তাৰ অহঙ্কাৰৰ পৰা আৰু তাৰ দুষ্ট অনুভূতিৰ পৰা”।[38]

৮. মনে মনে (অনুচ্চস্বৰত) بسم الله الرحمن الرحيم (বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম) পঢ়িব। আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: “মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লাম, আবু বকৰ, ওমৰ আৰু উছমান ৰাদ্বিয়াল্লাহু আনহুমৰ পিছত ছালাত আদায় কৰিছোঁ, তেওঁলোকৰ কোনেও বিছমিল্লাহ উচ্চস্বৰত কোৱা নাছিল”। [39]

বিছমিল্লাহ এটি সম্পূৰ্ণ আয়াত। [40]

৯. ছূৰা ফাতিহা তিলাৱাত কৰিব:

﴿ٱلۡحَمۡدُ لِلَّهِ رَبِّ ٱلۡعَٰلَمِينَ ۝١ ٱلرَّحۡمَٰنِ ٱلرَّحِيمِ ۝٢ مَٰلِكِ يَوۡمِ ٱلدِّينِ ۝٣ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِينُ ۝٤ ٱهۡدِنَا ٱلصِّرَٰطَ ٱلۡمُسۡتَقِيمَ ۝٥ صِرَٰطَ ٱلَّذِينَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۝٦ غَيۡرِ ٱلۡمَغۡضُوبِ عَلَيۡهِمۡ وَلَا ٱلضَّآلِّينَ ۝٧﴾[الفاتحة:1-7]

কাৰণ, উবাদা ইব্‌ন ছামিত ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

لا صلاة لمن لم يقرأ بفاتحة الكتاب.

“যিয়ে (ছালাতত) ফাতিহা পঢ়া নাই, তেওঁৰ ছালাত (হোৱা) নাই”।[41] প্ৰত্যেক মুছল্লীয়ে (ছালাত আদায়কাৰীয়ে) ছূৰা ফাতিহা পঢ়া ওৱাজিব, জাহৰি (উচ্চস্বৰত)বা ছিৰৰি (নিম্নস্বৰত) উভয় ছালাতৰ মুক্তাদিসকল এই নিৰ্দেশৰ অন্তৰ্ভুক্ত। কাৰণ উবাদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত পূৰ্বৰ মাৰফূ হাদীছত আছে :

لعلكم تقرؤون خلف إمامكم

“সম্ভৱত তোমালোকে ইমামৰ পিছত তিলাৱাত কৰা”। মই ক’লো: হয়, দ্ৰুত পঢ়োঁ। হে আল্লাহৰ ৰাছূল (চাল্লাল্লাহু আলাইহি ৱাছাল্লাম)! তেওঁ ক’লে:

لا تفعلوا إلا بفاتحة الكتاب؛ فإنه لا صلاةَ لمن لم يقرأْ بها.

“ফাতিহা ব্যতীত অন্য একো নপঢ়িবা, কাৰণ যিজনে ফাতিহা নপঢ়ে তেওঁৰ কোনো ছালাত নাই”।[42]

মুহাম্মদ ইব্‌ন আবি আয়িশা (ৰাদ্বিয়াল্লাহু আনহু)য়ে ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ চাহাবাৰ পৰা বৰ্ণনা কৰিছে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

لعلكم تقرؤون والإمام يقرأ

“সম্ভৱত ইমামৰ তিলাৱাত কৰাৰ সময়ত তোমালোকেও তিলাৱাত কৰা”। তেওঁলোকে ক’লে: আমি এনেকুৱা কৰোঁ। তেওঁ ক’লে:

لا، إلا أن يقرأ أحدكم بفاتحة الكتاب

“এনেকুৱা নকৰিবা, কিন্তু তোমালোকৰ কোনোবাই ফাতিহা পঢ়িলে ভিন্ন কথা”।[43]

কিন্তু যিজন মাছবুকে ইমামক ৰুকু অৱস্থাত পায় তেওঁৰ পৰা ফাতিহা পঢ়াৰ আৱশ্যকতা উঠি যাব। কাৰণ আবু বকৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে, তেওঁ যেতিয়া ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ওচৰত গৈ পাইছিল, তেতিয়া তেওঁ ৰুকু অৱস্থাত আছিল, আবু বকৰা ৰাদ্বিয়াল্লাহু আনহুয়ে ছালাতৰ শাৰীত নিমিলাকৈয়েই ৰুকু কৰিলে, এই ঘটনা ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক জনোৱা হ'ল, তেতিয়া তেওঁ ক'লে: "আল্লাহে তোমাৰ আগ্ৰহ বঢ়াই দিয়ক, কিন্তু এনেকুৱা কেতিয়াওঁ নকৰিবা"।[44]

ইয়াত লক্ষ্যণীয় যে, তেওঁ যি ৰাকা'তৰ ৰুকু পাইছে, সেই ৰাকা'তৰ কিৰাত তেওঁক কাজা কৰাৰ নিৰ্দেশ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে দিয়া নাই, যদি কিৰাতবিহীন সেই ৰাকা'ত অশুদ্ধ হ'লহেঁতেন, তেন্তে নিশ্চয় ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে তেওঁক পুনৰাই সেই ৰাকাত আদায় কৰাৰ নিৰ্দেশ দিলেহেঁতেন।

মুক্তাদীসকলে যদি পাহৰি যায় অথবা নাজানে, তেনেহ'লে তেওঁলোকৰ পৰা ছূৰা ফাতিহা পঢ়াৰ আৱশ্যকতা ৰহিত হৈ যাব।

১০. ছূৰা ফাতিহাৰ শেষত ক'ব: آمين 'আমীন'।

যদি জাহৰি ছালাত হয় সজোৰে (উচ্চস্বৰত), আৰু ছিৰৰি ছালাত হ'লে লাহেকৈ (নিম্নস্বৰত) ক'ব آمين 'আমীন'। 'আমীন' শব্দৰ অৰ্থ হ'ল: হে আল্লাহ! কবুল কৰা। কাৰণ আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: "ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ফাতিহা শেষ কৰি উচ্চ স্বৰত 'আমীন' কৈছিল"।[45]

তেওঁৰ পৰা আৰু এটি হাদীছত বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "ইমামে যেতিয়া আমীন কয়, তোমালোকেও আমীন কোৱা, কাৰণ

যাৰ আমীন ফিৰিস্তাসকলৰ আমীনৰ লগত মিলি যাব, তেওঁৰ পূৰ্বৰ সকলো পাপ ক্ষমা কৰি দিয়া হ'ব"।[46]

তেওঁৰ পৰা আৰু বৰ্ণিত আছে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "ইমামে যেতিয়া কয়, ) غَيۡرِ ٱلۡمَغۡضُوبِ عَلَيۡهِمۡ وَلَا ٱلضَّآلِّينَ ( তোমালোকে কোৱা آمين আমীন। কাৰণ যাৰ আমীন ফিৰিস্তাসকলৰ আমীনৰ লগত মিলি যাব, তেওঁৰ পূৰ্বৰ পাপ ক্ষমা কৰি দিয়া হ'ব"।[47]

যি ব্যক্তিয়ে ছূৰা ফাতিহা পঢ়িবলৈ অক্ষম, তেওঁ কুৰআনৰ অন্য ক'ৰবাৰ পৰা তিলাৱাত কৰিব। যদি কুৰআনৰ পৰা একোৱেই নাজানে, তেনেহ'লে ক'ব:

سبحان الله، والحمد لله، ولا إله إلا الله، والله أكبر، ولا حول ولا قوة إلا بالله العلي العظيم.

কাৰণ আব্দুল্লাহ ইব্‌ন আবু আওফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ওচৰত আহি ক'লে: মই কুৰআনৰ কোনো অংশ গ্ৰহণ কৰিবলৈ সক্ষম নহয়, গতিকে মোক তাৰ পৰিৱৰ্তে অন্য কিবা শিক্ষা দিয়ক, তেওঁ কলে: "তুমি কোৱা[48]:

سبحان الله، والحمد لله، ولا إله إلا الله، والله أكبر، ولا حول ولا قوة إلا بالله العلي العظيم

**১১.** ছূৰা ফাতিহাৰ পিছত ফজৰ আৰু জুমাৰ দুই ৰাকাতত আৰু জোহৰ, আছৰ, মাগৰীব আৰু ঈশাৰ প্ৰথম দুই ৰাকাতত কোনো এটা ছূৰা মিলোৱা অথবা কুৰআনৰ য'ৰ পৰা সহজ তিলাৱাত কৰা। নফল ছালাতৰ প্ৰত্যেক ৰাকাতত ছূৰা মিলোৱা উচিত।

আবু কাতাদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: “ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে জোহৰৰ প্ৰথম দুই ৰাকাতত ফাতিহা পঢ়িছিল আৰু তাৰ লগত দুটা ছূৰা মিলাইছিল। প্ৰথম ৰাকাত দীঘল (লম্বা) কৰিছিল আৰু দ্বিতীয় ৰাকাত চুটি (সৰু) কৰিছিল। কেতিয়াবা কেতিয়াবা আয়াত শুনাই পঢ়িছিল। আৰু আছৰৰ প্ৰথম দুই ৰাকাতত ছূৰা ফাতিহা আৰু দুটা ছূৰা মিলাই পঢ়িছিল, প্ৰথম ৰাকাত তেওঁ দীৰ্ঘ কৰিছিল। ফজৰৰ প্ৰথম ৰাকাতত দীঘল কৰিছিল, দ্বিতীয় ৰাকাতত চুটি কৰিছিল”।[49]

এই হাদীছটো এনে দৰেও বৰ্ণিত আছে যে, “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে জোহৰ আৰু আছৰৰ প্ৰথম দুই ৰাকাতত এটাকৈ ছূৰা মিলাইছিল, কেতিয়াবা তেওঁ আমাক আয়াত শুনাইছিল”। [50]

বিশেষকৈ জোহৰৰ ছালাত সম্পৰ্কে আছে যে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে দ্বিতীয় দুই ৰাকাতত ছূৰা ফাতিহাৰ লগত অতিৰিক্ত পঢ়িছিল। আবু ছাইদ খুদৰি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: “জোহৰ আৰু আছৰত ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কিয়ামৰ পৰিমাপ কৰিছিল, আমি অনুমান কৰিছিলোঁ জোহৰৰ দুই ৰাকাতত তেওঁৰ থিয় হোৱাৰ পৰিমাণ ছূৰা ছাজদাহৰ অনুৰূপ, দ্বিতীয় দুই ৰাকাতৰ অনুমান কৰিছিলোঁ তাৰ আধা। আৰু আছৰৰ প্ৰথম দুই ৰাকাতৰ পৰিমাপ কৰিছিলোঁ তাতোকৈ অৰ্দ্ধেক”। অন্য শব্দত হাদীছটো এনেকুৱা আহিছে: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে জোহৰৰ প্ৰথম দুই ৰাকাতত ত্ৰিশ আয়াতলৈকে পঢ়িছিল, দ্বিতীয় দুই ৰাকাতত পোন্ধৰ আয়াতলৈকে পঢ়িছিল, (প্ৰত্যেক ৰাকাতত)। অথবা কৈছে: তাৰ আধা। আৰু আছৰৰ

প্ৰথম দুই ৰাকাতত পোন্ধৰ আয়াত পৰিমাণ পঢ়িছিল, দ্বিতীয় দুই ৰাকাতত তাৰ আধা পঢ়িছিল"।[51]

এইবোৰ হাদীছৰ দ্বাৰা প্ৰমাণিত হয় যে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে জোহৰৰ দ্বিতীয় দুই ৰাকাতত ছূৰা ফাতিহাৰ লগত অতিৰিক্ত পঢ়িছিল।[52]

ছুলাইমান ইব্‌ন ইয়াছাৰে কৈছে, আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৱে মদিনাৰ কোনোবা এজন ইমামৰ ফালে ইঙ্গিত কৰি কৈছে, মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ছালাতৰ লগত তেওঁৰ ছালাততকৈ বেছি মিল কাৰোঁ ছালাত দেখা পোৱা নাই। ছুলাইমানে কৈছে: "মই তেওঁৰ পিছত ছালাত আদায় কৰোঁ, তেওঁ জোহৰৰ প্ৰথম দুই ৰাকাত দীঘল কৰিছিল আৰু দ্বিতীয় দুই ৰাকাত চুটি কৰিছিল, অনুৰূপভাৱে আছৰৰ চালাতো চুটি কৰিছিল, মাগৰীবৰ প্ৰথম দুই ৰাকাতত কিচাৰে মুফাচ্ছাল (মুফাচ্ছালৰ[53] সৰু ছূৰাসমূহ) আৰু ঈশ্বাৰ প্ৰথম দুই ৰাকাতত আওছাতে মুফাচ্ছাল (মুফাচ্ছালৰ মধ্যম ছূৰাসমূহ) পঢ়িছিল। ৰাতিপুৱা পঢ়িছিল তিওৱালে মুফাচ্ছাল (মুফাচ্ছালৰ ডাঙৰ ছূৰাসমূহ)।[54]

বহু সময়ত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে জোহৰৰ ছালাত পূৰ্বে বৰ্ণিত পৰিমাণতকৈ অধিক দীঘল কৰিছিল। আবু ছাইদ খুদৰি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: "জোহৰৰ ছালাত ইমান দীঘল হৈছিল যে, কোনোবাই 'বাক্বি' (মদীনাৰ কবৰস্থানৰ নাম) লৈ যদি প্ৰয়োজন পূৰ্ণ কৰিবলৈ যায়, তাৰ পৰা উভতি আহি অযু কৰি দেখিব যে ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে প্ৰথম ৰাকাততেই আছে, কাৰণ তেওঁ প্ৰথম ৰাকাত দীঘল কৰিছিল।"[55]

আবু বাৰজা আছলামি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ফজৰৰ ছালাত শেষ কৰিছিল, তাৰ পিছত লোকসকলে উভতি যোৱাৰ সময়ত এজনে আনজনক চিনিব পৰা নাছিল। তেওঁ ফজৰৰ দুই ৰাকাতত অথবা তাৰ কোনো এক ৰাকাতত ষাঠিৰ পৰা এশ আয়াতলৈকে পঢ়িছিল”।[56]

শ্বায়খ ইমাম ইব্‌ন বায (ৰাহিমাহুল্লাহক)ক পাঁচ ওৱাক্ত ছালাতৰ কিৰাতৰ বিষয়ে কওঁতে শুনিছোঁ: “ফজৰত উত্তম হ’ল তিওৱালে মুফাচ্ছাল পঢ়া।[57]

জোহৰ, আছৰ আৰু ঈশাত আওছাতে মুফাচ্ছাল আৰু মাগৰীবত কিচাৰে মুফাচ্ছাল। কাৰণ নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে অধিকাংশ সময়ত এনেকুৱা কিৰাত পঢ়িছিল, কিন্তু ছফৰত অথবা অসুস্থতাৰ কাৰণে ফজৰৰ ছালাতত কিচাৰ ছূৰা পঢ়া দোষণীয় নহয় যদিও, উত্তম হ’ল উল্লেখিত পৰিমাপ অনুযায়ী ছালাত পঢ়া। দলীল ছুলাইমান ইব্‌ন ইয়াছাৰৰ সূত্ৰত আবু হুৰায়াৰা ৰাদ্বিয়াল্লাহু আনহু [58]ৰ পৰা বৰ্ণিত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ হাদীছ”।[59]

ইমাম ইবনুল কাইয়্যুম ৰাহিমাহুল্লাহে ফাতিহাৰ পিছত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ কিৰাতৰ বিষয়ে কৈছে: “তেওঁ ছূৰা ফাতিহা শেষ কৰি অন্য ছূৰা আৰম্ভ কৰিছিল, অধিকাংশ সময়ত দীৰ্ঘ কিৰাত পঢ়িছিল, কিন্তু কোনো কাৰণবশতঃ যেনে- ছফৰ অথবা অন্য প্ৰয়োজনত চুটি কৰিছিল, যদিও সাধাৰণতে তেওঁ মধ্যম পন্থা অৱলম্বন কৰিছিল”।[60]

কিৰাতৰ ক্ষেত্ৰত সকলো সময়তে, সকলো অৱস্থাতে আৰু সৰ্বক্ষেত্ৰতে নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ অনুসৰণ কৰাই উত্তম।[61]

১২. সম্পূৰ্ণ কিৰাত শেষ কৰি শ্বাস ঘূৰি অহালৈকে ক্ষন্তেক বিৰতি লোৱা উচিত যাতে ৰুকুৰ লগত কিৰাত মিলি নাযায়। ফাতিহাৰ পূৰ্বৰ বিৰতি এনেকুৱা নহয়, কাৰণ তাত ছালাত আৰম্ভ কৰাৰ দুআ আছে, গতিকে তাত দুআ পঢ়াৰ বাবে প্ৰয়োজনীয় পৰিমাণৰ বিৰতি ল'ব লাগে।

হাছান ৰাদ্বিয়াল্লাহু আনহুৰ সূত্ৰত ছামুৰা ৰাদ্বিয়াল্লাহু আনহুৰ চনদত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণিত:

أنه كان يسكت سكتتين: إذا استفتح الصلاة وإذا فرغ من القراءة كلها.

“তেওঁ দুবাৰ বিৰতি লৈছিল, এবাৰ যেতিয়া ছালাত আৰম্ভ কৰিছিল আন এবাৰ যেতিয়া তেওঁ সম্পূৰ্ণ কিৰাতৰ পৰা ফাৰিগ হৈছিল”।[62]

ইমাম তিৰমিজী ৰাহিমাহুল্লাহে কৈছে: “এইটোৱেই একাধিক আলিমৰ অভিমত, ইমামে ছালাত আৰাম্ভ কৰি আৰু কিৰাত শেষ কৰি সামান্য পৰিমাণৰ বিৰতি ল'ব; তেওঁলোকে এইটোকে মুস্তাহাব বুলি ভাৱে। ইমাম আহমদ, ইছহাক আৰু অন্যান্যসকলেও অনুৰূপ কৈছে।

১৩. কান্ধ অথবা কাণ পৰ্যন্ত উভয় হাত উঠাই ৰুকু কৰিব লাগে, মূৰ, পিঠি মাটিৰ লগত সমান্তৰালকৈ (বৰাবৰ) ৰাখিব লাগে, উভয় হাত আঁঠুৰ ওপৰত ৰাখিব লাগে আৰু আঙুলিবোৰ ফাঁক কৰি ৰাখিব লাগে।

কাৰণ আল্লাহ তা'আলাই কৈছে:

(يَـٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُواْ ٱرۡكَعُواْ وَٱسۡجُدُواْ وَٱعۡبُدُواْ رَبَّكُمۡ وَٱفۡعَلُواْ ٱلۡخَيۡرَ لَعَلَّكُمۡ تُفۡلِحُونَ ۩ ٧٧) [الحج:77]

“হে মুমিনসকল! তোমালোকে ৰুকু কৰা, ছাজদাহ কৰা, তোমালোকৰ ৰবৰ (প্ৰতিপালকৰ) ইবাদাত কৰা আৰু ভাল কাম কৰা, আশা কৰা যায় তোমালোকে সফল হ'ব পাৰিবা”।[63]

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ছালাতত ভুলকাৰী ব্যক্তিৰ হাদীছত আছে :

ثم اركع حتى تطمئنّ راكعًا

“তাৰ পিছত তুমি ৰুকু কৰা আৰু ৰুকু অৱস্থাত স্থিৰ হোৱা” ।[64]

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে:

كان رسول الله ﷺ إذا قام إلى الصلاة يكبر حين يقوم، ثم يكبر حين يركع» ، وفي لفظ: «إنه كان يصلي بهم فيكبر كلما خفض ورفع فإذا انصرف قال: إني لأشبهكم صلاة برسول الله ﷺ؛

“ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাতত থিয় হৈছিল তাকবীৰ কৈছিল, তাৰ পিছত তাকবীৰ কৈছিল যেতিয়া ৰুকু কৰিছিল” ।[65]

এনেদৰেও বৰ্ণিত আছে যে, “তেওঁ তেওঁলোকৰ লগত ছালাত আদায় কৰিছিল আৰু প্ৰত্যেকবাৰ উঠা আৰু নমাৰ সময়ত তাকবীৰ কৈছিল, তাৰ পিছত কৈছিল তোমালোকৰ ভিতৰত মোৰ ছালাতেই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ছালাতৰ লগত বেছি সামঞ্জস্যপূৰ্ণ” ।[66]

আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত:

كان يرفع يديه حذو منكبيه إذا افتتح الصلاة، وإذا كبر للركوع...

“ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাত আৰম্ভ কৰিছিল আৰু যেতিয়া ৰুকু কৰিছিল উভয় হাত কান্ধলৈকে উঠাইছিল...”[67]

كان إذا كبر رفع يديه حتى يحاذي بهما أذنيه وإذا ركع رفع يديه حتى يحاذي بهما أذنيه»؛

মালিক ইব্‌ন হুৱাইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত: “যেতিয়া তেওঁ তাকবীৰ কৈছিল, উভয় হাত কাণ পৰ্যন্ত উঠাইছিল আৰু যেতিয়া ৰুকু কৰিছিল উভয় হাত কাণ পৰ্যন্ত উঠাইছিল”।[68]

আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত:

وكان إذا ركع لم يشخص رأسه ولم يصوِّبه ولكن بين ذلك»؛

“যেতিয়া তেওঁ ৰুকু কৰিছিল মূৰ ওখ কৰিও নাৰাখিছিল আৰু একেবাৰে নমাইও নাৰাখিছিল, বৰঞ্চ মধ্যম পন্থাত ৰাখিছিল”।[69]

আবু হুমাইদ ছাঈদি ৰাদ্বিয়াল্লাহু আনহুৱে কেবাজনো চাহাবাক কৈছে:

أنا كنت أحفظكم لصلاة رسول الله ﷺ، رأيته إذا كبر جعل يديه حذو منكبيه، وإذا ركع أمكن يديه من ركبتيه [وفرج بين أصابعه] ثم هصرظهره...». وفي لفظ: «ثم ركع فوضع يديه على ركبتيه،كأنه قابضٌ عليهما، ووتّريديه فتجافى عن جنبيه...

“তোমালোকতকৈ ময়েই “ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ছালাত বিশুদ্ধভাৱে সংৰক্ষণ কৰিছোঁ, মই তেওঁক যেতিয়া তেওঁ তাকবীৰ কৈছিল উভয় হাত কান্ধ বৰাবৰ কৰিছিল, যেতিয়া তেওঁ ৰুকু কৰিছিল উভয় হাতৰ দ্বাৰা আঁঠু ধৰিছিল, (আঙুলিবোৰ ফাঁক কৰি ৰাখিছিল) তাৰ পিছত মাটিৰ ফালে হালিছিল...”।[70]

এনেদৰেও বৰ্ণিত আছে, “তাৰ পিছত তেওঁ ৰুকু কৰি উভয় হাত আঁঠুৰ ওপৰত এনেকৈ ৰাখিছিল, যেন তেওঁ আঁঠুদ্বয় ধৰি আছিল আৰু উভয় হাত দুই পাৰ্শ্বৰ পৰা পৃথক ৰাখিছিল...”[71]

ৰিফাআ ইব্‌ন ৰাফে ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণনা কৰিছে:

وإذا ركعت فضع راحتيك على ركبتيك وامدد ظهرك،

“যেতিয়া তুমি ৰুকু কৰা, তোমাৰ হাতৰ কব্জাদ্বয় আঁঠুৰ ওপৰত ৰাখা আৰু পিঠি লম্বা কৰা”।[72]

ওৱাবিছা ইব্‌ন মাবাদ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে:

رأيت رسول الله ﷺ يصلي، فكان إذا ركع سوّى ظهره حتى لو صُبّ عليه الماء لاستقرّ.

“মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক ছালাত আদায় কৰোঁতে দেখিছোঁ, তেওঁ যেতিয়া ৰুকু কৰিছিল পিঠি সমান্তৰাল ৰাখিছিল, আনকি যদি তেওঁৰ ওপৰত পানী ৰখা হ’লেহেঁতেন তেতিয়াও স্থিৰ থাকিলেহেঁতেন”।[73]

ৰুকুত স্থিৰভাৱে অৱস্থান কৰিব লাগে। কাৰণ হুযাইফা ৰাদ্বিয়াল্লাহু আনহুৱে সেই ব্যক্তিক দেখি কৈছিল যিজনে ৰুকু ছাজদাহ সঠিকভাৱে কৰা নাছিল:

ما صلّيتَ، ولو مُتّ مُتّ على غير الفطرة التي فطر الله [عليها] محمدًا ﷺ،

“তুমি ছালাত আদায় কৰা নাই, যদি তুমি মৰি যোৱা তেনেহ’লে তুমি সেই তৰিকাৰ ওপৰত মৰিবা, যাৰ ওপৰত মুহাম্মদ  চাল্লাল্লাহু আলাইহি ৱাছাল্লামক সৃষ্টি কৰা হোৱা নাই”।[74]

বাৰা ইব্‌ন আযিব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত:

كان ركوع النبي ﷺ، وسجوده، وقعوده بين السجدتين، وإذا رفع رأسه من الركوع ما خلا القيام والقعود قريبًا من السواء.

“ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ৰুকু, ছাজদাহ আৰু দুই ছাজদাহৰ মাজত বহা আৰু ৰুকুৰ পৰা উঠি পোন হৈ থিয় হোৱা আটাইবোৰ সমপৰিমাণৰ আছিল, কিয়াম আৰু বৈঠক ব্যতীত”।[75]

১৪. ৰুকুত পাঠ কৰিবলগীয়া দুআসমূহ:

«سبحان ربي العظيم» (ছূবহানা ৰাব্বিয়াল আ’জিম) তিনিবাৰ কোৱা উত্তম।

হুজাইফাতুল য়ামান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ৰুকুত কৈছিল:

«سبحان ربي العظيم» (ছুবহানা ৰাব্বিয়াল আ'জিম) আৰু ছাজদাহত কৈছিল[76]: «سبحان ربى الأعلى» (ছুবহানা ৰাব্বিয়াল আ'লা)

অন্য এটা বৰ্ণনাত আছে:

«سبحان ربى العظيم» (ছুবহানা ৰাব্বিয়াল আ'জিম) তিনিবাৰ আৰু ছাজদাহত «سبحان ربى الأعلى» তিনিবাৰ।[77]

ইয়াৰ বাহিৰেও অন্যান্য দুআ পঢ়াৰোঁ অনুমতি আছে , যিবোৰ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা প্ৰমাণিত, যেনে:

**এক**. আয়িশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ হাদীছ, তেওঁ কৈছে: "ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ৰুকু আৰু ছাজদাহত বেছি বেছিকৈ এই দুআ পাঠ কৰিছিল:[78]

سبحانك اللّٰهُمَّ ربنا وبحمدك، اللّٰهُمَّ اغفر لي

**দুই.** আয়িশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে তেওঁৰ ৰুকুত কৈছিল:[79]

سُبُّوحٌ قُدُّوسٌ، ربُّ الملائكة والروح

(ছুব্বুহুন কুদ্দুছুন ৰাব্বুল মালায়িকাতি ৱাৰৰুহ)

**তিনি.** আউফ ইব্‌ন মালিক আশ্বজায়িৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ৰুকুত কৈছিল:

سبحان ذي الجبروت والملكوت والكبرياء والعظمة،

(ছুবহানা জিল জ্বাবাৰুতি ৱালমালাকুতি ৱালকিবৰিয়ায়ি অল-আজামাহ)

তাৰ পিছত তেওঁ থিয় হোৱাৰ সমপৰিমাণ ছাজদাহ কৰিছিল আৰু ছাজদাহত অনুৰূপ কৈছিল।[80]

**চাৰি.** আলি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ৰুকু কৰিছিল তেতিয়া কৈছিল:[81]

اللّٰهُمَّ لك ركعتُ، وبك آمنتُ، ولك أسلمتُ، خشع لك سمعي وبصري ومُخّي وعظمي وعَصَبي .

(আল্লাহুম্মা লাকা ৰাকা'তু ৱাবিকা আমানতু ৱালাকা আছলামতু খাশ্বাআ' লাকা ছাময়ি, ৱাবাচাৰি, ৱামুখখি, ৱা 'আযামি ৱা 'আচাবি)

নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ৰুকু আৰু ছাজদাহত কুৰআন মাজীদ পঢ়িবলৈ নিষেধ কৰি কৈছে:

ألا وإني نُهيت أن أقرأ القرآن راكعًا أو ساجدًا، وأما الركوع فعظِّموا فيه الرب، وأما السجود فاجتهدوا في الدعاء فقَمِنٌ أن يُستجاب لكم.

“মই তোমালোকক ৰুকু আৰু ছাজদাহত কুৰআন তিলাৱতৰ পৰা নিষেধ কৰিছোঁ, তোমালোকে ৰুকুত আল্লাহৰ মহত্ব বৰ্ণনা কৰা আৰু ছাজদাহত বেছি বেছিকৈ দুআ কৰা। এয়া হ'ল দুআ কবুলৰ উপযুক্ত সময়”।[82]

**১৫.** ৰুকুৰ পৰা মূৰ উঠোৱাৰ সময়ত উভয় কান্ধ অথবা উভয় কাণলৈকে উভয় হাত উঠাই ক'ব লাগে:

سمع الله لمن حمده

(ছামিয়াল্লাহু লিমান হামিদাহ)

ইমাম অথবা মুনফাৰিদ উভয়েই ক'ব লাগে। তাৰ পিছত উভয়ে ক'ব:

ربنا ولك الحمد

(ৰাব্বানা লাকাল হামদ)

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে «سمع الله لمن حمده» কৈ, তাৰ পিছত কৈছিল[83]:

اللّٰهُمَّ ربنا ولك الحمد

(আল্লাহুম্মা ৰাব্বানা ৱা লাকাল হামদ)

যদি মুক্তাদি হয়, তেনেহ'লে ৰুকুৰ পৰা মূৰ উঠোৱাৰ সময়ত ক'ব:

ربنا ولك الحمد

(ৰাব্বানা ৱা লাকাল হামদ)

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "যেতিয়া ইমামে سمع الله لمن حمده (ছামিয়াল্লাহু লিমান হামিদাহ) ক'ব, তেতিয়া তোমালোকে ক'বা:

اللّٰهُمَّ ربّنا لك الحمد

(আল্লাহুম্মা ৰাব্বানা লাকাল হামদ)

কাৰণ, যাৰ কথা ফিৰিস্তাসকলৰ কথাৰ লগত মিলি যাব, তেওঁৰ পূৰ্বৰ সকলো পাপ মোচন কৰি দিয়া হব।[84]

اللّٰهُمَّ ربّنا لك الحمد (আল্লাহুম্মা ৰাব্বানা লাকাল হামদ) চাৰি ধৰণে বৰ্ণিত আছে:

**এক প্ৰকাৰ:** ربنا لك الحمد (ৰাব্বানা লাকাল হামদ)

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছালাতত থিয় হৈ তাকবীৰ কৈছিল, তাৰ পিছত তাকবীৰ কৈছিল যেতিয়া তেওঁ ৰুকু কৰিছিল। তাৰ পিছত কৈছিল: سمع الله لمن حمده (ছামিয়াল্লাহু লিমান হামিদাহ) যেতিয়া তেওঁ ৰুকুৰ পৰা পিঠি পোন

কৰিছিল; তাৰ পিছত তেওঁ থিয় হৈ কৈছিল[85]:ربنا لك الحمد(ৰাব্বানা লাকাল হামদ)।

দ্বিতীয় প্ৰকাৰ: ربنا ولك الحمد (ৰাব্বানা ৱা লাকাল হামদ)।

আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণনা কৰিছে:

إنما جُعل الإمام ليُؤتمّ به، فإذا صلى قائمًا فصلوا قيامًا، وإذا ركع فاركعوا، وإذا رفع فارفعوا، وإذا سجد فاسجدوا، وإذا قال سمع الله لمن حمده فقولوا: ربنا ولك الحمد.

“আনুগত্য কৰাৰ বাবেই ইমাম নিৰ্ধাৰণ কৰা হৈছে, যেতিয়া তেওঁ থিয় হৈ ছালাত আদায় কৰে, তোমালোকেও থিয় হৈ ছালাত আদায় কৰা, যেতিয়া তেওঁ ৰুকু কৰে তোমালোকেও ৰুকু কৰা, যেতিয়া তেওঁ উঠে তোমালোকেও উঠা, যেতিয়া তেওঁ ছাজদাহ কৰে তোমালোকেও ছাজদাহ কৰা, যেতিয়া তেওঁ কয়: سمع الله لمن حمده (ছামিয়াল্লাহু লিমান হামিদাহ) তোমালোকে কোৱা: ربنا ولك الحمد (ৰাব্বানা ৱা লাকাল হামদ)[86]

তৃতীয় প্ৰকাৰ: اللَّهُمَّ ربّنا لك الحمد (আল্লাহুম্মা ৰাব্বানা লাকাল হামদ)।

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লাম কৈছে: যেতিয়া ইমামে কয়: سمع الله لمن حمده (ছামিয়াল্লাহু লিমান হামিদাহ) তোমালোকে কোৱা: اللَّهُمَّ ربّنا لك الحمد، (আল্লাহুম্মা ৰাব্বানা লাকাল হামদ)। কাৰণ যাৰ কথা ফিৰিস্তাসকলৰ কথাৰ লগত মিলি যাব, তেওঁৰ পূৰ্বৰ সকলো পাপ মোচন কৰি দিয়া হ’ব [87]।

**চতুৰ্থ প্ৰকাৰ:** «اللَّهُمَّ ربّنا ولك الحمد»؛ (আল্লাহুম্মা ৰাব্বানা ৱা লাকাল হামদ)।

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া কৈছিল: سمع الله لمن حمده، (ছামিয়াল্লাহু লিমান হামিদাহ) তাৰ পিছত কৈছিল:«اللَّهُمَّ ربنا ولك الحمد»، (আল্লাহুম্মা ৰাব্বানা ৱা লাকাল হামদ)। [88]

আটাইবোৰেই যিহেতু ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা প্ৰমাণিত, গতিকে কেতিয়াবা এইটো কেতিয়াবা সেইটো পঢ়া উত্তম। ইমাম, মুক্তাদি আৰু অকলশৰীয়া ছালাত আদায়কাৰীসকলৰ বাবে উত্তম হ'ল: «ربنا ولك الحمد» (ৰাব্বানা ৱা লাকাল হামদ)পঢ়াৰ পিছত, অতিৰিক্তকৈ কোৱা: حمدًا كثيرًا طيبًا مُباركًا فيه[89](হামদান কাছিৰান ত্বাইয়িহবাম মুবাৰাকান ফিহি)

ملء السموات،وملء الأرض،[وما بينهما] وملء ما شئت من شيء بعد،أهل الثناء والمجد، أحقّ ما قال العبد،وكلنا لك عبد،اللَّهُمَّ لا مانع لما أعطيت،ولا مُعطي لما منعت،ولا ينفع ذا الجد منك الجد» «اللَّهُمَّ طَهِّرْني بالثلج، والبَرَدِ، والماء البارد،اللَّهُمَّ طَهِّرْني من الذنوب والخطايا كما يُنَقَّى الثوبُ الأبيضُ من الوسخ» «لربي الحمد»؛

(মিলআছ ছামাৱতি ৱা মিলআল আৰদি, (ৱা মা বাইনাহুমা) ৱা মিলআ মা শ্বি'তা মিন শ্বাইয়িম বা'দ; আহলাছ ছানায়া ৱাল মাজ্বদি, আহাক্কু মা ক্বালাল 'আবদু; ৱা কুল্লুনা লাকা 'আব্দু। আল্লাহুম্মা লা মানিয়া লিমা আ'ৱত্বাইতা, ৱা লা মু'ৱত্বিয়া লিমা মানা'ৱতা, ৱা লা য়ানফাৰু জাল জ্বাদ্দি মিনকাত জ্বাদ্দ। আল্লাহুম্মা ত্বাহহিৰনি বিচ ছালজি, ৱাল বাৰাদি, ৱাল মায়িল বাৰিদ। আল্লাহুম্মা ত্বাহহিৰনি মিনাজ যুনুবি ৱাল খাতায়া কামা য়ুনাক্কাল্ল ছাউবুল আবয়াদু মিনাল ৱাছাখ। লি ৰাব্বিল হামদ।) [90]

“লি ৰাব্বিল হামদ” বাৰে বাৰে ক’ব। ইমাম, মুক্তাদি আৰু অকলশৰীয়াকৈ ছালাত আদায়কাৰী সকলোৰে বাবে উত্তম হ’ল ৰুকুৰ পৰা উঠি বুকুত সোঁ হাতৰ ওপৰত বাওঁ হাত ৰখা, যেনেকৈ ৰুকুৰ পূৰ্বে ৰাখিছিল। কাৰণ ওৱায়েল ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে:

رأيت رسول الله ﷺ إذا كان قائمًا في الصلاة قبض بيمينه على شماله

“মই দেখিছোঁ, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাতত থিয় হৈছিল, তেতিয়া তেওঁ সোঁহাতৰ দ্বাৰা বাওঁহাত ধৰি ৰাখিছিল”।[91]

ৰুকুৰ পৰা উঠি স্থিৰ হৈ থিয় হ’ব। ছাবিতৰ পৰা বৰ্ণিত, আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: মই তোমালোকৰ লগত তেনেকুৱা ছালাত আদায় কৰিবলৈ কাৰ্পণ্য নকৰিম, যেনেকুৱা ছালাত মোৰ লগত ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে আদায় কৰিছে। তেওঁ কৈছে: আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে এনেকুৱা কিছুমান কাম কৰিছিল, যিবোৰ মই তোমালোকক কৰা দেখা নাই, তেওঁ যেতিয়া ৰুকুৰ পৰা উঠিছিল পোন হৈ থিয় হৈছিল, কোনোবাই ক’ব পাৰিলেহেঁতেন যে তেওঁ পাহৰি গৈছে, অনুৰূপভাৱে ছাজদাহৰ পৰা মূৰ উঠাই তেওঁ পোন হৈ বহিছিল, কোনোবাই ক’ব পাৰিলেহেঁতেন যে তেওঁ পাহৰি গৈছে।[92]

এনেবোৰ স্থানত উল্লেখিত জিকিৰ ব্যতীত অন্যান্য অনুমোদিত জিকিৰ পঢ়াও বৈধ।

১৬. তাকবীৰ (আল্লাহু আকবাৰ) কৈ ছাজদাহ কৰিব, সম্ভৱ হ’লে উভয় হাত আঁঠুৰ ওপৰত ৰাখি, যদি কষ্ট হয় তেনেহ’লে আঁঠুৰ আগত হাত ৰাখিব। আল্লাহ তা’আলাই কৈছে:

(يَـٰٓأَيُّهَا ٱلَّذِينَ ءَامَنُواْ ٱرۡكَعُواْ وَٱسۡجُدُواْۤ وَٱعۡبُدُواْ رَبَّكُمۡ وَٱفۡعَلُواْ ٱلۡخَيۡرَ لَعَلَّكُمۡ تُفۡلِحُونَ ۩ ﴿٧٧﴾)[الحج:77]

“হে মুমিনসকল, তোমালোকে ৰুকু কৰা, ছাজদাহ কৰা, তোমালোকৰ প্ৰতিপালকৰ ইবাদত কৰা আৰু ভাল কাম কৰা, আশা কৰা যায় তোমালোকে সফল হ’ব পাৰিবা” ।[93]

ছালাতত ভুলকাৰীৰ হাদীছত আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত: “তাৰ পিছত ছাজদাহ কৰা, ছাজদাহত একেবাৰে স্থিৰ হোৱা” ।[94]

তেওঁৰ পৰা অন্য হাদীছত আছে : “ছাজদাহৰ বাবে যেতিয়া ঢাল খোৱা, তেতিয়া তাকবীৰ কৰা” ।[95]

ওৱাইল ইব্‌ন হুজৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে : “মই দেখিছোঁ, যেতিয়া নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছাজদাহ কৰিছিল, উভয় হাত ৰখাৰ আগত তেওঁ আঁঠু ৰাখিছিল, আৰু তেওঁ উঠাৰ সময়ত আঁঠুৰ আগত হাত উঠাইছিল” ।[96]

হাত আৰু ভৰিৰ আঙুলিবোৰ কিবলা অভিমূখে ৰাখিব। আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহু ছায়িদি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে:

فإذا سجد وضع يديه غير مفترشٍ ولا قابضهما، واستقبل بأطراف أصابع رجليه القبلة

“যেতিয়া ছাজদাহ কৰিবা উভয় হাত পাৰি নাৰাখিবা, আকৌ মুষ্টিবদ্ধ কৰিও নাৰাখিবা, ভৰিৰ আঙুলিবোৰ কিবলা অভিমূখে কৰি ৰাখিবা” ।[97]

হাতৰ আঙুলিবোৰ মিলাই কিবলা অভিমুখে ৰাখিব। কাৰণ আলকামা ৰাদ্বিয়াল্লাহু আনহুৱে তেওঁৰ পিতা ওৱাছিলাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণনা কৰিছে: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছাজদাহ কৰিছিল, তেতিয়া তেওঁ আঙুলিবোৰ মিলাই ৰাখিছিল” ।[98]

আবু হুমাইদৰ হাদীছত আছে : “হাতৰ আঙুলিবোৰ কিবলামূখী কৰি ৰাখিছিল”।[99]

ভৰিৰ আঙুলিবোৰ খোলা ৰাখিব, কাৰণ আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: “তাৰ পিছত দুই বাহুক পাৰ্শ্বৰ পৰা পৃথক কৰি ৰাখিব আৰু ভৰিৰ আঙুলিবোৰ খোলা ৰাখিব”।[100]

সাত অঙ্গৰ দ্বাৰা ছাজদাহ কৰিব, কপালৰ লগত নাক, দুই হাত, দুই আঁঠু, উভয় ভৰিৰ আঙুলিৰ ভিতৰৰ অংশ। ইব্‌ন আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লাম কৈছে:

أمرت أن أسجد على سبعة أعظم: على الجبهة – وأشار بيده على أنفه – واليدين، والركبتين، وأطراف القدمين، ولا نكفُت الثياب والشعر» وفي لفظ لمسلم: «ولا أكفّ ثوبًا ولا شعرًا

“মোক সাত অঙ্গৰ ওপৰত ছাজদাহ কৰাৰ নিৰ্দেশ দিয়া হৈছে: কপাল-ইয়াৰ লগত তেওঁ ইশাৰা কৰি নাকৰ ফালে ঈঙ্গিত কৰিছে- দুই হাত, দুই আঁঠু, দুই ভৰিৰ সন্মুখভাগ, আৰু মই কাপোৰ আৰু চুলি ধৰি নাৰাখিম”। মুছলিমৰ বৰ্ণনাত আছে: “মই যেন কাপোৰ আৰু চুলি ধৰি নাৰাখো”।[101]

পাৰ্শ্বদ্বয়ৰ পৰা বাহুদ্বয় পৃথক ৰাখিব। কাৰণ আব্দুল্লাহ ইব্‌ন মালিক ইব্‌ন বুহায়না ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে,

كان إذا صلّى فرّج بين يديه حتى يبدو بياض إبطيه

“নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাত আদায় কৰিছিল, তেতিয়া উভয় হাত এনেকৈ পৃথক কৰি ৰাখিছিল যে, তেওঁৰ বগললৈকে দেখা গৈছিল”।[102]

পেট উৰু (ৰান)ৰ পৰা আৰু উৰু ভৰিৰ গোৰোৱাৰ পৰা পৃথক ৰাখিব আৰু উভয় ৰানৰ মাজত ফাঁক কৰি ৰাখিব। আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: “যেতিয়া ছাজদাহ কৰে তেতিয়া যেন উভয় ৰান পৃথক ৰাখে, পেটৰ ভৰ যেন ৰানৰ ওপৰত নিদিয়ে”।[103]

উভয় হাতৰ কজ্বা কান্ধ বৰাবৰ ৰাখিব। কাৰণ আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: “তাৰ পিছত তেওঁ ছাজদাহ কৰিছে, যমীনৰ ওপৰত নাক আৰু কপাল স্থিৰ কৰিছে, উভয় পাৰ্শ্বৰ পৰা হাত পৃথক ৰাখিছিল আৰু উভয় হাতৰ কজ্বাক কান্ধ বৰাবৰ ৰাখিছিল”।[104]

অথবা উভয় হাত কাণ বৰাবৰ ৰাখিব। যেনেকৈ ওৱায়েল ইব্ন হুজৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আহিছে। “তাৰ পিছত তেওঁ ছাজদাহ কৰিছে আৰু উভয় হাতৰ কজ্বা কাণ বৰাবৰ ৰাখিছিল”।[105]

এইটো মূলত বাৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছৰ অনুৰূপ, যেতিয়া তেওঁক সোধা হৈছিল, ছাজদাহৰ সময়ত ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ক'ত চেহাৰা ৰাখিছিল? তেওঁ কৈছিল: “দুই হাতৰ কজ্বাৰ মাজত”।[106]

উভয় হাতৰ বাহু যমীনৰ পৰা পৃথক ৰাখিব। কাৰণ আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: “তোমালোকে ছাজদাহত স্থিৰ হোৱা, তোমালোকৰ কোনেও যেন তেওঁৰ বাহুদ্বয় কুকুৰৰ দৰে পাৰি নাৰাখে”।[107]

বাৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা এটি মাৰফু হাদীছত আছে: “যেতিয়া তুমি ছাজদাহ কৰা, তোমাৰ হাত মাটিত ৰাখা আৰু বাহুদ্বয় ওপৰত ৰাখা”।[108]

উভয় ভৰি মিলাই ৰাখিব৷ আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছত আছে: “মই তেওঁক ছাজদাহ অৱস্থাত পালোঁ, তেওঁৰ দুয়োটা গোৰোৱা মিলোৱা আছিল আৰু ভৰিৰ আঙুলিবোৰ আছিল কিবলামুখী”। [109]

উভয় ভৰি থিয় কৰি ৰাখিব। আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ হাদীছত আছে: “মই তেওঁক বিচাৰিলোঁ, মোৰ হাত তেওঁৰ ভৰিৰ ওপৰত পৰিল, তেওঁ তেতিয়া ছাজদাহত আছিল, তেওঁৰ ভৰিবোৰ আছিল থিয় হৈ”। [110]

১৭. ছাজদাহত ক’ব:

سبحان ربي الأعلى

(ছুবহানা ৰাব্বিয়াল ’আৱলা)। তিনিবাৰ কোৱা উত্তম।

হুজায়ফা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আহিছে। ইচ্ছা কৰিলে অন্যান্য হাদীছত বৰ্ণিত দুআও পঢ়িব পাৰে। যেনে:

এক. আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছৰ মতেঃ

سبحانك اللّٰهُمَّ ربنا وبحمدك اللّٰهُمَّ اغفر لي

(ছুবহানাকা আল্লাহুম্মা ৰাব্বানা ৱা বিহামদিকা আল্লাহুম্মাগফিৰ লী)।[111]

দুই. আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছ মোতাবেক:

سُبُّوحٌ، قُدُّوسٌ، ربُّ الملائكة والروح

(ছুব্বুহুন কুদ্দুছূন ৰাব্বুল মালায়িকাতু ৱাৰ ৰুহ) [112]

তিনি.

سبحان ذي الجبروت، والملكوت، والكبرياء، والعظمة

(ছুবহানা জিল জ্বাবাৰুতি, ৱাল মালাকুতি, ৱাল কিবৰিয়ায়ি ৱাল ’আঝামাহ) [113]

চাৰি. আলি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছৰ মতে:

اللّٰهُمَّ لك سجدتُ، وبك آمنتُ، ولك أسلمتُ،سجد وجهي للذي خلقه وصوّره،وشق سمعه وبصره،تبارك الله أحسن الخالقين

(আল্লাহুম্মা লাকা ছাজ্বাদতু, ৱাবিকা আমানতু, ৱালাকা আছলামতু, ছাজ্বাদা ৱাজ্বহিয়া লিল্লাজি খালাক্বাহু, ৱা চাওৱাৰাহু ৱাশ্বাক্ব্ব ছামআ'হু ৱাবাচাৰাহু তাবাৰাকাল্লাহু আহছানুল খালিক্বিন) [114]

পাঁচ. আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছ মোতাবেক:

اللّٰهُمَّ إني أعوذ برضاك من سخطك، وبمعافاتك من عقوبتك،وأعوذ بك منك،لا أحصي ثناءً عليك أنت كما أثنيت على نفسك

(আল্লাহুম্মা ইন্নি আউজুবি ৰাধাকা মিন ছাখাতিকা ৱাবিমুৱাফাতিকা মিন উক্বুবাতিকা ৱা আউজুবিকা মিনকা, লা উহচি ছানাআন 'আলাইকা 'আনতা কামা আছনাইতা 'আলা নাফছিক) [115]

ছয়. আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছৰ মতে:

اللّٰهُمَّ اغفر لي ذنبي كله، دقّه وجلّه، وأوّله وآخره، وعلانيته وسرّه

(আল্লাহুম্মাগফিৰ লী জুনুবী কুল্লাহু দিক্কাহু, ৱা জ্বিল্লাহু, ৱা আউৱালাহু ৱা আখিৰাহু, ৱা 'আলানিয়্যাতাহু ৱা ছিৰৰাহ)।[116]

ছাজদাহত বেছিকৈ দুআ কৰিব লাগে আৰু আল্লাহৰ ওচৰত দুনিয়া আৰু আখিৰাতৰ কল্যাণ কামনা কৰিব লাগে। ছালাত ফৰজেই হওঁক বা নফলেই হওঁক। কাৰণ আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "ছাজদাহ কৰা অৱস্থাত বান্দাসকল তেওঁলোকৰ ৰবৰ অতি নিকটৱৰ্তী হয়, গতিকে তোমালোকে তাত খুব বেছিকৈ দুআ কৰা"।[117]

ইব্‌ন আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:: “আৰু তোমালোকে ৰুকুত আল্লাহৰ খুব মহত্ব বৰ্ণনা কৰা আৰু ছাজদাহত খুব দুআ কৰা, তেনেহ’লে তোমালোকৰ দুআ কবুল কৰা হ’ব”।[118]

১৮. তাকবীৰ কৈ ছাজদাহৰ পৰা মূৰ উঠাব আৰু স্থিৰ হৈ বহিব।

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ছালাতত ভুলকাৰীৰ হাদীছত আছে: “তাৰ পিছত তুমি মূৰ উঠাই স্থিৰ হৈ বহা”।[119]

বাওঁ ভৰি পাৰি তাৰ ওপৰত বহিবা, সোঁ ভৰি থিয়কৈ ৰাখিবা আৰু আঙুলিবোৰ কিবলাৰ ফালে ৰাখিবা। কাৰণ আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছত আছে: “তেওঁ (চাল্লাল্লাহু আলাইহি ৱাছাল্লাম) বাওঁ ভৰি পাৰি ৰাখিছিল আৰু সোঁ ভৰি থিয়কৈ ৰাখিছিল”।[120]

উভয় হাত ৰান বা উৰুৰ ওপৰত ৰাখিব। কাৰণ আব্দুল্লাহ ইব্‌ন জুবায়েৰ ৰাদ্বিয়াল্লাহু আনহুই তেওঁৰ পিতাৰ পৰা মাৰফূ চনদত বৰ্ণনা কৰিছে: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া বহিছিল তেতিয়া তেওঁ দুআ কৰিছিল আৰু সোঁ হাত সোঁ ৰানৰ ওপৰত আৰু বাওঁ হাত বাওঁ ৰানৰ ওপৰত ৰাখিছিল”।[121]

অথবা উভয় হাত আঁঠুৰ ওপৰত ৰাখিব।

কাৰণ আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাতত বহিছিল, তেতিয়া তেওঁ তেওঁৰ দুই হাত আঁঠুৰ ওপৰত ৰাখিছিল”।[122]

অথবা সোঁ হাত সোঁ ৰানৰ ওপৰত, বাওঁ হাত বাওঁ ৰানৰ ওপৰত আৰু বাওঁ কজাৰ দ্বাৰা আঁঠু ধৰি ৰাখিব। যেনেকৈ আব্দুল্লাহ ইব্‌ন জুবায়েৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে।

সাৰাংশ হ'ল হাত ৰখাৰ তিনিটা পদ্ধতি:

এক. সোঁ হাত সোঁ ৰানৰ ওপৰত আৰু বাওঁ হাত বাওঁ ৰানৰ ওপৰত।

দুই. সোঁ হাত সোঁ আঁঠুৰ ওপৰত আৰু বাওঁ হাত বাওঁ আঁঠুৰ ওপৰত।

তিনি. সোঁ কব্জা সোঁ ৰানৰ ওপৰত আৰু বাওঁ কব্জা বাওঁ ৰানৰ ওপৰত আৰু বাওঁ কব্জাৰ দ্বাৰা আঁঠু ভালকৈ ধৰিব।[123]

উভয় হাতৰ কব্জা ৰখাৰ পদ্ধতি: মুছল্লীয়ে তেওঁৰ বাওঁ হাত বিছাই (পাৰি) ৰাখিব। যেনেকৈ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: "তেওঁৰ বাওঁ হাত আছিল আঁঠুৰ ওপৰত বিছোৱা"।[124]

আৰু উভয় বাহু ৰানৰ ওপৰত ৰাখিব। কাৰণ ওয়াৱেল ইব্‌ন হুজৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: "তেওঁ তেওঁৰ দুই বাহু ৰানৰ ওপৰত ৰাখিছিল"।[125]

আৰু সোঁ হাতৰ কনিষ্ঠ আঙুলি আৰু অনামিকা আঙুলিৰ দ্বাৰা মুষ্ঠি বনাব আৰু বৃদ্ধাঙুলি আৰু মধ্যমা আঙুলিৰ দ্বাৰা হালকা (ঘূৰণীয়া ৰিং) বনাব, তাৰ পিছত সোঁ হাতৰ কব্জা সোঁ ৰানৰ ওপৰত ৰাখিব। ওয়াৱেল ইব্‌ন হুজৰৰ হাদীছত আছে: "তাৰ পিছত কিবলা মুখী হৈ উভয় হাত কাণলৈকে উঠাইছিল আৰু সোঁহাতেৰে বাওঁহাত ধৰি ৰাখিছিল। যেতিয়া তেওঁ ৰুকু কৰাৰ ইচ্ছা কৰিছিল, অনুৰূপ কৰিছিল আৰু উভয় হাত আঁঠুৰ ওপৰত ৰাখিছিল, যেতিয়া তেওঁ ৰুকুৰ পৰা নিজৰ মূৰ উঠাইছিল অনুৰূপভাৱে হাত উঠাইছিল। যেতিয়া তেওঁ ছাজদাহ কৰিছিল, তেতিয়াও তেওঁ অনুৰূপ কৰিছিল। তাৰ পিছত বাওঁভৰি পাৰি বহিছিল আৰু তেওঁৰ বাওঁহাত বাওঁৰানৰ ওপৰত ৰাখিছিল। আৰু সোঁহাতৰ কব্জা ৰাখিছিল সোঁ ৰানৰ ওপৰত। দুই আঙুলিৰ দ্বাৰা হালকা (ঘূৰণীয়া ৰিং) বনাইছিল। মই তেওঁক কওঁতে দেখা পাইছিলোঁ: "এনেদৰে", 'বিশৰ' (বৰ্ণনাকাৰী) বৃদ্ধা

আৰু মধ্যমা আঙুলিৰ দ্বাৰা হালকা বনাই সোঁ হাতৰ শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিছিল”।[126]

ইমাম ইব্‌ন কাইয়ূম ৰাহিমাহুল্লাহে এইটোৱেই গ্ৰহণ কৰিছে যে, মুছল্লীয়ে দুই ছাজদাহৰ মাজত অনুৰূপ কৰিব”।[127]

১৯. দুই ছাজদাহৰ মাজত ক’ব:

رَبِّ اغفرْ لي، ربِّ اغفر لي

(ৰাব্বিগ ফিৰ লী, ৰাব্বিগ ফিৰ লী)

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক ক্ষমা কৰা। হে মোৰ প্ৰতিপালক! মোক ক্ষমা কৰা।

হুজায়ফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা এটি মাৰফূ হাদীছত বৰ্ণিত: “তেওঁ দুই ছাজদাহৰ মাজত ছাজদাহৰ সমান সময় বহিছিল আৰু কৈছিল:

ربّ اغفر لي رب اغفر لي (128)

ইয়াতকৈ অধিক পঢ়াৰোঁ অনুমতি আছে, যেনে:

اللّٰهُمَّ اغفر لي، وارحمني [وعافني، واهدني] واجبرني، وارزقني، وارفعني

(আল্লাহুম্মাগফিৰ লী, ৱাৰহামনী [ৱা ‘আফিনী, ৱাহদিনী] ৱাজ্বুৰনী, ৱাৰজুক্বনী, ৱাৰফা’ৱনী)

অৰ্থঃ হে আল্লাহ! মোক ক্ষমা কৰা, মোক দয়া কৰা, [মোক মাফ কৰা, মোক হিদায়ত দান কৰা], মোক সুস্বাস্থ্য দান কৰা, মোক ৰিজিক্ব দান কৰা, মোৰ মৰ্য্যদা সুউচ্চ কৰা।

কাৰণ ইব্‌ন আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে দুই ছাজদাহৰ মাজত কৈছিল[129]:

اللّٰهُمَّ اغفر لي وارحمني وعافني واهدني وارزقني

(আল্লাহুম্মাগফিৰ লী, ৱাৰহামনী, ৱা ‘আফিনী, ৱাহদিনী, ৱাৰজুক্বনী)
আৰু ইব্ন মাজাহ ত নিম্নৰ শব্দেৰে বৰ্ণনা কৰিছে[130]:

رَبِّ اغفر لي وارحمني، واجبرني، وارزقني، وارفعني

(ৰাব্বিগফিৰ লী, ৱাৰহামনী, ৱাজ্বুৰনী, ৱাৰজুক্বনী, ৱাৰফা’ৱনী)
নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে এই ৰুকনটো ছাজদাহ পৰিমাণ দীঘল কৰিছিল। যেনে- বাৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ৰুকু, ছাজদাহ, দুই ছাজদাহৰ মাজৰ বহা আৰু ৰুকুৰ পৰা মূৰ উঠাই স্থিৰ থকা সমান আছিল, কেৱল ক্বিয়াম আৰু বৈঠক ব্যতীত”।[131]

২০. তাকবীৰ কৈ দ্বিতীয় ছাজদাহ কৰিব, যেনেকৈ প্ৰথম ছাজদাহত কৰা হৈছিল।

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ছালাতত ভুলকাৰীৰ হাদীছত আছে : “তাৰ পিছত তুমি ছাজদাহ কৰা, ছাজদাহৰত অৱস্থাত স্থিৰ হোৱা, তাৰ পিছত মূৰ উঠাই স্থিৰ চিত্তে বহা, তাৰ পিছত ছাজদাহ কৰা আৰু স্থিৰ হোৱা। তাৰ পিছত তোমাৰ অৱশিষ্ট ছালাতত অনুৰূপ কৰি থাকা”।[132]
তেওঁৰ পৰা অন্য হাদীছত আছে: “তাৰ পিছত যেতিয়া ছাজদাহ কৰিবা তাকবীৰ কৰা, তাৰ পিছত ছাজদাহৰ পৰা মূৰ উঠাই তাকবীৰ কৰা। তাৰ পিছত ছাজদাহৰ সময়ত তাকবীৰ কৰা। তাৰ পিছত মূৰ উঠোৱাৰ সময়ত তাকবীৰ কৰা, তাৰ পিছত অনুৰূপ কৰি থাকিবা অৱশিষ্ট ছালাতত আৰু যেতিয়া দুই ৰাকাতৰ শেষত বৈঠকৰ পিছত থিয় হ’বা তাকবীৰ কৰা”।[133]

২১. তাকবীৰ কৈ মূৰ উঠাব আৰু অলপ সময় বহিব, যাক জালছায়ে ইস্তেৰাহা বোলে। আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ছালাতত ভুলকাৰীৰ হাদীছত আছে:

ثم اسجدْ حتى تطمئنّ ساجدًا، ثم ارفع حتى تطمئن جالسًا، ثم اسجد حتى تطمئن ساجدًا، ثم ارفع حتى تطمئن جالسًا، ثم افعل ذلك في صلاتك كلها»، قال أبو أسامة في الأخير: «حتى تستوي قائمًا؛

“তাৰ পিছত স্থিৰ হৈ ছাজদাহ কৰা, তাৰ পিছত স্থিৰ হৈ বহা, তাৰ পিছত স্থিৰ হৈ ছাজদাহ কৰা, তাৰ পিছত মূৰ উঠাই স্থিৰ হৈ বহা, তোমাৰ অৱশিষ্ট ছালাতত অনুৰূপ কৰি থাকা”। আবু উছামা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: “তাৰ পিছত মূৰ উঠাই পোন হৈ থিয় হোৱা”।[134]

তেওঁৰ পৰা আন এটি হাদীছত আছে:

ثم يكبر حين يرفع رأسه ثم يفعل ذلك في الصلاة كلها حتى يقضيها، ويكبر حين يقوم من الثنتين بعد الجلوس،

“তাৰ পিছত মূৰ উঠোৱাৰ সময়ত তাকবীৰ কৰিব, তাৰ পিছত অৱশিষ্ট ছালাতত অনুৰূপ কৰি থাকিব আৰু দুই ৰাকাতৰ পিছত যেতিয়া উঠিব তাকবীৰ কব”।[135]

জালছায়ে ইস্তেৰাহাৰ বিষয়ে মালিক ইব্‌ন হুয়াইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে:

أنه رأى النبي ﷺ يصلّي فإذا كان في وتر من صلاته لم ينهض حتى يستويَ قاعدًا،

“তেওঁ নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামক ছালাত আদায় কৰোঁতে দেখিছে, যেতিয়া তেওঁ বিযোৰ ৰাকাতত আছিল, পোন হৈ নবহালৈকে উঠা নাছিল”।[136]

অন্য শব্দত মালিক ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছতো জালছায়ে ইস্তেৰাহাৰ কথা আহিছে:

أنه صلى بأصحابه، فكان يجلس إذا رفع رأسه من السجود قبل أن ينهض في الركعة الأولى.

“তেওঁ চাহাবাসকলক লৈ ছালাত আদায় কৰিলে, তেওঁ ছাজদাহৰ পৰা উঠি বহিছিল, প্ৰথম ৰাকাতৰ বাবে উঠি থিয় হোৱাৰ আগত”।[137]

ছালাতত ভুলকাৰীৰ হাদীছতো এই বহাৰ কথা আছে:

ثم اسجدْ حتى تطمئنّ ساجدًا، ثم ارفعْ حتى تطمئنّ جالسًا، ثم اسجدْ حتى تطمئنّ ساجدًا، ثم ارفعْ حتى تطمئنّ جالسًا، ثم افعلْ ذلك في صلاتك كلها،

“তাৰ পিছত ছাজদাহলৈ গৈ স্থিৰ হোৱালৈকে ছাজদাহ কৰা,, তাৰ পিছত মূৰ উঠাই, স্থিৰ হৈ বহা, তাৰ পিছত ছাজদাহ কৰা, ছাজদাহলৈ গৈ স্থিৰ হোৱা, তাৰ পিছত মূৰ উঠোৱা, স্থিৰ হৈ থিয় হোৱা, তাৰ পিছত তোমাৰ অৱশিষ্ট ছালাতত অনুৰূপ কৰি থাকা”।[138]

আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছতো এই জলছাহৰ কথা আহিছে:

ثم يهوي إلى الأرض فيجافي يديه عن جنبيه، ثم يرفع رأسه ويثني رجله اليسرى فيقعد عليها ويفتح أصابع رجليه إذا سجد، ثم يسجد، ثم يقول: الله أكبر، ويرفع رأسه ويثني رجله اليسرى فيقعد عليها حتى يرجع كل عظم إلى موضعه، ثم يصنع في الأخرى مثل ذلك.

“তাৰ পিছত যমীনৰ ফালে বেকা হ’ব আৰু উভয় হাত পাৰ্শ্বদেহৰ পৰা পৃথক ৰাখিব, তাৰ পিছত মূৰ উঠাব আৰু বাওঁভৰি কোমল কৰি তাৰ ওপৰত বহিব, ছাজদাহৰ সময়ত ভৰিৰ আঙুলিবোৰ খোলা ৰাখিব, তাৰ পিছত ছাজদাহ কৰিব। তাৰ পিছত ক’ব: ‘আল্লাহু আকবাৰ’ আৰু মূৰ

উঠাব আৰু বাওঁভৰি কোমল কৰি তাৰ ওপৰত বহিব, যাতে প্ৰতিডাল হাড়ে নিজৰ নিজৰ স্থান লয়।[139]

তাৰ পিছত দ্বিতীয়  ৰাকাততো অনুৰূপ কৰিব"।[140]

২২. যদি সম্ভৱ হয়, তেনেহ'লে ভৰি, আঁঠু আৰু ৰানৰ ওপৰত ভৰ দি দ্বিতীয় ৰাকা'তৰ বাবে থিয় হ'ব । কাৰণ ওৱাইল ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: "যেতিয়া উঠিব আঁঠুৰ আগত হাত উঠাব"।[141]

আৰু যদি কষ্ট হয়, তেনেহ'লে যমীনৰ ওপৰত ভৰ দিব। কাৰণ মালিক ইব্‌ন হুৱাইৰিছৰ হাদীছত আছে: "যেতিয়া দ্বিতীয় ছাজদাহৰ পৰা মূৰ উঠাব, তেতিয়া বহিব আৰু যমীনৰ ওপৰত ভৰ দি থিয় হ'ব"।[142]

২৩. দ্বিতীয় ৰাকাত প্ৰথম  ৰাকাতৰ দৰে পঢ়িব।

কাৰণ ছালাতত ভুলকাৰীৰ হাদীছত আছে: "তাৰ পিছত এইবোৰ কাম তোমাৰ সম্পুৰ্ণ ছালাতত কৰা"।[143]

কিন্তু পাঁচটা কাম নকৰিব:

এক. তকবীৰে তাহৰিমা। কাৰণ তকবীৰে তাহৰিমা হ'ল ছালাতত প্ৰৱেশ কৰাৰ বাবে।

দুই. তকবীৰে তাহৰিমাৰ পিছত চুপ থকা। দ্বিতীয়  ৰাকাতত তকবীৰে তাহৰিমাৰ পিছত চুপ নাথাকিব। কাৰণ আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: "নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া দ্বিতীয়  ৰাকাতৰ বাবে উঠিছিল, তেওঁ ছূৰা ফাতিহাৰ দ্বাৰা আৰম্ভ কৰিছিল, মনে মনে থকা নাছিল"।[144]

তিনি. তকবীৰে তাহৰিমাৰ পিছত দুআ পঢ়া। কাৰণ আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: "নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া

দ্বিতীয়  ৰাকাতৰ বাবে উঠিছিল, তেওঁ ছূৰা ফাতিহাৰ দ্বাৰা আৰম্ভ কৰিছিল”।[145]

চাৰি. প্ৰথম  ৰাকাতৰ দৰে দ্বিতীয়  ৰাকাত দীঘলীয়া কৰিব নালাগে। বৰঞ্চ প্ৰত্যেক ছালাতেত দ্বিতীয় ৰাকাত প্ৰথম ৰাকাততকৈ চুটি হ’ব। কাৰণ আবু কাতাদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আছে: “প্ৰথম ৰাকাত দীঘলীয়া কৰিব আৰু দ্বিতীয় ৰাকাত চুটি কৰিব”।[146]

“নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে প্ৰত্যেক ছালাতত প্ৰথম দুই ৰাকাত দীঘলীয়া কৰিছিল আৰু শেষৰ দুই ৰাকাত চুটি কৰিছিল”।[147]

পাঁচ. নতুনকৈ নিয়ত বাঁন্ধিব নালাগে, কাৰণ আগৰ নিয়তেই যথেষ্ট। দ্বিতীয়তঃ নতুনকৈ নিয়ত কৰিলে প্ৰথম ৰাকাত বাতিল হৈ যাব।[148]

দ্বিতীয়  ৰাকাতত ‘আউযুবিল্লাহ’ সম্পৰ্কে কিছুমানে কৈছে: প্ৰত্যেক ৰাকাততেই সেয়া বৈধ। কাৰণ দুই কিৰাতৰ মাজত কিছু আজকাৰ আৰু কৰ্মৰ ফলত বিচ্ছেদৰ সৃষ্টি হৈছে, গতিকে প্ৰত্যেক ৰাকাতত চয়তানৰ পৰা পানাহ মাগিব। আল্লাহ তা’আলাই কৈছে:

(فَإِذَا قَرَأۡتَ ٱلۡقُرۡءَانَ فَٱسۡتَعِذۡ بِٱللَّهِ مِنَ ٱلشَّيۡطَٰنِ ٱلرَّجِيمِ ۝٩٨)(النحل:98)

“গতিকে যেতিয়া তুমি ক্বুৰআন পঢ়িবা তেতিয়া আল্লাহৰ ওচৰত অভিশপ্ত চয়তানৰ পৰা আশ্ৰয় বিচাৰিবা”।[149]

সেইকাৰণে আউযুবিল্লাহ পঢ়া উত্তম। আকৌ কিছুমানে কৈছে: কেৱল প্ৰথম  ৰাকাততেই আউযুবিল্লাহ পঢ়িব। কাৰণ সম্পূৰ্ণ ছালাত মিলিহে এটা কৰ্ম, দুই কিৰাতৰ মাজত কোনো নিৰৱতাই বিচ্ছেদ সৃষ্টি কৰা নাই, বৰঞ্চ আটাইবোৰেই আছিল জিকিৰ। গতিকে ইয়াত প্ৰত্যেক কিৰাত একেটা কিৰাতৰ দৰেই, গতিকে তাত এবাৰ আউযুবিল্লাহ পঢ়াই যথেষ্ট

হ’ব। কিন্তু, যদি প্ৰথম ৰাকাতত আউযুবিল্লাহ পঢ়া নহয়, তেনেহ’লে দ্বিতীয় ৰাকাতত পঢ়িব। [150]

আকৌ প্ৰত্যেক ৰাকাততেই বিছমিল্লাহ পঢ়া মুস্তাহাব, কাৰণ ইয়াৰ মাধ্যমেৰে ছূৰা আৰম্ভ কৰা হয়।[151]

২৪. যদি দুই ৰাকাতবিশিষ্ট ছালাত হয়, যেনে- ফজৰ, জুম্‌মা আৰু দুই ঈদৰ ছালাত, তেনেহ’লে দ্বিতীয় ৰাকাতৰ দ্বিতীয় ছাজদাহৰ পৰা উঠি বহিব, সোঁ ভৰি থিয়কৈ ৰাখিব আৰু বাওঁভৰি বিছাই বা পাৰি তাৰ ওপৰত বহিব। কাৰণ আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: “যেতিয়া দুই ৰাকাতৰ মাজত বহিব, তেতিয়া বাওঁ ভৰিৰ ওপৰত বহিব আৰু সোঁ ভৰি থিয়কৈ ৰাখিব”।[152]

এই স্থানত আৰু দুই ছাজদাহৰ মাজত বহাৰ নিয়ম একেই।[153]

অৰ্থাৎ বাওঁহাত বাওঁৰানৰ ওপৰত ৰাখিব অথবা বাওঁআঁঠুৰ ওপৰত ৰাখিব, আৰু সোঁহাত সোঁ ৰানৰ ওপৰত ৰাখিব। সোঁহাতৰ আঙুলিবোৰ মুষ্টিবদ্ধ কৰি ৰাখিব একমাত্ৰ শ্বাহাদাত আঙুলি ব্যতীত, তাৰ মাধ্যমত তাওহীদৰ প্ৰতি ইশ্বাৰা কৰিব। কাৰণ আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া ছালাতত বহিছিল, তেতিয়া তেওঁ সোঁহাতৰ কব্জি সোঁ ৰানৰ ওপৰত ৰাখিছিল। আটাইবোৰ আঙুলি মুষ্টিবদ্ধ কৰি ৰাখিছিল আৰু বৃদ্ধাঙুলি সংলগ্ন আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিছিল, আৰু বাওঁহাতৰ কব্জি বাওঁৰানৰ ওপৰত ৰাখিছিল”।[154]

অথবা বৃদ্ধাঙুলি আৰু মধ্যমা আঙুলিৰ দ্বাৰা হালকা বনাব (ঘূৰণীয়া ৰিং) আৰু কনিষ্ঠা আৰু অনামিকা আঙুলি মুষ্টিবদ্ধ ৰাখি শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিব। কাৰণ ওয়ায়েল ইব্‌ন হুজৰ ৰাদ্বিয়াল্লাহু আনহুৰ

হাদীছত আছে: “মই নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামক দেখিছোঁ তেওঁ বৃদ্ধা আৰু মধ্যমা আঙুলিৰ দ্বাৰা হালকা বনাইছে আৰু শ্বাহাদাত আঙুলি ওপৰত উঠাইছিল, ইয়াৰ দ্বাৰা তেওঁ তাশ্বাহহুদত দুআ কৰিছিল”।[155]

অথবা আৰবী তেৰন্ন গণনাৰ দৰে হাতৰ মুঠি বনাব আৰু শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিব। কাৰণ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া তাশ্বাহহুদত বহিছিল বাওঁহাত বাওঁৰানৰ ওপৰত আৰু সোঁহাত সোঁৰানৰ ওপৰত ৰাখিছিল, তেৰন্ন গণনাৰ দৰে হাতৰ মুঠি বনাইছিল আৰু শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিছিল।[156]

এনেদৰে সোঁহাতৰ তিনিটা অৱস্থা প্ৰকাশ পায়।

এক. সকলো আঙুলি মুষ্টিবদ্ধ কৰি ৰাখি শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰা।

দুই. বৃদ্ধা আৰু মধ্যমা আঙুলিৰ দ্বাৰা হালকা বনোৱা আৰু কনিষ্ঠ আৰু অনামিকা আঙুলি মুষ্টিবদ্ধ কৰি শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰা।

তিন. তেৰন্ন গণনাৰ দৰে হাত মুষ্টিবদ্ধ কৰা আৰু শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰা। এই আটাইবোৰ পদ্ধতিয়েই বৈধ। বহাৰ সময়ত শ্বাহাদাত আঙুলিৰ ইশ্বাৰাৰ ফালে দৃষ্টি ৰাখিব। কাৰণ আব্দুল্লাহ ইব্‌ন জুবায়েৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে যেতিয়া তাশ্বাহহুদত বহিছিল, তেতিয়া বাওঁহাত বাওঁ ৰানৰ ওপৰত ৰাখিছিল আৰু শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিছিল। তেওঁৰ দৃষ্টি ইশ্বাৰা অতিক্ৰম কৰা নাছিল”।[157]

আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: “তেওঁ সোঁ হাত সোঁ ৰানৰ ওপৰত ৰাখিছিল আৰু বৃদ্ধাঙুলি সংলগ্ন আঙুলিৰ দ্বাৰা ইশ্বাৰা

কৰিছিল, তাৰ ফালে দৃষ্টি নিৱদ্ধ ৰাখিছিল। তাৰ পিছত তেওঁ কৈছে: মই নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামক এনেকুৱা কৰোঁতে দেখিছোঁ"।[158]

দুআৰ সময়ত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰা ছুন্নত, কিবলাৰ ফালে লৰাব আৰু তাৰ দ্বাৰা দুআ কৰিব, কিন্তু দুআ আৰু জিকিৰৰ স্থান ব্যতীত ক'তো নলৰাব, বৰঞ্চ স্থিৰ ৰাখিব"। দুআৰ সময়ত আঙুলি লৰোৱাৰ দলীল ওয়ায়েল ইব্‌ন হুজৰে ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছ, তাত আছে: "তাৰ পিছত তেওঁ বহিছিল আৰু বাওঁ ভৰি বিছাই ৰাখিছিল, তেওঁৰ বাওঁ হাতৰ কজি বাওঁআঁঠুৰ ওপৰত ৰাখিছিল আৰু সোঁহাতৰ কজি সোঁ ৰানৰ ওপৰত ৰাখিছিল, তাৰ পিছত দুটা আঙুলি ধৰি হালকা বনাইছিল, তাৰ পিছত তেওঁৰ আঙুলি উঠাইছিল, মই তেওঁক সেয়া লৰাওঁতে দেখিছোঁ।[159]

আব্দুল্লাহ ইব্‌ন জুবায়েৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছৰ দ্বাৰা বুজা যায়, তেওঁ সদায় (অবিৰতভাৱে) আঙুলি লৰোৱা নাছিল, যেনে: "নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে দুআৰ সময়ত তেওঁৰ আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিছিল কিন্তু সেয়া লৰোৱা নাছিল"।[160]

এই দুই হাদীছৰ মাজত কোনো বৈপৰীত্ব নাই। কাৰণ নলৰোৱাৰ অৰ্থ হ'ল অবিৰতভাৱে লৰোৱা নাছিল, আকৌ লৰোৱাৰ অৰ্থ হ'ল দুআৰ সময়ত লৰাইছিল।[161]

ইশ্বাৰা হ'ব মাত্ৰ সোঁহাতৰ শ্বাহাদাত আঙুলিৰ দ্বাৰা, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে এক আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰাৰ নিৰ্দেশ দিছে। যেনে- আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, এজন ব্যক্তিয়ে দুই আঙুলিৰ দ্বাৰা দুআ কৰি আছিল, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে এক আঙুলিৰ দ্বাৰা দুআ কৰা।[162]

ছাদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: মোৰ ওচৰেদি নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে অতিক্ৰম কৰিছিল, মই তেতিয়া মোৰ আঙুলিসমূহৰ দ্বাৰা দুআ কৰি আছিলোঁ, তেওঁ কৈছে এক আঙুলিৰ দ্বাৰা, এক আঙুলিৰ দ্বাৰা, তেওঁ শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিলে। শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰাৰ হিকমৎ হ'ল আল্লাহ তা'আলা এক, ইশ্বাৰাৰ সময়ত তাওহীদ আৰু তেওঁৰ ইখলাছৰ নিয়ত কৰিব, তেনেহ'লে কথা, কৰ্ম আৰু বিশ্বাসত তাওহীদৰ বহিঃপ্ৰকাশ ঘটিব।[163]

গতিকে প্ৰমাণিত হ'ল যে, শ্বাহাদাত আঙুলিৰ দ্বাৰা ইশ্বাৰা কৰিব আৰু তাৰ মাধ্যমেৰেই দুআ কৰিব।

২৫. এই বৈঠকত তাশ্বাহহুদ পঢ়িব,

এনেকৈ ক'ব [164]:

التحيات لله، والصلوات، والطيبات، السلام عليك أيها النبي ورحمة الله وبركاته، السلام علينا وعلى عباد الله الصالحين، أشهد أن لا إله إلا الله [وحده لا شريك له] وأشهد أن محمدًا عبده ورسوله،

এইটো আটাইতকৈ বিশুদ্ধ তাশ্বাহহুদ।[165]

তাৰ পিছত পঢ়িব [166]:

اللّٰهُمَّ صلِّ على محمد وعلى آل محمد، كما صليت على إبراهيم وعلى آل إبراهيم إنك حميد مجيد، اللّٰهُمَّ بارك على محمد وعلى آل محمد كما باركت على إبراهيم وعلى آل إبراهيم إنك حميد مجيد،

এইটো আটাইতকৈ পৰিপূৰ্ণ দৰূদ। [167]

তাৰ পিছত আল্লাহৰ ওচৰত চাৰিটা বস্তুৰ পৰা পানাহ মাগিব:

اللَّهُمَّ إني أعوذ بك من عذاب جهنم، ومن عذاب القبر، ومن فتنة المحيا والممات، ومن شر فتنة المسيح الدجال؛

কাৰণ আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: "যেতিয়া তোমালোকৰ কোনোবাই তাশ্বাহহুদ পঢ়ে, তেওঁ যেন চাৰিটা বস্তুৰ পৰা আল্লাহৰ ওচৰত পানাহ খোজে, যেন কয়:

اللَّهُمَّ إني أعوذ بك من عذاب جهنم.. الحديث

ইমাম মুছলিম (ৰহঃ)য়ে এনেকৈ বৰ্ণনা কৰিছে, "যেতিয়া তোমালোকৰ কোনোবাই দ্বিতীয় তাশ্বাহহুদৰ পৰা ফাৰিগ হয়, তেওঁ যেন চাৰিটা বস্তুৰ পৰা পানাহ চায়।[168]

আৰু যি ইচ্ছা দুআ কৰিব, যেনে আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছালাতত কৈছিল:

এক.

اللَّهُمَّ إني أعوذ بك من عذاب القبر، وأعوذ بك من فتنة المسيح الدجال، وأعوذ بك من فتنة المحيا والممات، اللَّهُمَّ إني أعوذ بك من المأثَم والمغرَم

আয়িশা ৰাদ্বিয়াল্লাহু আনহাই কৈছে: কোনোবাই তেওঁক ক'লে: হে আল্লাহৰ ৰাছূল চাল্লাল্লাহু আলাইহি ৱাছাল্লাম! আপুনি মাগৰাম তথা ঋণৰ পৰা খুব পানাহ চায়! তেওঁ ক'লে:

إن الرجل إذا غرم حدّث فكذَب ووعدَ فأخلَف.

"নিশ্চয় ব্যক্তি যেতিয়া ঋণগ্ৰস্ত হৈ পৰে, তেতিয়া তেওঁ মিছা ক'বলৈ আৰম্ভ কৰে আৰু ওৱাদা ভঙ্গ কৰে"।[169]

দুই. আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক কৈছে, হে আল্লাহৰ ৰাছূল চাল্লাল্লাহু আলাইহি

ৱাছাল্লাম! মোক এটি দুআ শিক্ষা দিয়ক, যাৰ দ্বাৰা মই ছালাতত দুআ কৰিম, তেওঁ কৈছে, তুমি কোৱা:[170]

اللَّهُمَّ إني ظلمت نفسي ظلمًا كثيرًا، ولا يغفر الذنوب إلا أنت، فاغفر لي مغفرة من عندك، وارحمني إنك أنت الغفور الرحيم؛

মুছলিমৰ বৰ্ণনাত আছে, মোক এটি দুআ শিক্ষা দিয়ক, যাৰ দ্বাৰা মই মোৰ ঘৰত আৰু ছালাতত দুআ কৰিম।[171]

তিনি. আলি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তাৰ পিছত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে তাশ্বাহহুদ আৰু ছালামৰ মাজত কৈছিল[172]:

اللَّهُمَّ اغفر لي ما قدّمْتُ، وما أخّرتُ، وما أسررْتُ، وما أعلنتُ، وما أنت أعلمُ به مني، أنت المقدِّم، وأنت المؤخِّر، لا إله إلا أنت؛

চাৰি.

اللَّهُمَّ إني أعوذ بك من البخل، وأعوذ بك من الجبن، وأعوذ بك [من] أن أُردّ إلى أرذل العمر، وأعوذ بك من فتنة الدنيا، وأعوذ بك من عذاب القبر؛

ছাদ ইব্ন আবু ওৱাক্কাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নিজৰ সন্তানসকলক ওপৰোক্ত শব্দবোৰ শিক্ষা দিছিল, যেনেকৈ তেওঁলোকক লিখা পঢ়া শিকোৱা হয় আৰু তেওঁ কৈছিল: নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছালাতৰ পিছত এইবোৰ বস্তুৰ পৰা পানাহ বিচাৰিছিল।[173]

পাঁচ. মু'ৱায ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে তেওঁৰ হাতত ধৰি কৈছে, "হে মু'ৱায, আল্লাহৰ শপত! মই তোমাক মহব্বত কৰোঁ, আল্লাহৰ শপত! মই তোমাক মহব্বত কৰোঁ"। তেওঁ কৈছে : "মই তোমাক ওছিয়ত কৰিছোঁ, তুমি প্ৰত্যেক ছালাতৰ শেষত এই দুআ পঢ়া ত্যাগ নকৰিবা:

اللَّهُمَّ أعني على ذكرك، وشكرك، وحسن عبادتك

ছয়.

اللّٰهُمَّ إني أسألك الجنة وأعوذ بك من النار؛

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, এজন ব্যক্তিক নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: “তুমি ছালাতত কি কোৱা?” তেওঁ ক’লে: মই তাশ্বাহহুদ পঢ়োঁ, তাৰ পিছত আল্লাহৰ ওচৰত জান্নাতৰ প্ৰাৰ্থনা কৰোঁ আৰু জাহান্নামৰ পৰা পানাহ মাগোঁ। তেওঁ ক’লে: তোমাৰ দুআ খুব সুন্দৰ। ময়ো অনুৰূপ দুআ কৰিম।[174]

সাত.

اللّٰهُمَّ إني أسألك يا الله بأنك الواحد،الأحد، الصمد،الذي لم يلد ولم يولد،ولم يكن له كفوًا أحد،أن تغفر لي ذنوبي إنك أنت الغفور الرحيم؛

মিহজান ইব্‌ন আদৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে মছজিদত প্ৰৱেশ কৰিলে, তাৰ পিছত এজন ব্যক্তিক দেখিলে যে ছালাত শেষ কৰি তাশ্বাহহুদ পঢ়ি আছিল আৰু ওপৰোক্ত দুআ কৈ আছিল। নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: “তেওঁক ক্ষমা কৰি দিয়া হৈছে”, তিনিবাৰ কৈছে।[175]

আঠ.

اللّٰهُمَّ إني أسألك بأن لك الحمد، لا إله إلا أنت وحدك لا شريك لك، المنان، بديع السموات والأرض، يا ذا الجلال والإكرام، يا حي يا قيوم إني أسألك...]؛

আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ লগত বহি আছিল আৰু আন এজন ব্যক্তিয়ে ছালাত পঢ়ি আছিল, তাৰ পিছত তেওঁ ওপৰোক্ত দুআ কৰে। ফলত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ক’লে: “তেওঁ আল্লাহৰ ইছমে আজমৰ মাধ্যমত দুআ

কৰিছে, যি নামৰ মাধ্যমত দুআ কৰিলে কবুল কৰা হয়, যাৰ প্ৰাৰ্থনা কৰিলে আহ্বানত উত্তৰ দিয়া হয়”।[176]

ন.

اللّٰهُمَّ إني أسألك بأني أشهد أنك أنت الله لا إلٰه إلا أنت، الأحد، الصمد، الذي لم يلد ولم يولد، ولم يكن له كفوًا أحد؛

বুৰাইদাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে এজন ব্যক্তিক ওপৰোক্ত দুআ কওঁতে শুনিছিল, তাৰ পিছত তেওঁ কৈছে: “যাৰ হাতত মোৰ নফছ! তেওঁৰ শপত!, তেওঁ আল্লাহৰ ইছমে আজমৰ মাধ্যমত দুআ কৰিছে, যি নামৰ মাধ্যমত দুআ কৰিলে কবুল কৰা হয় আৰু যি নামৰ মাধ্যমত প্ৰাৰ্থনা কৰিলে প্ৰদান কৰা হয়”।[177]

দহ.

اللّٰهُمَّ بعلمك الغيب، وقدرتك على الخلق، أحيني ما علمت الحياة خيرًا لي، وتوفني إذا علمت الوفاة خيرًا لي، اللّٰهُمَّ إني أسألك خشيتك في الغيب والشهادة، وأسألك كلمة الحق في الرضى والغضب، وأسألك القصد في الغنى والفقر، وأسألك نعيمًا لا ينفدُ، وأسألك قرة عين لا تنقطع، وأسألك الرضا بعد القضاء، وأسألك بَرْدَ العيش بعد الموت، وأسألك لذة النظر إلى وجهك، والشوق إلى لقائك في غير ضراء مُضرّة ولا فتنة مُضلّة، اللّٰهُمَّ زيِّنا بزينة الإيمان، واجعلنا هداةً مهتدين؛

আম্মাৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে, তেওঁ তেওঁৰ সঙ্গীসকলৰ লগত অতি সংক্ষেপে ছালাত আদায় কৰিছিল। উপস্থিত কোনোবাই তেওঁক ক’লে: আপুনি ছালাত খুব সংক্ষেপ কৰিলে অথবা হালকা ছালাত আদায় কৰিলে। তেওঁ ক’লে: কিন্তু মই ইয়াত এনেকুৱা শব্দৰ দ্বাৰা দুআ

কৰিছোঁ, যি ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা শুনিছোঁ, তাৰ পিছত তেওঁ ওপৰোক্ত দুআ কৈছে।

ইয়াত দুনিয়া আৰু আখিৰাতৰ কল্যাণ খুজি যি ইচ্ছা দুআ কৰিবা। যদি কোনোবাই পিতা-মাতা আৰু অন্যান্য মুছলিমসকলৰ বাবে দুআ কৰে, তাতো কোনো সমস্যা নাই, ছালাত লাগিলে ফৰজেই হওঁক বা নফলেই হওঁক। কাৰণ নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ইব্‌ন মাছউদ ৰাদ্বিয়াল্লাহু আনহুক তাশ্বাহহুদ শিক্ষা দি কৈছিল: "তাৰ পিছত পছন্দ মতে দুআ কৰিবা"।[178]

ইয়াৰ দ্বাৰা বুজা যায়, দুনিয়া ও আখিৰাতৰ সকলো কল্যাণৰ কাৰণে ছালাতত প্ৰাৰ্থনা কৰিব পৰা যায়।[179]

২৬. তাৰ পিছত সোঁফালে আৰু বাওঁফালে ছালাম ফিৰাব এই বুলি:

السلام عليكم ورحمة الله، السلام عليكم ورحمة الله؛

জাবিৰ ইব্‌ন ছামুৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে, তেওঁ কৈছে: মই যেতিয়া ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ লগত ছালাত আদায় কৰিছিলোঁ, কৈছিলোঁ:

السلام عليكم ورحمة الله، السلام عليكم ورحمة الله

ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "চতুৰ ঘোঁড়াৰ নেজৰ দৰে তোমালোকে হাতৰ দ্বাৰা কিহৰ ফালে ইশ্বাৰা কৰা, ৰানৰ ওপৰত হাত ৰাখি সোঁ আৰু বাওঁফালে তোমালোকৰ ভাইসকলক ছালাম দিয়াই যথেষ্ট"।[180]

আমিৰ ইব্‌ন ছাদ ৰাদ্বিয়াল্লাহু আনহুৱে তেওঁৰ পিতাৰ পৰা বৰ্ণনা কৰিছে, তেওঁ কৈছে: "মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক দেখিছোঁ, তেওঁ

সোঁফালে আৰু বাওঁফালে ছালাম ফিৰাইছিল, এনেকি মই তেওঁৰ গালৰ শুভ্ৰতা দেখা পাইছিলো”।[181]

তাৰ পিছত তেওঁ সোঁ অথবা বাওঁ যিকোনো ফালেই ঘূৰিব পাৰে।[182]

২৭. ছালাত যদি তিনি ৰাকাত বিশিষ্ট হয় যেনে মাগৰীব অথবা চাৰি ৰাকাতবিশিষ্ট হয় যেনে- জোহৰ, আছৰ আৰু ঈশ্বা। তেনেহ’লে মাত্ৰ প্ৰথম তাশ্বাহহুদ পঢ়িব, কিন্তু উত্তম হৈছে নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ওপৰত দৰূদ পঢ়া, যেনেকৈ ইতিপূৰ্বে বৰ্ণনা কৰা হৈছে। তাৰ পিছত ভৰি আৰু আঁঠুৰ সন্মুখভাগ আৰু ৰানৰ ওপৰত ভৰ দি তাকবীৰ কৈ থিয় হব, উভয় হাত কাণ অথবা কান্ধলৈকে উঠাব, যেনেকৈ আগতে বৰ্ণনা কৰা হৈছে।[183]

দ্বিতীয়তঃ আব্দুল্লাহ ইব্ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: “যেতিয়া দুই ৰাকাতৰ পৰা উঠিব উভয় হাত উঠাব”।[184]

আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: “তাৰ পিছত যেতিয়া দুই ৰাকাতৰ পৰা উঠিব তাকবীৰ কব আৰু উভয় হাত কান্ধলৈকে উঠাব যেনেকৈ ছালাতৰ আৰম্ভণিতে উঠাইছিল, তাৰ পিছত অৱশিষ্ট ছালাতত অনুৰূপ কৰি থাকিব”।[185]

আৰু উভয় হাত বুকুৰ ওপৰত ৰাখিব। কাৰণ ওয়ায়েল ইব্ন হুজৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: “মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক দেখিছোঁ, যেতিয়া তেওঁ ছালাতত থিয় হোৱা অৱস্থাত আছিল সোঁহাতৰ দ্বাৰা বাওঁহাত ধৰি ৰাখিছিল”।[186]

তাৰ পিছত লাহেকৈ ছুৰা ফাতিহা পঢ়িব। যদি জোহৰৰ তৃতীয় আৰু চতুৰ্থ ৰাকাতত কেতিয়াবা ফাতিহাতকৈ অতিৰিক্ত পঢ়ে, তেন্তে কোনো সমস্যা নাই।[187]

মাগৰীবৰ তৃতীয় ৰাকাত আৰু জোহৰ, আছৰ আৰু ঈশ্বাৰ তৃতীয় আৰু চতুৰ্থ ৰাকাত পূৰ্বে বৰ্ণিত দ্বিতীয় ৰাকাতৰ দৰে পঢ়িব। কাৰণ ছালাতত ভুলকাৰী ব্যক্তিক প্ৰথম ৰাকাত শিক্ষা দি কৈছে: “তাৰ পিছত তুমি পূৰ্ণ ছালাতত অনুৰূপ কৰা”।[188]

২৮. দ্বিতীয় তাশ্বাহহুদত তাওৰ্‌ৰাৰুক কৰি বহিব।

আবু হুমাইদ ছায়েদি ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে: “যেতিয়া দ্বিতীয় ৰাকাতত বহিবা, তেতিয়া বাওঁভৰিৰ ওপৰত বহিবা আৰু সোঁভৰি থিয়কৈ ৰাখিব। যেতিয়া শেষ ৰাকাতত বহিবা, বাওঁভৰি আগবঢ়াই দি সোঁভৰি থিয়কৈ ৰাখিবা আৰু নিতম্বৰ ওপৰত বহিবা”।[189]

এইটোৱেই তাওৰ্‌ৰাৰুক কৰি বহা।

২৯. মাগৰীবৰ তৃতীয় ৰাকাতত আৰু জোহৰ, আছৰ আৰু ঈশ্বাৰ চতুৰ্থ ৰাকাতত তাশাহুদৰ লগত দৰূদ পঢ়িব, যেনেকৈ আগতে বিস্তাৰিত কোৰা হৈছে।

৩০. সোঁফালে আৰু বাওঁফালে এইবুলি ছালাম দিব:

السلام عليكم ورحمة الله، السلام عليكم ورحمة الله.

৩১. ছালামৰ শেষত নিম্ন বৰ্ণিত আযকাৰ আৰু দুআ পঢ়িব:

এক.

أستغفر الله، أستغفر الله، أستغفر الله، اللَّهُمَّ أنت السلام ومنك السلام، تباركت يا ذا الجلال والإكرام»؛

ছাওবান ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছালাত শেষ কৰি তিনিবাৰ ইস্তেগফাৰ কৰিছিল আৰু কৈছিল[190]:

اللَّهُمَّ أنت السلام...» الحديث.

আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছালাম ফিৰাই তলৰ দুআ পৰিমাণ বহিছিল [191]:

اللّٰهُمَّ أنت السلام ومنك السلام، تباركت يا ذا الجلال والإكرام،

ইয়াৰ দ্বাৰা আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ উদ্দেশ্য হ'ল তেওঁ এই দুআ পৰিমাণ কিবলামুখী হৈ থাকিছিল, তাৰ পিছত মানুহৰ ফালে চেহাৰা ঘূৰাই বহিছিল। যেনেকৈ ছামুৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: "নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছালাত শেষ কৰি আমাৰ ফালে তেওঁৰ চেহাৰা ঘূৰাইছিল"।[192]

দুই.

لا إله إلا الله وحده لا شريك له، له الملك وله الحمد وهو على كل شيء قدير

তিনিবাৰ।

কাৰণ মুগিৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে: মুৱাবিয়া ৰাদ্বিয়াল্লাহু আনহু মুগিৰা ৰাদ্বিয়াল্লাহু আনহুৰ ওচৰত এই মৰ্মে পত্ৰ লিখিছিল যে, মোক এনেকুৱা এটি হাদীছ শুনাওঁক যিটো আপুনি ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা শুনিছে, তেওঁ লিখিছিল: মই তেওঁক ছালাতৰ শেষত কওঁতে শুনিছোঁ:

لا إله إلا الله وحده لا شريك له، له الملك، وله الحمد، وهو على كل شيء قدير

তিনিবাৰ। তেওঁ আৰু কৈছে: নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে অতিৰিক্ত প্ৰশ্ন কৰা, সম্পদ নষ্ট কৰা, মাতৃৰ অবাধ্য হোৱা আৰু নাৰী সন্তানক জীৱিত দাফন কৰাৰ পৰা নিষেধ কৰিছিল।[193]

তিনি.

لا إله إلا الله وحده لا شريك له، له الملك وله الحمد [يحيي ويميت، وهو حي لا يموت، بيده الخير][194] وهو على كل شيء قدير، اللّٰهُمَّ لا مانعَ لما أعطيتَ، ولا مُعطيَ لما منعتَ [ولا رادّ لما قضيتَ][195] ولا ينفع ذا الجدِّ منك الجدُّ»؛

মুগিৰা ইব্‌ন শোবা মুৱাবিয়া ইব্‌ন আবু ছুফিয়ান ৰাদ্বিয়াল্লাহু আনহুমৰ ওচৰত লিখিছিল: ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে প্ৰত্যেক ছালাতৰ পিছত কৈছিল[196]: «لا إله إلا الله وحده لا شريك له...»

চাৰি.

لا إله إلا الله وحده لا شريك له، له الملك، وله الحمد وهو على كل شيء قدير، لا حول ولا قوة إلا بالله، لا إله إلا الله، ولا نعبد إلا إياه، له النعمة، وله الفضل، وله الثناء الحسن، لا إله إلا الله مخلصين له الدين ولو كره الكافرون»؛

আব্দুল্লাহ ইব্‌ন জুবায়েৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আছে, তেওঁ প্ৰত্যেক ছালাতৰ ছালামৰ শেষত এইবোৰ কৈছিল, তাৰ পিছত কৈছে: "ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ইয়াৰ মাধ্যমত প্ৰত্যেক ছালাতৰ পিছত তাহলীল পঢ়িছিল"।[197]

পাঁচ.

سبحان الله، والحمد لله، والله أكبر (ثلاثًا وثلاثين) لا إله إلا الله وحده لا شريك له، له الملك وله الحمد، وهو على كل شيء قدير»؛

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "যি ব্যক্তিয়ে প্ৰত্যেক ছালাতৰ পিছত ৩৩ বাৰ আল্লাহৰ তাছবিহ পঢ়ে, ৩৩ বাৰ আল্লাহৰ তাহমীদ পঢ়ে, ৩৩ বাৰ আল্লাহৰ তাকবীৰ পঢ়ে, এই হ'ল ৯৯ বাৰ, আৰু এশ বাৰত কয়:

لا إله إلا الله وحده لا شريك له، له الملك وله الحمد وهو على كل شيء قدير،

তাৰ সকলো পাপ ক্ষমা কৰি দিয়া হ'ব, যদিও সমুদ্ৰৰ ফেনৰ পৰিমাণ হয়"।[198]

বিভিন্ন প্ৰকাৰৰ তাছবীহ, তাহমীদ আৰু তাকবীৰ বৰ্ণিত আছে, মুছলিমসকলৰ উচিত আটাইবোৰেই পঢ়া, এক ছালাতৰ পিছত এটা পঢ়া, আকৌ অন্য ছালাতৰ পিছত অন্য এটা পঢ়া। কাৰণ ইয়াত বহু উপকাৰ বিদ্যমান: ছুন্নতৰ অনুসৰণ, ছুন্নত জীৱিতকৰণ আৰু অন্তৰৰ উপস্থিতি।[199]

তলত কিছুমান তাছবীহ, তাহমীদ আৰু তাকবীৰ দিয়া হ'ল:

প্ৰথম প্ৰকাৰ: ছুবহানাল্লাহ ৩৩ বাৰ, আল-হামদুলিল্লাহ ৩৩ বাৰ, আল্লাহু আকবাৰ ৩৩ বাৰ, আৰু শেষত ক'ব:

لا إله إلا الله وحده لا شريك له، له الملك وله الحمد وهو على كل شيء قدير

এনেদৰে এশ পূৰ হব, যেনেকৈ আগতে আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত আহিছে ।[200]

দ্বিতীয় প্ৰকাৰ: ছুবহানাল্লাহ ৩৩ বাৰ, আল-হামদুলিল্লাহ ৩৩ বাৰ আৰু আল্লাহু আকবাৰ ৩৪ বাৰ, এনেদৰে এশ পূৰা কৰিব। কাব ইব্‌ন আজুৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "ছালাতৰ পিছত কিছু তাছবীহ আছে, যিবোৰৰ পাঠকাৰীসকলে কেতিয়াও বঞ্চিত নহয়, ৩৩ বাৰ তাছবীহ, ৩৩ বাৰ তাহমীদ আৰু ৩৪ বাৰ তাকবীৰ"।[201]

তৃতীয় প্ৰকাৰ: "ছুবহানাল্লাহ, আল-হামদুলিল্লাহ আৰু আল্লাহু আকবাৰ ৩৩ বাৰকৈ ৯৯ বাৰ"। আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, গৰীব মুহাজিৰসকলে ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ওচৰত আহি ক'লে: সম্পদশালীসকলেতো তেওঁলোকৰ সম্পদৰ জৰিয়তে মহান মৰ্যদা

আৰু জান্নাতৰ মালিক হৈ গ'ল, তেওঁ ক'লে: "কেনেকৈ?" তেওঁলোকে ক'লে: আমি যেনেকৈ ছালাত আদায় কৰোঁ, তেওঁলোকেও তেনেকৈ ছালাত আদায় কৰে, আমি যেনেকৈ ছিয়াম পালন কৰোঁ, তেওঁলোকেও তেনেকৈ ছিয়াম পালন কৰে, তেওঁলোকৰ অতিৰিক্ত ফজিলত হৈছে তেওঁলোকে তেওঁলোকৰ সম্পদৰ দ্বাৰা হজ্জ কৰে, ওমৰাহ কৰে, জিহাদ কৰে আৰু ছাদাকাহ কৰে। তেওঁ ক'লে: "মই তোমালোকক এনেকুৱা কিছুমান শিক্ষা দিমনে, যাৰ মাধ্যমত তোমালোকে তোমালোকৰ পূৰ্বৱৰ্তীসকলক ঢুকি পাবা আৰু পৰৱৰ্তীসকলক অতিক্ৰম কৰি যাবা, তোমালোকতকৈ উত্তম কোনেও নহ'ব, কিন্তু যিসকলে তোমালোকৰ দৰে আমল কৰে তেওঁলোক ব্যতীত?" তেওঁলোকে ক'লে: নিশ্চয় হে আল্লাহৰ ৰাছূল চাল্লাল্লাহু আলাইহি ৱাছাল্লাম! তেওঁ ক'লে: "তোমালোকে প্ৰত্যেক ছালাতৰ পিছত ৩৩ বাৰ তাছবীহ, ৩৩ বাৰ তাকবীৰ আৰু ৩৩ বাৰ তাহমীদ পঢ়িবা"। গৰীব মুহাজিৰসকলে উভতি আহি ক'লে, আমাৰ সম্পদশালী ভাইসকলে আমাৰ আমল জানি তেওঁলোকেও অনুৰূপ আমল আৰম্ভ কৰিছে, তেওঁ ক'লে: "এইটো আল্লাহৰ অনুগ্ৰহ, যাক ইচ্ছা তেওঁ দান কৰে"।[202]

চতুৰ্থ প্ৰকাৰ: ছূবহানাল্লাহ ১০ বাৰ, আল-হামদুলিল্লাহ ১০ বাৰ আৰু আল্লাহু আকবাৰ ১০ বাৰ।

আব্দুল্লাহ ইব্ন আমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "দুটা স্বভাৱ যিকোনো মুছলিমে আয়ত্ব কৰিলে, তেওঁ জান্নাতত প্ৰৱেশ কৰিব, যি অতি সহজ কিন্তু তাৰ ওপৰত আমলকাৰীৰ সংখ্যা খুব কম"। ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ক'লে: "পাঁচ ওয়াক্ত ছালাতত, প্ৰত্যেক ছালাতৰ পিছত ১০ বাৰ তাছবীহ, ১০ বাৰ তাহমীদ আৰু ১০ বাৰ তাকবীৰ ক'ব। এনেদৰে

মুখেৰে ১৫০ বাৰ উচ্চাৰণ কৰা হ'ব, কিন্তু মিজানত (ওজনত) তাৰ ওজন হব ১৫০০ বাৰ কোৱাৰ"।[203]

মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক হাতত গণা দেখিছোঁ। "যেতিয়া তোমালোকৰ কোনোবাই শুবলৈ বিছনালৈ যাব ৩৩ বাৰ তাছবীহ পঢ়িব, ৩৩ বাৰ তাহমীদ পঢ়িব আৰু ৩৪ বাৰ তাকবীৰ পঢ়িব, এনদৰে মুখেৰে ১০০ বাৰ হ'লেও মিজানত তাৰ ওজন হ'ব ১০০০ বাৰ"। তেওঁ কৈছে: ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "তোমালোকৰ এনেকুৱা কোন আছে, যিজনে দিনত দুই হাজাৰ পাঁচ শ পাপ কৰে?" তেওঁক কোৱা হ'ল: মই তেনেহ'লে এইবোৰ কিয় নপঢ়িম? তেওঁ ক'লে: "তোমালোকৰ কোনোবাই যেতিয়া ছালাতত থাকে, তেতিয়া চয়তানে আগমন কৰি কয়: এইটো স্মৰণ কৰা, সৌটো স্মৰণ কৰা, আৰু টোপনিৰ সময়ত আহে তাৰ পিছত তাক শুৱাই দিয়ে"। ইব্‌ন মাজাহৰ শব্দত এনেকৈ আছে: "চয়তানে তাক টোপনি নিয়াবলৈ চেষ্টা কৰে, অৱশেষত তেওঁ টোপনি যায়"।[204]

আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা এটি মাৰফূ হাদীছত আছে: "প্ৰত্যেক ছালাতৰ পিছত ১০ বাৰ তাছবীহ পঢ়িবা, ১০ বাৰ তাহমীদ পঢ়িবা আৰু ১০ বাৰ তাকবীৰ কবা"।[205]

পঞ্চম প্ৰকাৰ: ১১ বাৰ তাছবীহ, ১১ বাৰ তাহমীদ আৰু ১১ বাৰ তাকবীৰ। ছুহাইল তেওঁৰ পিতাৰ (ৰাদ্বিয়াল্লাহু আনহুমা) পৰা বৰ্ণনা কৰে: "১১, ১১ আৰু ১১ সকলো মিলি ৩৩ বাৰ"।[206]

ষষ্ঠ প্ৰকাৰ:

سبحان الله، والحمد لله، ولا إله إلا الله،والله أكبر

(ছূবহানাল্লাহ, ৱালহামদুলিল্লাহ, ৱালা ইলাহা ইল্লাল্লাহু, আল্লাহু আকবাৰ)

গোটেইবোৰ তাছবীহ ২৫ বাৰ ক'ব। যেনেকৈ যায়েদ ইব্‌ন ছাবিত আৰু ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ হাদীছত আহিছে।[207]

সপ্তম প্ৰকাৰ:

আয়াতুল কুৰছী পঢ়িব:

(ٱللَّهُ لَآ إِلَٰهَ إِلَّا هُوَ ٱلۡحَيُّ ٱلۡقَيُّومُۚ لَا تَأۡخُذُهُۥ سِنَةٞ وَلَا نَوۡمٞۚ لَّهُۥ مَا فِي ٱلسَّمَٰوَٰتِ وَمَا فِي ٱلۡأَرۡضِۗ مَن ذَا ٱلَّذِي يَشۡفَعُ عِندَهُۥٓ إِلَّا بِإِذۡنِهِۦۚ يَعۡلَمُ مَا بَيۡنَ أَيۡدِيهِمۡ وَمَا خَلۡفَهُمۡۖ وَلَا يُحِيطُونَ بِشَيۡءٖ مِّنۡ عِلۡمِهِۦٓ إِلَّا بِمَا شَآءَۚ وَسِعَ كُرۡسِيُّهُ ٱلسَّمَٰوَٰتِ وَٱلۡأَرۡضَۖ وَلَا يَـُٔودُهُۥ حِفۡظُهُمَاۚ وَهُوَ ٱلۡعَلِيُّ ٱلۡعَظِيمُ ۝٢٥٥)(البقرة:255)

আবু উমামা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: “যি ব্যক্তিয়ে প্ৰত্যেক ছালাতৰ পিছত আয়াতুল কুৰছী পঢ়িব, মৃত্যু ব্যতীত জান্নাতত প্ৰৱেশ কৰাৰ কাৰণে তেওঁৰ আৰু কোনো বাধা নাথাকিব”। তাবাৰানীয়ে ইয়াৰ লগত ছূৰা ইখলাছকো সংযুক্ত কৰিছে।[208]

অষ্টম প্ৰকাৰ: প্ৰত্যেক ছালাতৰ পিছত ছূৰা ইখলাছ, ছূৰা ফাল্‌ক্ব আৰু ছূৰা নাছ পঢ়িব।

কাৰণ, উকবা ইব্‌ন আমিৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: “ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে মোক প্ৰত্যেক ছালাতৰ পিছত এইবোৰ পঢ়াৰ নিৰ্দেশ দিছে”।[209]

নৱম প্ৰকাৰ: ফজৰ আৰু মাগৰীবৰ ছালাতৰ পিছত ১০ বাৰকৈ পঢ়িব:

لا إله إلا الله وحده لا شريك له، له الملك، وله الحمد، يحيي ويميت [بيده الخير][210] وهو على كل شيء قدير

(লা ইলাহা ইল্লাল্লাহু ৱাহদাহু লা শ্বাৰিকালাহু লাহুল মুলকু ৱালাহুল হামদু ইউহয়ি ৱা ইউমিতু বিয়াদিহিল খাইৰু ৱাহুৱা আ'লা কুল্লী শ্বাইয়িন ক্বাদিৰ)

কাৰণ আবু যৰ, মু'ৱায, আবু আইয়াশ জাৰকি, আবু আইয়ূব, আব্দুৰ ৰহমান ইব্‌ন গুনম আশ'আৰি, আবু দাৰদা, আবু উমামা আৰু উমাৰাহ ইব্‌ন শাবিব ছাবায়িৰ পৰা অনুৰূপ বৰ্ণিত আছে।[211]

তেওঁলোকৰ সকলোৰে হাদীছৰ সাৰমৰ্ম হ'ল, যি ব্যক্তিয়ে মাগৰীব অথবা ফজৰ ছালাতৰ পিছত দহবাৰকৈ ক'ব, আল্লাহ তা'আলাই তেওঁৰ বাবে এনেকুৱা প্ৰহৰী প্ৰেৰণ কৰিব, যে তাক চয়তানৰ পৰা হিফাজত কৰিব পুৱালৈকে আৰু পুৱাৰ পৰা সন্ধিয়ালৈকে। তেওঁৰ দহটা মৰ্যদা বৃদ্ধি কৰা হ'ব, তেওঁ সেইদিনা সকলো অনিষ্টৰ পৰা নিৰাপদ থাকিব, আল্লাহ তা'আলাই তেওঁৰ বাবে দহটা নেকী লিখিব আৰু তেওঁৰ দহটা পাপ মোচন কৰিব, এইবোৰ তেওঁৰ বাবে দহজনী মুমিন দাসীৰ সমান হব, আল্লাহৰ লগত শ্বিৰ্ক ব্যতীত অন্য কোনো পাপে সেইদিনা তেওঁক ক্ষতিগ্ৰস্থ কৰিব নোৱাৰিব। তেওঁ আটাইতকৈ উত্তম আমলকাৰী হিচাপে গণ্য হ'ব, যদি কোনোবাই তেওঁতকৈ উত্তম বাক্য নকয়।

দশম প্ৰকাৰ: ফজৰ ছালাতৰ শেষত ক'ব:

اللّٰهُمَّ إِنِي أسألك علمًا نافعًا، ورزقًا طيبًا، وعملاً مُتَقَبّلاً

(আল্লাহুম্মা ইন্নি আছআলুকা য়িলমান নাফিয়া, ৱা ৰিজকান ত্বাইয়িবা, ৱা আমালান মুতাক্বাব্বালা)

উম্মে ছালমা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ফজৰ ছালাতৰ ছালামৰ শেষত ওপৰোক্ত দুআ পঢ়িছিল।[212]

একাদশতম প্ৰকাৰ: বাৰা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে, মই যেতিয়া ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ লগত ছালাত আদায় কৰিছিলোঁ, তেতিয়া তেওঁৰ সোঁফালে থিয় হোৱাটো পছন্দ কৰিছিলোঁ, তেওঁ

মোৰ ফালে মুখ কৰি বহিছিল। তেওঁ কৈছে: মই তেওঁক কওঁতে শুনিছোঁ[213]:

رَبِّ قِنِي عذابك يوم تبعث عبادك أو تجمع عبادك.

(ৰাব্বি ক্বিনী আজাবাকা ইয়াওমা তাবআছু ইবাদাক অথবা ৰাব্বি ক্বিনী আজাবাকা ইয়াওমা তাজমাউ ইবাদাক)

দ্বাদশতম প্ৰকাৰ: ফৰয ছালাতৰ শেষত উচ্চ স্বৰত আজকাৰ পঢ়া ছুন্নত। কাৰণ ইব্‌ন আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে: “তাকবীৰৰ মাধ্যমতেই আমি জানিছিলোঁ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ছালাত শেষ কৰিছে”।[214]

বুখাৰী ((ৰহঃ))য়ে বৰ্ণনা কৰিছে: “ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ যুগত ফৰয ছালাতৰ শেষত উচ্চ স্বৰত জিকিৰ কৰাৰ নিয়ম আছিল”।[215]

ইব্‌ন হাজাৰ (ৰহঃ)য়ে কৈছে: “উচ্চ স্বৰত জিকিৰৰ উদ্দেশ্য তেওঁলোকে উচ্চ স্বৰত তাকবীৰ কৈছিল, অৰ্থাৎ তেওঁলোকে তাছবীহ আৰু তাহমীদৰ পূৰ্বে তাকবীৰ কৈছিল”।[216]

এই ব্যাখ্যাক আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছে আৰু স্পষ্ট কৰে যে, আবু ছালিহ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: “আল্লাহু আকবাৰ, ছূবহানাল্লাহ আৰু আল-হামদুলিল্লাহ আটাইবোৰেই ৩৩ বাৰকৈ পঢ়িব,[217]

তেওঁ তাকবীৰৰ দ্বাৰা আৰম্ভ কৰিছে।

৩২. ছূনানে ৰাওৱাতিব পঢ়িব।

কাৰণ, আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছত আহিছে: “নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত কেতিয়াও ত্যাগ কৰা নাছিল”।[218]

উম্মুল মুমিনিন উম্মে হাবিবা ৰাদ্বিয়াল্লাহু আনহাই কৈছে, মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক কওঁতে শুনিছোঁ: “যি ব্যক্তিয়ে দিন আৰু ৰাতিত বাৰ ৰাকাত ছালাত পঢ়িব, তাৰ পৰিৱৰ্তে আল্লাহ তা’আলাই তেওঁৰ বাবে জান্নাতত ঘৰ নিৰ্মাণ কৰিব”। অন্য বৰ্ণনাত আছে: “এনেকুৱা কোনো মুছলিম বান্দা নাই যিজনে প্ৰতি দিনে বাৰ ৰাকাত নফল ছালাত আদায় কৰে, কিন্তু আল্লাহ তা’আলাই তেওঁৰ বাবে জান্নাতত ঘৰ নিৰ্মাণ নকৰিব, অথবা তেওঁৰ বাবে জান্নাতত ঘৰ নিৰ্মাণ কৰা নহ’ব”।[219]

ইয়াৰ ব্যাখ্যাত ইমাম তিৰমিজী (ৰহঃ)য়ে বঢ়াই কৈছে: “চাৰি ৰাকাত জোহৰৰ পূৰ্বে আৰু দুই ৰাকাত জোহৰৰ পিছত, দুই ৰাকাত মাগৰীবৰ পিছত, দুই ৰাকাত ঈশ্বাৰ পিছত আৰু দুই ৰাকাত ফজৰৰ পূৰ্বে”।[220]

আব্দুল্লাহ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: “মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা দহ ৰাকাত মুখস্ত কৰিছোঁ: দুই ৰাকাত জোহৰৰ পূৰ্বে আৰু দুই ৰাকাত জোহৰৰ পিছত, মাগৰীবৰ পিছত দুই ৰাকাত তেওঁৰ ঘৰত, ঈশ্বাৰ পিছত দুই ৰাকাত তেওঁৰ ঘৰত আৰু ফজৰৰ পূৰ্বে দুই ৰাকাত”। অন্য বৰ্ণনাত আছে: “জুমাৰ পিছত দুই ৰাকাত তেওঁৰ ঘৰত”।[221]

গতিকে, ছুনানে ৰাওৱাতিব দহ ৰাকাত, যেনেকৈ ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুই কৈছে, অথবা বাৰ ৰাকাত যেনেকৈ উম্মে হাবিবা আৰু আয়িশা ৰাদ্বিয়াল্লাহু আনহুমাই কৈছে। শ্বায়খ আল্লামা ইব্‌ন বায (ৰহঃ)ক কওঁতে শুনিছোঁ: “যিসকলে ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছ গ্ৰহণ কৰিছে,

তেওঁলোকে কয় ছুন্নত দহ ৰাকাত, আৰু যিসকলে আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ হাদীছ গ্ৰহণ কৰে, তেওঁলোকে কয় ছুন্নত বাৰ ৰাকাত। ইমাম তিৰমিজী (ৰহঃ)ৰ ব্যাখ্যাই আয়িশা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছক শক্তিশালী কৰে, আৰু উম্মে হাবিবা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত হাদীছে এইবোৰ ছুন্নতৰ ফযিলত বৰ্ণনা কৰে। হয়তো ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কেতিয়াবা বাৰ ৰাকাত পঢ়িছে, যেনেকৈ আয়িশা আৰু উম্মে হাবিবা ৰাদ্বিয়াল্লাহু আনহুমাৰ হাদীছত আছে, কেতিয়াবা দহ ৰাকাত পঢ়িছে, যেনেকৈ ইব্ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে। যেতিয়া আগ্ৰহ আৰু স্পৃহা থাকে বাৰ ৰাকাত পঢ়িব, আৰু যেতিয়া ব্যস্ততা থাকে দহ ৰাকাত পঢ়িব। কিন্তু আটাইবোৰেই ছুন্নতে ৰাওৱাতিব। পূৰ্ণতা হ'ল আয়িশা আৰু উম্মে হাবিবা ৰাদ্বিয়াল্লাহু আনহুমাৰ হাদীছ মোতাবিক বাৰ ৰাকাত পঢ়া"।[222]

যদি কোনো মুছলিমে জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু জোহৰৰ পিছত চাৰি ৰাকাত পঢ়াৰ ইচ্ছা কৰে আল্লাহ তা'আলাই তেওঁৰ ওপৰত জাহান্নাম হাৰাম কৰি দিব। উম্মে হাবিবা ৰাদ্বিয়াল্লাহু আনহাই কৈছে, মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামক কওঁতে শুনিছোঁ, তেওঁ কৈছে: "যি ব্যক্তিয়ে জোহৰৰ পূৰ্বে চাৰি ৰাকাত আৰু জোহৰৰ পিছত চাৰি ৰাকাত নিয়মিত পঢ়িব, আল্লাহ তা'আলাই তেওঁক জাহান্নামৰ জুইৰ বাবে হাৰাম কৰি দিব"।[223]

যদি কোনো মুছলিমে আছৰৰ পূৰ্বে চাৰি ৰাকাত পঢ়াৰ ইচ্ছা কৰে, আল্লাহ তা'আলাই তেওঁৰ ওপৰত ৰহম নাজিল কৰিব। ইব্ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

رحم الله امرءًا صلى أربعًا قبل العصر

“আল্লাহ তা’আলাই সেই ব্যক্তিৰ ওপৰত ৰহম কৰক, যিয়ে আছৰৰ পূৰ্বে চাৰি ৰাকাত ছালাত আদায় কৰিলে”।[224]

সমাপ্ত

[1] বুখাৰী, কিতাবুল আযান: (৬৩১)

[2] ছূৰা আল-মায়িদাহ: (৬)

[3] মুছলিম: (২২৪)

[4] ছূৰা বাক্বাৰাহ: (১৪৪)

[5] বুখাৰী: (৭৯৩), মুছলিম: (৩৯৭)

[6] হাকিম: (১/২৫২), তাবাৰানী ফিল কাবিৰ: (৭/১১৪), হাদীছ নং: (৬৫৩৯), আহমদ: (৩/৪০৪), “মাজমাউজ জাৱাইদ” লিল হায়ছামি: (২/৫৮)

[7] মুছলিম: (৫১০)

[8] আবু দাউদ: (৬৯৮), আলবানীয়ে ছহীহ আবু দাউদত (১/১৩৫) কৈছে, হাদীছটো হাছান আৰু ছহীহ। লেখকে কৈছে: মই শুনিছোঁ শ্বায়খ ইব্‌ন বাজ ৰাহিমাহুল্লাহে ‘বুলুগুল মাৰাম’ ৰ (২৪৪) নং হাদীছৰ টোকাত কৈছে: “এই হাদীছৰ চনদ অতি সুন্দৰ, এই হাদীছৰ দ্বাৰা ছূতৰা আৰু তাৰ ওচৰ চাপি ছালাত আদায়ৰ গুৰুত্ব প্ৰমাণিত হয়”।

[9] বুখাৰী: (৪৯৬), মুছলিম: (৫০৮), “ছুবুলুছ ছালাম” লি ছানআনি : (২/১৪৫)

[10] বুখাৰী: (৫০৯), মুছলিম: (৫০৫)

[11] মুছলিম: (৫০৬), লেখকে কৈছে: আল্লামা ইব্‌ন বাজক মই “বুলুগুল মাৰাম” ৰ (২৪৮) নং হাদীছৰ ব্যাখ্যাত কওঁতে শুনিছোঁ: “এই হাদীছৰ

দ্বাৰা প্ৰমাণিত হয় যে, যেতিয়া কোনো ব্যক্তিয়ে মুছল্লী আৰু তেওঁৰ ছূতৰাৰ মাজেদি যাব বিচাৰে, তেতিয়া মুছল্লীৰ বাবে বৈধ আছে তাক প্ৰতিহত কৰা। অন্যান্য হাদীছৰ দ্বাৰা বুজা যায়, মুছল্লীয়ে তেওঁৰ সন্মুখেদি অতিক্ৰমকাৰীক বাধা দিব, তেওঁৰ সন্মুখত ছূতৰা থাকক বা নাথাকক, কিন্তু দূৰেদি অতিক্ৰম কৰিলে ভিন্ন কথা। আৰু অতিক্ৰমকাৰীক সহজতৰ পদ্ধতিৰ দ্বাৰা প্ৰতিৰোধ কৰিব, যেনেকৈ উটৰ পোৱালীক প্ৰতিৰোধ কৰা হয়"।

[12] বুখাৰী: (৫১০), মুছলিম: (৫০৭)

[13] বুখাৰী: (৪৯৩), মুছলিম: (৫১৪)

[14] বুখাৰীৰ (৪৯৩) নং হাদীছৰ ব্যাখ্যাত ৰিয়াদত অৱস্থিত 'জামে ছাৰা'ত ১০/০৬/১৪১৯ হি. তাৰিখে মই তেওঁৰ এই বক্তব্য শ্ৰৱণ কৰিছো।

[15] বুখাৰী: (৭৯৩), মুছলিম: (৩৯৭)

[16] ছূৰা আল-বাক্বাৰাহ: (২৩৮)

[17] বুখাৰী: (১১১৭)

[18] বুখাৰী: (১), মুছলিম: (১৯০৭)

[19] বুখাৰী: (৭৩৫) আৰু (৭৩৯), মুছলিম: (৩৯০)

[20] বুখাৰী: (৭৩৭), মুছলিম: (৩৯১)

[21] মুছলিম: (৩৯০)

[22] বুখাৰী: (৭৩৭), মুছলিম: (৩৯১)

[23] বুখাৰী: (৭৩৭), মুছলিম: (৩৯১)

[24] বুখাৰী: (৭৩৮), মুছলিম: (৩৯০)

[25] চাওঁক! ফাতহুল বাৰি লি ইব্ন হাজাৰ: (২/৩২৮), ছুবুলুছ ছালাম: (২/২১৭)

[26] ছুনানুল কুবৰা লিল বায়হাকি: (২/২৮৩), (৫/১৫৮), হাকিম: (১/৪৭৯), হাকিম ৰাহিমাহুল্লাহে হাদীছটো ছহীহ বুলি কৈছে আৰু জাহাবিয়ে তেওঁৰ সমৰ্থন কৰিছে। আহমদ: (২/২৯৩), আলবানীয়ে তেওঁৰ “চিফাতুচ ছালাত” গ্ৰন্থত অনুৰূপ হাদীছক ছহীহ বুলি কৈছে।

[27] মুছলিম: (৪২৯)

[28] ছহীহ ইব্ন খুজাইমাহ: (১/২৪৩), হাদীছ নং: (৪৭৯), লেখকে কৈছে: মই আল্লামা ইব্ন বাজ ৰাহিমাহুল্লাহক বুলুগুল মাৰামৰ (২৯৩) নং হাদীছৰ ব্যাখ্যাত কওঁতে শুনিছোঁ: “ইমাম আহমদেও কুবাইচাৰ সূত্ৰত তেওঁৰ পিতৃৰ চনদত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণনা কৰিছে যে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে তেওঁৰ উভয় হাত বুকুৰ ওপৰত ৰাখিছিল, এই হাদীছৰ চনদ হাছান”।

[29] নাছাঈ: (৮৮৭), আলবানী (ৰহঃ) ছুনানে নাছাঈত হাদীছটো ছহীহ বুলি কৈছে: (১/১৯৩)

[30] “শাৰহুল মুমতি”: (৩/৪৪)

[31] বুখাৰী: (৭৪০)

[32] বুলুগুল মাৰামৰ (২৯৩) নং হাদীছৰ ব্যাখ্যাৰ সময়ত মই এই কথা শুনিছোঁ।

[33] বুখাৰী: (৭৪৩), মুছলিম: (৫৯৮)

[34] মুছলিম: (৩৯৯), মুছান্নাফ আব্দুৰ ৰাজ্জাক: (২৫৫৫-২৫৫৭), ইব্ন আবি শ্বাইবাহ: (১/২৩০), (২/৫৩৬), ইব্ন খুজাইমাহ: (৪৭১), হাকিম: (১/২৩৫), হাকিম ৰাহিমাহুল্লাহে হাদীছটো ছহীহ বুলি কৈছে আৰু ইমাম

জাহাবি ৰাহিমাহুল্লাহে তেওঁক সমৰ্থন কৰিছে। ইব্‌ন তাইমিয়া ৰাহিমাহুল্লাহে কৈছে: “ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে এই দুআটো উচ্চস্বৰত পঢ়ি মানুহক শিক্ষা দিছিল। যদি এইটো স্বীকৃত ছুন্নত নহ’লেহেঁতেন, তেওঁ সেয়া নকৰিলেহেঁতেন, অন্যান্য মুছলিমেও সেয়া মানি নল’লেহেঁতেন”। চাওঁক! কায়েদা ফিল ইস্তিফতাহ: (পৃ.৩১), যাদুল মাআদ লি ইব্‌ন কাইয়িম: (১/২০২-২০৬), ইমাম আহমদ ৰাহিমাহুল্লাহে দহটা কাৰণত ছালাতৰ আৰম্ভণিতে ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছটো গ্ৰহণ কৰিছে। চাওঁক! যাদুল মাআদ: (১/২০৫), লেখকে কৈছে: মই ইমাম আব্দুল আযিয ইব্‌ন বায ৰাহিমাহুল্লাহক “ৰাওজুল মুৰবি” (২/২৩) গ্ৰন্থৰ ব্যাখ্যাত কওঁতে শুনিছোঁ: “এই হাদীছটো এদল চাহাবিৰ পৰা বৰ্ণিত”। মই (লেখক) কৈছোঁ: এই হাদীছটো আবু বকৰ, ওমৰ, উছমান, আয়িশ্বা, আনাছ, আবু ছাঈদ আৰু আব্দুল্লাহ ইব্‌ন মাছউদ ৰাদ্বিয়াল্লাহু আনহুমে বৰ্ণনা কৰিছে, এই দুআৰ মাধ্যমত ওমৰ, আবু বকৰ আৰু উছমান ৰাদ্বিয়াল্লাহু আনহুমে তেওঁলোকৰ ছালাত আৰম্ভ কৰিছিল। চাওঁক! আল-মুনতাকা মা’আ নাইলুল আওতাৰ”: (১/৭৫৬)।

[35] মুছলিম: (৭৭১)

[36] ইব্‌ন তাইমিয়া ৰাহিমাহুল্লাহে “কায়েদাহ ফি আনৱায়িল ইস্তিফতাহ” (পৃ.৩১) গ্ৰন্থত উল্লেখ কৰিছে: ছালাত আৰম্ভ কৰাৰ দুআ

سبحانك اللّٰهُمَّ বা وجهت وجهي

বা এই ধৰণৰ অন্য কোনো দুআৰ লগত খাছ নহয়, বৰঞ্চ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণিত যিকোনো দুআৰ মাধ্যমেৰেই ছালাত আৰম্ভ কৰিবপৰা যায়, কিন্তু কোনটো পঢ়া বেছি উ

ত্তম এইটো প্ৰমাণিত হয় অন্য দলীলৰ ভিত্তিত। মই (লেখক) আল্লামা আব্দুল আযীয ইব্‌ন বায (ৰহঃ)ক “বুলুগুল মাৰাম”ৰ
(২৮৭) নং হাদীছৰ ব্যাখ্যাত কওঁতে শুনিছোঁ: “ছালাত আৰম্ভ কৰাৰ এটি দুআই যথেষ্ট, একাধিক দুআ একে লগে নপঢ়িব, নফল ছালাতত যিবোৰ দুআপঢ়া বৈধ, ফৰজ ছালাততো সেইবোৰ পঢ়া বৈধ, কিন্তু যিবোৰ দুআসেইবোৰ ৰাতিৰ ছালাতত পঢ়াই উত্তম”। মই ইয়াত ছালাত আৰম্ভ কৰাৰ আৰু কিছুমান দুআ উল্লেখ কৰিছোঁ:

চাৰি. আব্দুৰ ৰহমান ইব্‌ন আউফ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে, মই আয়িশা ৰাদ্বিয়াল্লাহু আনহাক সুধিলোঁ, কি দুআৰ মাধ্যমত ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ৰাতিৰ ছালাত আৰম্ভ কৰিছিল? তেওঁ ক’লে: তেওঁ যেতিয়া ৰাতি ছালাতৰ বাবে উঠিছিল, তেতিয়া তেওঁ এই দুআৰ দ্বাৰা ছালাত আৰম্ভ কৰিছিল:

اللَّهُمَّ ربَّ جبرائيل وميكائيل وإسرافيل،فاطر السموات والأرض، عالم الغيب والشهادة، أنت تحكم بين عبادك فيما كانوا فيه يختلفون، اهدني لما اختلف فيه من الحق بإذنك إنك تهدي من تشاء إلى صراط مستقيم

“হে আল্লাহ! তুমি জিব্ৰাঈল, মিকাঈল আৰু ইছৰাফিলৰ ৰব, আছমান আৰু যমীন সৃষ্টিকাৰী, দৃশ্য আৰু অদৃশ্যৰ জ্ঞানৰ অধিকাৰী, তুমিয়েই বান্দাসকলৰ বিতৰ্কিত বিষয়ত ফয়ছালা প্ৰদানকাৰী। মানুহৰ বিতৰ্কিত বিষয়ত তুমি মোক সঠিক পথৰ দিশা দান কৰা, নিশ্চয় তুমি যাক ইচ্ছা কৰা সঠিক পথৰ দিশা প্ৰদান কৰা”। মুছলিম: (৭৭১)

পাঁচ. আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, এজন লোক ছালাতৰ শাৰীত অনুপ্ৰৱেশ কৰে, যেতিয়া নিশ্বাসে তেওঁক কাবু কৰি পেলাইছিল, তেওঁ ক’লে:

الحمد لله حمدًا كثيرًا طيبًا مباركًا فيه

(আলহামদুলিল্লাহি হামদান কাছিৰান ত্বাইয়িৰাম মুবাৰাকান ফিহ) “আল্লাহৰ বাবে অধিক, পৱিত্ৰ আৰু বৰকতময় প্ৰশংসা”। ৰাছূলুল্লাহ চাল্লাল্লহু আলাইহি ৱাছাল্লামে কৈছে: “মই দেখিছোঁ বাৰ জন ফিৰিস্তাই ইয়াৰ ছাওৱাব উঠাই নিয়াৰ বাবে প্ৰতিযোগিতা কৰিছে”। মুছলিম: (৬০০)

ছয়. ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: মই ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ লগত ছালাত আদায় কৰি আছিলোঁ, আমাৰ মাজৰ পৰা এজনে ক'লে:

الله أكبر كبيرًا، والحمد لله كثيرًا، وسبحان الله بكرة وأصيلاً

“আল্লাহ মহান, তেওঁৰ বাবে অগণিত প্ৰশংসা আৰু পুৱা-গধুলি তেওঁৰেই পৱিত্ৰতা”। ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে “এই দুআ শুনি মই আচৰিত হ'লো, ইয়াৰ বাবে আছমানৰ দুৱাৰ খুলি দিয়া হৈছে”।: (৬০১)

সাত. আছিম ইব্‌ন হুমাইদ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে, মই আয়িশা ৰাদ্বিয়াল্লাহু আনহাক সুধিলোঁ, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ৰাতিৰ ছালাত কিহৰ দ্বাৰা আৰম্ভ কৰিছিল? তেওঁ কৈছে: তুমি মোক এনেকুৱা এটি বিষয় সম্পৰ্কে সুধিছা, যাৰ বিষয়ে তোমাৰ আগত কোনেও মোক সোধা নাই, তেওঁৰ অভ্যাস আছিল থিয় হৈ, “দহবাৰ তাকবীৰ কৈছিল, দহবাৰ তাহমীদ তথা আল-হাদুল্লিাহ কৈছিল, দহবাৰ তাছবীহ তথা ছুবহানাল্লাহ কৈছিল, দহবাৰ তাহলীল তথা লাইলাহা ইল্লাল্লাহু আল্লাহু আকবাৰ কৈছিল, দহবাৰ ইস্তেগফাৰ কৈছিল, তাৰ পিছত কৈছিল:

اللَّهُمَّ اغفر لي، واهدني، وارزقني، وعافني، أعوذ بالله من ضيق المقام يوم القيامة.

(আল্লাহুম্মাগফিৰলী ৱাহদিনী ৱাৰঝুক্বনী ৱাআফিনী, আউজুবিল্লাহি মিন যিক্বিল মাক্বামি ইয়াউমাল ক্বিয়ামাহ)

“হে আল্লাহ! তুমি মোক ক্ষমা কৰা, মোক হিদায়াত কৰা, মোক ৰিযক দান কৰা, মোক আফিয়াত তথা নিৰাপত্তা দান কৰা, মই আল্লাহৰ ওচৰত কিয়ামতৰ দিনৰ সংকীৰ্ণতাৰ পৰা পানাহ খুজিছোঁ”। আবু দাউদ: (৭৬৬), নাছাঈ (১৬১৭), আহমদ (৬/১৪৩), এই হাদীছটো আলবানী ৰাহিমাহুল্লাহে “চিফাতুচ ছালাত” (৮৯) আৰু “ছহীহ আবু দাউদত” (১/১৪৬) ছহীহ বুলি কৈছে।

আঠ. ইব্‌ন আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ৰাতি তাহাজ্জুদৰ বাবে উঠি কৈছিল:

»اللّٰهُمَّ لك الحمد، أنت نور السموات والأرض ومن فيهن، ولك الحمد أنت قيِّم السموات والأرض ومن فيهن [ولك الحمد أنت رب السموات والأرض ومن فيهن] [ولك الحمد لك ملك السموات والأرض ومن فيهن] [ولك الحمد أنت ملك السموات والأرض] [ولك الحمد] [أنت الحقُّ، ووعدك الحق، وقولك الحق، ولقاؤك الحق، والجنة حق، والنار حق، والنبيون حق، ومحمد ﷺ حق، والساعة حق] [اللّٰهُمَّ لك أسلمت، وعليك توكلت، وبك آمنت، وإليك أنبت، وبك خاصمت، وإليك حاكمت، فاغفر لي ما قدّمتُ، وما أخّرْتُ، وما أسررْتُ، وما أعلنتُ] [أنت المقدِّم، وأنت المؤخِّر، لا إله إلا أنت] [أنت إلهي لا إله إلا أنت]،

“হে আল্লাহ! সকলো প্ৰশংসা তোমাৰ বাবে, তুমি আছমান-যমীন আৰু উভয়ৰ মধ্যৱৰ্তী নূৰ, তোমাৰ বাবেই সকলো প্ৰশংসা, তুমি আছমান-যমীন আৰু উভয়ৰ মাজত বিদ্যমান সকলো বস্তুৰ পৰিচালক আৰু ৰক্ষণাবেক্ষণকাৰী, তোমাৰ বাবে সকলো প্ৰশংসা, তুমি আছমান-যমীন আৰু উভয়ৰ মধ্যৱৰ্তী সকলো বস্তুৰ মালিক, তোমাৰ বাবে সকলো

প্ৰশংসা, তুমি আছমান আৰু যমীনৰ প্ৰভু, তোমাৰ বাবে সকলো প্ৰশংসা, তুমিয়েই সত্য, তোমাৰ ওৱাদা সত্য, তোমাৰ কথা সত্য, তোমাৰ সাক্ষাৎ সত্য, জান্নাত সত্য, জাহান্নাম সত্য, নবীসকল সত্য, মুহাম্মদ সত্য, ক্বিয়ামত সত্য। হে আল্লাহ! তোমাৰ ওচৰত আত্ম সমৰ্পণ কৰিলোঁ, তোমাৰ ওপৰত তাওৱাক্কুল (ভৰষা) কৰিলোঁ, তোমাৰ উপৰতেই ঈমান আনয়ন কৰিলোঁ, তোমাৰ ফালেই মনোনিৱেশ কৰিলোঁ, তোমাৰ মাধ্যমেতেই আমি তৰ্ক কৰোঁ আৰু তোমাৰ ওচৰতেই আমি ফয়ছালা খোজোঁ, গতিকে তুমি আমাৰ অগ্ৰ-পশ্চাৎ, দৃশ্য আৰু অদৃশ্য সকলো পাপ মোচন কৰা, তুমিয়েই আদি আৰু তুমিয়েই অন্ত। তুমি আমাৰ ইলাহ, তুমি ব্যতীত কোনো ইলাহ নাই"। বুখাৰী: (৬৩১৭), (৭৩৮৫), (৭৪৪২), (৭৪৯৯), মুছলিম: (৭৬৯)

আৰু দুআৰ বাবে চাওঁক! "যাদুল মাআদ": (১/২০২-২০৭)

[37] ছূৰা নাহল: (৯৮)

[38] আহমদ: (৩/৫০), আবু দাউদ: (৭৭৫), তিৰমিজী: (২৪২) ইত্যাদি।

[39] আহমদ: (৩/২৬৪), নাছাঈ: (৯০৭), ইব্‌ন খুজাইমাহ: (১/২৪৯), হাদীছ নং: (৪৯৫), আলবানী "ছহীহ নাছাঈত": (১/১৯৭) হাদীছটো ছহীহ বুলি কৈছে।

[40] লেখকে কৈছে: মই আব্দুল আযিয ইব্‌ন বাজ ৰাহিমাহুল্লাহক "বুলুগুল মাৰাম" গ্ৰন্থৰ (২৯৭-৩০০) নং হাদীছৰ ব্যাখ্যা প্ৰদানৰ সময়ত কওঁতে শুনিছোঁ: "বিছমিল্লাহ এটি স্বয়ংসম্পূৰ্ণ আয়াত, এইটো ফাতিহা বা অন্য কোনো ছূৰাৰ অংশ নহয়, দুই ছূৰাৰ মাজত পৃথক কৰাৰ বাবে আল্লাহ তা'আলাই এই আয়াত নাযিল কৰিছে, কিন্তু এইটো ছূৰা নামলৰ এটি আয়াত। এইটোৱেই বিশুদ্ধ

অভিমত। আৰু ছূৰা ফাতিহাৰ সপ্তম আয়াত হৈছে: (غَيۡرِ ٱلۡمَغۡضُوبِ عَلَيۡهِمۡ وَلَا ٱلضَّآلِّينَ ۝٧)

[41] বুখাৰী: (৭৫৬), মুছলিম: (৩৯৪)

[42] আবু দাউদ: (৮২৩), তিৰমিজী: (৩১১), আহমদ: (১/৩২২), ইব্‌ন হিব্বান: (৩/১৩৭), হাফিয ইব্‌ন হাজাৰে 'তালখিছূল হাবিৰ' (১/২৩১) গ্ৰন্থত কৈছে: “এই হাদীছটো আবু দাউদ, দাৰা কুতনি, তিৰমিজী, ইব্‌ন হিব্বান, হাকিম আৰু বায়হাকি ৰাহিমাহুমুল্লাহ সকলোৱে ছহীহ বুলি কৈছে”।

[43] আমহদ: (৫/৪১০), ইব্‌ন হাজাৰে 'তালখিছূল হাবিৰ': (১/২৩১) গ্ৰন্থত কৈছে: “এই হাদীছৰ চনদ হাছান”।

[44] বুখাৰী: (৭৮৩)

[45] দাৰা কুতনি: (১/৩১১), হাকিম ফিল মুস্তাদৰাক: (১/২২৩), তেওঁ কৈছে: এই হাদীছটো বুখাৰী আৰু মুছলিমৰ চৰ্ত অনুযায়ী ছহীহ, ইমাম জাহাবিয়ে তেওঁৰ সমৰ্থন কৰিছে। ইমাম বায়হাকিয়ে হাদীছটো বৰ্ণনা কৰি কৈছে: হাছান আৰু ছহীহ। বায়হাকি: (২/৩২)

[46] বুখাৰী: (৭৮০), মুছলিম: (৪১০)

[47] বুখাৰী: (৭৮২), মুছলিম: (৪১০)

[48] আহমদ: (৪/৩৫৩, ৩৫৬, ৩৮২) আবু দাউদ: (৮৩২), নাছাঈ: (৯২৪), ইব্‌ন হিব্বান: (১৮০৫-১৮০৭), তেওঁ হাদীছটো ছহীহ বুলি কৈছে। দাৰাকুতনি: (১/৩১৩), তেওঁ হাদীছটো ছহীহ বুলি কৈছে। হাকিম: (১/২৪১), তেওঁ হাদীছটো ছহীহ বুলি কৈছে, ইমাম যাহাবিয়ে তেওঁৰ সমৰ্থন কৰিছে।

[49] বুখাৰী: (৭৫৯), মুছলিম: (৪৫১)

[50] বুখাৰী: (৭৬২)

[51] মুছলিম: (৪৫২), আহমদ: (৩/৮৫), বন্ধনীৰ অংশ মুছনাদে আহমদৰ পৰা লোৱা হৈছে: (৩/৮৫)

[52] চাওঁক! নাইলুল আওতাৰ: (১/৮০২)

[53] ছূৰা ক্বাফ বা হুজুৰাতৰ পৰা ছূৰা নাছলৈকে ছূৰাবোৰক মুফাছছাল বোলে। —সম্পাদক

[54] নাছাঈ: (৯৮৩), আহমদ: (২/৩২৯), বুলুগুল মাৰাম আৰু ফাতহুল বাৰিত এই চনদটো ইব্‌ন হাজাৰ ৰাহিমাহুল্লাহে ছহীহ বুলি কৈছে। চাওঁক! নাইলুল আওতাৰ: (১/৮১৩), ইমাম ইব্‌ন বায ৰাহিমাহুল্লাহেও ইয়াৰ চনদ ছহীহ বুলি কৈছে, ৰওজুল মুৰবি: (২/৩৪), ছহীহ ছুনানে নাছাঈত আলবানী ৰাহিমাহুল্লাহে হাদীছটো ছহীহ বুলি কৈছে: (১/২১২), হাদীছ নং: (৯৩৯)

[55] মুছলিম: (৪৫৪)

[56] বুখাৰী: (৫৪৭), মুছলিম: (৬৪৭)

[57] মুফাছছাল হ'ল ছূৰা ক্বাফৰ পৰা ছূৰা নাছলৈকে। তিওৱালে মুফাছছাল হ'ল ছূৰা ক্বাফৰ পৰা ছূৰা নাবালৈকে, আওছাত হ'ল নাবাৰ পৰা দোহালৈকে, তাৰপিছৰ পৰা শেষলৈকে কিছাৰ। চাওঁক! হাশিয়াহ ৰওজুল মুৰবি লি ইব্‌ন কাছিম: (২/৩৪), তাফছীৰে ইব্‌ন কাছীৰ, তেওঁ কৈছে: “বিশুদ্ধ মতত এইটোৱেই মুফাছছালৰ আৰম্ভ, কোনোবাই কৈছে ছূৰা হুজুৰাত: (৪/২২১)

[58] নাছাঈ: (৯৮৩), আহমদ: (২/৩২৯)

[59] এই কথা মই শ্বায়খ ইব্‌ন বায ৰাহিমাহুল্লাহৰ মুখত ‘ৰওজুল মুৰবি’ৰ ব্যাখ্যাৰ সময়ত কওঁতে শুনিছোঁ: (২/৩৪)

[60] যাদুল মাআদ: (১/২০৯)

[61] বিভিন্ন ছালাতত পঠিত ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ কিছূমান কিৰাত ইয়াত উল্লেখ কৰা হ'ল:

এক. ফজৰৰ ছালাতত তেওঁ পঢ়িছিল:

ছূৰা মুৰছালাত, বুখাৰী: (৭৬৩), মুছলিম: (৪৬২),

ছূৰা আৰাফ, বুখাৰী: (৭৬৪),

ছূৰা তুৰ, বুখাৰী: (৭৬৫), মুছলিম: (৪৬৩),

ছূৰা দুখান, নাছাঈ: (৯৮৮),

কিছাৰে মুফাছছাল, নাছাঈ: (৯৮৩), আলবানী ৰাহিমাহুল্লাহে কৈছে, ইমাম তাবাৰানীয়ে তেওঁৰ 'কাবিৰ' গ্ৰন্থত এটি ছহীহ চনদত উল্লেখ কৰিছে যে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ফজৰৰ দুই ৰাকাতত ছূৰা আনফাল পঢ়িছিল। চিফাতুচ ছালাত: (১১৫)

দুই. ঈশ্বাৰ ছালাতত তেওঁ পঢ়িছিল:

ছূৰা ইনশ্বিক্বাক, বুখাৰী: (৭৬৬),

ছূৰা আত্-তিন, বুখাৰী: (৭৬৭), মুছলিম: (৪৬৪), নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে মুৱাজ ৰাদ্বিয়াল্লাহু আনহুক ঈশ্বাৰ ছালাতত পঢ়াৰ বাবে নিৰ্দিষ্ট কৰি দিছে

ছূৰা আ'লা, ছূৰা লাইল, ছূৰা শ্বামছ, ছূৰা দোহা আৰু অনুৰূপ ছূৰাসমূহ, মুছলিম: (৪৬৫)

তিন. নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে ফজৰৰ দুই ৰাকাতত অথবা এক ৰাকাতত ষাঠিৰ পৰা এশ আয়াতলৈকে পঢ়িছিল, বুখাৰী: (৫৪৭), মুছলিম: (৬৪৭),

ছূৰা মুমিনুন পঢ়িছিল, বুখাৰী কিতাবুল আযান, মুছলিম: (৪৫৫),

ছূৰা ক্বাফ, মুছলিম: (৪৫৭),

ছূৰা তাকৱীৰ, মুছলিম: (৪৫৬),

ছূৰা ৰূম, আহমদ: (৩/৪৭২), নাছাঈ: (২/১৫৬),

ছূৰা ফালাক্ব আৰু ছূৰা নাছ পঢ়িছিল, নাছাঈ: (৯৫২), বিদায় হজ্জত তাওৱাফে বিদায়ত তেওঁ ফজৰৰ ছালাতত

ছূৰা তুৰ পঢ়িছিল, বুখাৰী।

ছূৰা ওৱাক্বিয়া আৰু অনুৰূপ ছূৰা পাঠ কৰিছিল, ছহীহ ইব্‌ন খুজাইমাহ: (১/২৬৫),

জুমাৰ দিনা ফজৰৰ ছালাতত

ছূৰা আলিফ লাম মিম ছাজদাহ আৰু

ছূৰা দাহৰ পঢ়িছিল, বুখাৰী: (৮৯১), মুছলিম: (৮৭৯)

চাৰি. জোহৰৰ ছালাতত তেওঁ পঢ়িছিল,

ছূৰা লাইল, মুছলিম: (৪৫৯),

ছূৰা আ'লা, মুছলিম: (৪৬০),

ছূৰা তাৰিক্ব,

ছূৰা বুৰুজ আৰু অনুৰূপ ছূৰা, আবু দাউদ: (৮০৫), তিৰমিজী: (৩০৭), নাছাঈ: (২/১৬৬),

জুমাৰ ছালাতত ছূৰা জুমুআহ আৰু ছূৰা মুনাফিকুন পঢ়িছিল, মুছলিম: (৮৭৯), অথবা ছূৰা আ'লা আৰু গাশ্বিয়াহ, মুছলিম: (৮৭৮), অথবা ছূৰা জুমুআহ আৰু গাশ্বিয়াহ, মুছলিম: (৮৭৮)

পাঁচ. আছৰৰ ছালাতত তেওঁ পঢ়িছিল, ছূৰা তাৰিক্ব, ছূৰা বুৰুজ আৰু অনুৰূপ ছূৰা, আবু দাউদ: (৮০৫), তিৰমিজী: (৩০৭), নাছাঈ: (৯৭৯)

ছয়. ঈদৰ ছালাতসমূহত তেওঁ পঢ়িছিল, ছূৰা ক্বাফ আৰু ছূৰা ক্বামাৰ, মুছলিম: (৮৯১), অথবা ছূৰা আ'লা আৰু গাশ্বিয়াহ, মুছলিম: (৮৭৮), এয়া হল নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ছুন্নত, তাৰোপৰি তেওঁ হালকা ছালাত আদায়ৰ নিৰ্দেশ দিছে, কাৰণ "মুছল্লীসকলৰ মাজত সৰু, ডাঙৰ, দুৰ্বল, অসুস্থ আৰু ব্যস্ত লোক আছে "। মুছলিম: (৪৬৬), "কিন্তু যেতিয়া অকলশৰীয়াকৈ ছালাত পঢ়িব, তেতিয়া যেনেকৈ ইচ্ছা পঢ়িব"। মুছলিম: (৪৬৭), নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: "মই ছালাতৰ পৰা সেয়া দীঘল কৰিবলৈ ইচ্ছা কৰোঁ, কিন্তু শিশুৰ কান্দোন শুনি তাৰ মাকৰ কষ্টৰ কথা ভাৱি চুটি (হালকা) কৰি পেলাওঁ"। মুছলিম: (৪৭০), চুটি কৰা এটি তুলনামূলক বিষয়, ইয়াৰ পৰিমাপ কৰিব লাগিব নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ কৰ্মৰ পৰাই, মুক্তাদিসকলৰ প্ৰবৃত্তিৰ ফালে লক্ষ্য কৰি নহয়, তেওঁৰ আদৰ্শই এই বিষয়ত ফয়ছালাকাৰী, যেনেকৈ নাছাঈত ইব্‌ন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, "ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে আমাক হালকা ছালাত আদায়ৰ নিৰ্দেশ দিছিল, তেওঁ আমাৰ লগত ছূৰা চাফফাতৰ দ্বাৰা ইমামতি কৰিছিল"। নাছাঈ: (২/৯৫), হাদীছ নং: (৮২৬), ইব্‌ন কাইয়ূম ৰাহিমাহুল্লাহে কৈছে: "ছূৰা চাফফাত পঢ়া হালকা ছালাতৰ অন্তৰ্ভুত, যি হালকা ছালাত তেওঁক পঢ়িবলৈ নিৰ্দেশ দিয়া হৈছে, আল্লাহ তা'আলাই ভাল জানে"। যাদুল মাআদ: (১/২১৪), "তেওঁ প্ৰত্যেক ছালাতৰ প্ৰথম দুই ৰাকাত লম্বা কৰিছিল আৰু শেষৰ দুই ৰাকাত চুটি কৰিছিল"। বুখাৰী: (৭৭০), মুছলিম: (৪৫৩)

[62] আবু দাউদ: (৭৭৮), তিৰমিজী: (২৫১), তেওঁ হাদীছটো হাছান বুলি কৈছে। আহমদ: (৫/২৩), ইমাম তিৰমিজীয়ে কৈছে: মুহাম্মদে কৈছে:

আলি ইব্‌ন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে: “ছামুৰাৰ পৰা বৰ্ণিত হাছানৰ হাদীছ ছহীহ, হাছানৰ পৰা শ্ৰৱণ কৰিছে”। (১/৩৪২)

[63] ছূৰা হাজ: (৭৭)

[64] বুখাৰী: (৭৫৭), মুছলিম: (৩৯৭)

[65] বুখাৰী: (৭৮৯), মুছলিম: (৩৯২)

[66] বুখাৰী: (৭৮৫), মুছলিম: (৩৯২)

[67] বুখাৰী: (৭৩৫), মুছলিম: (৩৯০)

[68] বুখাৰী: (৭৩৭), মুছলিম: (৩৯১)

[69] মুছলিম: (৪৯৮)

[70] বুখাৰী: (৮২৮), বন্ধনী অংশ আবু দাউদ: (৭৩০ আৰু ৭৩১)ৰ পৰা সংগৃহীত। আলবানী ৰাহিমাহুল্লাহে হাদীছটো ছহীহ বুলি কৈছে: ছহীহ আবু দাউদ: (১/১৪১)

[71] আবু দাউদ: (৭৩৪), ছহীহ আবু দাউদ লিল আলবানী: (১/১৪১), তিৰমিজী: (২৬০), ছহীহ ছূনানে তিৰমিজী লিল আলবানী: (১/৮৩)

[72] আবু দাউদ: (৮৫৯), ছহীহ ছূনানে আবু দাউদ: (৭৬৫), (১/১৬২)

[73] ছূনানে ইব্‌ন মাজাহ: (৮৭২), মাজমাউ‘য যাৱাইদ: (২/১২৩)

[74] বুখাৰী: (৭৯১), (৩৮৯), (৮০৮),

[75] বুখাৰী: (৭৯২), (৮২০), (৮০১), (৮২০), মুছলিম: (৪৭১)

[76] মুছলিম: (৭৭২), আবু দাউদ: (৮৭১)

[77] ইব্‌ন মাজাহ: (৮৮৮), চিফাতুচ ছালাত: (১৩৬), ছহীহ ইব্‌ন মাজাহ: (১/১৪৭)

[78] বুখাৰী: (৭৯৪), (৮১৭), মুছলিম: (৪৮৪)

[79] মুছলিম: (৪৮৭)

[80] আবু দাউদ: (৮৮৩), নাছাঈ: (১০৪৯), ছহীহ ছুনানে আবু দাউদ: (১/১৬৬)

[81] মুছলিম: (৭৭১)

[82] মুছলিম: (৪৭৯)

[83] বুখাৰী: (৭৯৫)

[84] বুখাৰী: (৭৯৬), মুছলিম: (৪০৯)

[85] বুখাৰী: (৭৮৯), মুছলিম: (৩৯২)

[86] বুখাৰী: (৭৮৯), মুছলিম: (৩৯২)

[87] বুখাৰী: (৭৯৬), মুছলিম: (৪০৯)

[88] বুখাৰী: (৭৯৬), মুছলিম: (৪০৯)

[89] চাওঁক! হাদীছত ৰিফাআ, বুখাৰী: (৭৯৯)

[90] চাওঁক হাদীছত আবু চাঈদ খুদৰি ৰাদ্বিয়াল্লাহু আনহু, মুছলিম: (৪৭৭) আৰু (৪৭৮)

[91] নাছাঈ: (৮৮৭)

[92] বুখাৰী: (৮২১), মুছলিম: (৪৭২)

[93] ছূৰা হাজ্জ: (৭৭)

[94] বুখাৰী: (৭৫৭)

[95] বুখাৰী: (৭৮৯), মুছলিম: (৩৯২)

[96] আবু দাউদ: (৮৩৮), (৮৩৯), তিৰমিজী: (২৬৮), নাছাঈ: (১০৮৯), ছুনানে ইব্‌ন মাজাহ: (৮৮২), ইব্‌ন খুযাইমা: (২৬২) প্ৰমুখসকল।

[97] বুখাৰী: (৮২৮)

[98] ছহীহ ইব্‌ন খুযাইমা: (৬৪২)

[99] ছহীহ ইব্‌ন খুযাইমা: (৬৪৩)

[100] ছহীহ ইব্‌ন খুযাইমা: (৬৫১), আবু দাউদ: (৭৩০)

[101] বুখাৰী: (৮১২), মুছলিম: (৪৯০)

[102] বুখাৰী: (৮০৭), মুছলিম: (৪৯৫)

[103] আবু দাউদ: (৭৩৫)

[104] আবু দাউদ: (৭৩৪), তিৰমিজী: (২৭০), তেওঁ হাদীছটো হাছান আৰু ছহীহ বুলি কৈছে। ছহীহ ছুনানে আবু দাউদ: (১/২৪২)

[105] নাছাঈ: (৮৮৯), ছহীহ ছুনানে নাছাঈ: (১/১৯৪)

[106] তিৰমিজী: (২৭১), ছহীহ ছুনানে তিৰমিজী: (১/৮৬)

[107] বুখাৰী: (৮২২), মুছলিম: (৪৯৩)

[108] মুছলিম: (৪৯৪)

[109] ছহীহ ইব্‌ন খুজাইমা: (৬৫৪), বায়হাকি: (২/১১৬)

[110] মুছলিম: (৪৮৬)

[111] বুখাৰী: (৭৯৪), মুছলিম: (৪৮৪)

[112] মুছলিম: (৪৮৭)

[113] আবু দাউদ: (৮৮৩), নাছাঈ: (১০৪৯)

[114] মুছলিম: (৭৭১)

[115] মুছলিম: (৪৮৬)

[116] মুছলিম: (৪৮৩)

[117] মুছলিম: (৪৭৯)

[118] মুছলিম: (৪৭৯)

[119] বুখাৰী: (৭৮৯), (৮০৩), মুছলিম: (৩৯৬)

[120] মুছলিম: (৪৯৮)

[121] মুছলিম: ১১৩-(৫৭৯)

[122] মুছলিম: ১১৪-(৫৮০)

[123] শ্বায়খ ইব্‌ন বায ৰাহিমাহুল্লাহে কৈছে: "নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণিত, তেওঁ দুই হাত উৰুৰ ওপৰত ৰাখিছিল, আঁঠুৰ ওপৰত ৰাখিছিল আৰু উৰুৰ ওপৰত ৰাখি আঙুলিবোৰ আঁঠুৰ ওপৰত ৰাখিছিল"। (৩/৮/১৪১৯হি.) শনিবাৰ, ফজৰৰ ছালাতত বৰ মছজিদত এই ব্যাখ্যা শ্ৰৱণ কৰোঁ।

[124] নাছাঈ: (১২৬৯), ছহীহ ছুনানে নাছাঈ: (১/২৭২)

[125] নাছাঈ: (১২৬৪), ছহীহ ছুনানে নাছাঈ: (১/২৭০)

[126] আবু দাউদ: (৭২৬), নাছাঈ: (১২৬৫), আহমদ: (৪/৩১৮), ইব্‌ন হিব্বান: (৪৮৫), ইব্‌ন খুযাইমা: (১/৩৫৪), ছুনানে আবু দাউদ: (১/১৪০) প্ৰমূখসকল।

[127] আল্লামা ইব্‌ন উছাইমিন ৰাহিমাহুল্লাহে কৈছে: "ছহীহ, দুৰ্বল বা হাছান পৰ্যায়ৰ এটা হাদীছো নাই, যাৰ দ্বাৰা প্ৰমাণ হয় যে, সোঁহাত সোঁ উৰুৰ ওপৰত পাৰি দিয়া থাকিব। বৰঞ্চ বৰ্ণিত আছে যে, মুষ্টি বনাব: কনিষ্ঠা আৰু অনামিকা আঙুলিৰ দ্বাৰা মুষ্‌টি বনাব আৰু বৃদ্ধা আৰু মধ্যমা আঙুলিৰ দ্বাৰা হালকা বনাব..., যেতিয়া ছালাতত বহিব, (মুছলিম: ৫৮০) আন বৰ্ণনাত আছে যেতিয়া তাশ্বাহহুদত বহিব। (মুছলিম:৫৮০), উভয় হাদীছেই ছহীহ মুছলিমত বিদ্যমান। ইয়াৰ দ্বাৰা বুজা যায়, সকলো বহাতেই অনুৰূপ হালকা বনাব। সংক্ষিপ্ত। শাৰহুল মুমতি: (৩/১৭৮)

[128] আবু দাউদ: (৮৭৪), ইবন মাজাহ: (৮৯৭), ছহীহ ইব্‌ন মাজাহ: (১/১৪৮)

[129] ছূনানে আবু দাউদ: (৮৫০)

[130] ইব্‌ন মাজাহ: (৮৯৭), ছহীহ ছূনানে আবু দাউদ: (১/১৬০), ছহীহ ছূনানে নাছাঈ: (১/১৪৮)

[131] বুখাৰী: (৭৯২), মুছলিম: (৪৭১)

[132] বুখাৰী: (৭৯৩)

[133] বুখাৰী: (৭৮৯), মুছলিম: (৩৯৬)

[134] বুখাৰী: (৬২৫১)

[135] বুখাৰী: (৭৮৯), মুছলিম: (৩৯৬)

[136] বুখাৰী: (৮২৩)

[137] বুখাৰী: (৬৭৭)

[138] বুখাৰী: (৬২৫)

[139] ইমাম আব্দুল আজিয ইব্‌ন আব্দুল্লাহ ইব্‌ন বায –ৰাহিমাহুল্লাহে- 'বুলুগুল মাৰাম' ৰ (৩২৩) নং হাদীছৰ ব্যাখ্যাত কওঁতে শুনিছোঁ: "এই বিষয়ে লোকসকলে বিস্তৰ মত বিৰোধ কৰিছে, কিছুমানে কৈছে এইটো তেওঁৰ শৰীৰ ভাৰী হোৱাৰ অৱস্থা, কিছমানে কৈছে অসুস্থতাৰ অৱস্থা, আকৌ কোনোবাই কৈছে বৰঞ্চ এইটো ছুন্নত। কাৰণ হাদীছ ছহীহ, য'ৰ পৰা মুখ ফিৰোৱাৰ কোনো কাৰণ নাই, এইটোৱেই স্পষ্ট। কাৰণ নীতি এইটোৱেই যে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলোইহি ৱাছাল্লামৰ ছালাতৰ যি অৱস্থা বৰ্ণনা কৰা হ'ব সেইটোৱেই ছালাতৰ ছুন্নত, সেয়া কোনো চৰ্তৰ লগত নিৰ্দিষ্ট কৰিব পৰা নাযাব, গতিকে এইটো শৰীৰ ভাৰী হোৱাৰ অৱস্থা বা অসুস্থতাৰ অৱস্থা বুলি কোৱা ঠিক নহয়, ইয়াৰ বাবে দলীলৰ প্ৰয়োজন। জালছায়ে ইস্তেৰাহাৰ আন এটি দলীল হ'ল আহমদ আৰু আবু দাউদ আদি গ্ৰন্থৰ জাইয়্যেদ চনদত বৰ্ণিত হাদীছ। আবু

দাউদৰ পৰা বৰ্ণিত, তেওঁ কোনো এদিন দহজন চাহাবীৰ সন্মুখত নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ছালাতৰ পদ্ধতি বৰ্ণনা কৰে, তাত জালছায়ে ইস্তেৰাহাও উল্লেখ কৰে, সকলোৱে তেওঁক সমৰ্থন জনায়। গতিকে আবু হুমাইদ ৰাদ্বিয়াল্লাহু আনহুক একাদশতম গণনা কৰিলে বাৰজন চাহাবীৰ পৰা এইটো বৰ্ণিত, আৰু যদি তেওঁক দশম গণনা কৰা হয়, তেনেহ'লে এঘাৰজন চাহাবীৰ পৰা বৰ্ণিত, আৰু মালিক ইব্‌ন হুয়াইৰিছ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছতো আছেই। জালছায়ে ইস্তেৰাহা অতি সংক্ষেপ: দুই ছাজদাহৰ মাজত বহাৰ দৰে, ইয়াত কোনো জিকিৰ আৰু দুআ নাই"। লেখকে ক'লে: এই হাদীছটো আবু হুৰায়ৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰাও বৰ্ণিত: বুখাৰী: (৬২৫)

[140] আবু দাউদ: (৭৩০), ছহীহ ছুনানে আবু দাউদ: (১/১৪০)

[141] আবু দাউদ: (৮৩৮), তিৰমিজী: (২৬৮), নাছাঈ: (১০৮৯), ইব্‌ন মাজাহ: (৮৮২)

[142] বাখাৰি: (৮২৪)

[143] বুখাৰী: (৭৯৩), মুছলিম: (৩৯৭)

[144] মুছলিম: (৫৯৯)

[145] মুছলিম: (৫৯৯)

[146] মুছলিম: (৪৫১)

[147] বুখাৰী: (৭৭০), মুছলিম: (৪৫৩)

[148] হাশিয়া ৰওজুল মুৰবি: (২/৬২)

[149] ছুৰা নাহল: (৯৮)

[150] যাদুল মায়াদ: (১/২৪২)

[151] হাশিয়া ৰওজুল মুৰবি: (২/৬২)

[152] বুখাৰী: (৮২৮)

[153] যাদুল মা'আদ: (১/২৪২)

[154] মুছলিম: ১৬৬-(৫৮০) আৰু ১১8-(৫৮০)

[155] ইব্ন মাজাহ: (৯১২)

[156] মুছলিম: ১১৫-(৫৮০)

[157] নাছাঈ: (১২৭৫), ছহীহ ছুনানে নাছাঈ: (১/২৭২)

[158] নাছাঈ: (১৬৬০) ছহীহ ছুনানে নাছাঈ: (১/২৫০)

[159] নাছাঈ: (৮৯০), ছহীহ ছুনানে নাছাঈ: (১/১৯৪)

[160] নাছাঈ: (১২৭০), আবু দাউদ: (৯৮৯)

[161] বায়হাকি: (২/১৩২)

[162] তিৰমিজী: (৩৫৫৭), ছহীহ ছুনানে নাছাঈ: (১/২৭২)

[163] নাইলুল আওতাৰ: (২/৬৮)

[164] বুখাৰী: (৮৩১), মুছলিম: (৪০২)

[165] মুছল্লীয়ে ইচ্ছা কৰিলে অন্যান্য তাশ্বাহহুদো পঢ়িব পাৰে, যিবোৰ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ পৰা বৰ্ণিত।

[166] বুখাৰী: (৩৩৭০)

[167] ইয়াৰ বাহিৰেও আৰু দৰূদ বৰ্ণিত আছে।

[168] বুখাৰী: (১৩৭৭), মুছলিম: (৫৮৮)

[169] বুখাৰী: (৮৩২), মুছলিম: (৫৮৯)

[170] বুখাৰী: (৮২৪), মুছলিম: (২৭০৫)

[171] মুছলিম: ৪৮-(২৭০৫)

[172] মুছলিম: (৭৭১)

[173] বুখাৰী: (২৮২২), (৬৩৬৫), (৬৩৭৪), (৬৩৯০)

[174] ইব্‌ন মাজাহ: (৩৮৪৭), ছহীহ ছুনানে ইব্‌ন মাজাহ: (২/৩২৮), আবু দাউদ: (৭৯২)

[175] নাছাঈ: (১৩০১), আবু দাউদ: (৯৮৫), আহমদ: (৪/৩৩৮)

[176] আবু দাউদ: (১৪৯৫), ইব্‌ন মাজাহ: (৩৮৫৮), ছহীহ আবু দাউদ: (১/২৭৯), আহমদ: (৩/১৫৮), (৩/২৪২),

[177] আবু দাউদ: (১৪৯৩), তিৰমিজী: (৩৪৭৫), ইব্‌ন মাজাহ: (৩৮৫৭)

[178] বুখাৰী: (৮৩১), মুছলিম: (৪০২)

[179] চিফাতুচ ছালাত: ইমাম ইব্‌ন বায: (১৮)

[180] মুছলিম: (৪৩১)

[181] মুছলিম: (৫৮২)

[182] বুখাৰী: (৮৫২), মুছলিম: (৭০৭) আৰু (৭০৮)

[183] ছুনানে আবু দাউদ: (৮৩৮), তিৰমিজী: (২৬৮), নাছাঈ: (১০৮৯), ইব্‌ন মাজাহ: (৮৮২)

[184] বুখাৰী: (৭৩৯), মুছলিম: (৩৯০)

[185] বুখাৰী: (৮২৮), আবু দাউদ: (৭৩০)

[186] নাছাঈ: (৮৮৭)

[187] মুছলিম: (৪৫২)

[188] বুখাৰী: (৮২৪), মুছলিম: (৩৯৭)

[189] বুখাৰী: (৮২৮)

[190] মুছলিম: (৫৯১)

[191] মুছলিম: (৫৯২)

[192] বুখাৰী: (৮৪৫)

[193] বুখাৰী: (৬৪৭৩) মুছলিম: (৫৯৩)

[194] বন্ধনীৰ মাজৰ অংশ মুজামে তাবাৰানী: (২০/৩৯২), হাদীছ নং (৯২৬)ৰ পৰা লোৱা হৈছে,

[195] বন্ধনিৰ মাজৰ অংশ মুছনাদে আবদ ইব্‌ন হুমাইদ: (১৫০-১৫১) হাদীছ নং: (৩৯১)ৰ পৰা লোৱা হৈছে।

[196] বুখাৰী: (৬৩৩০), মুছলিম: (৫৬৩)

[197] মুছলিম: (৫৯৪)

[198] মুছলিম: (৫৯৭)

[199] চাওঁক! শাৰহুল মুমতি: (৩/৩৭), ফতোৱা শ্বায়খুল ইছলাম ইব্‌ন তাইমিয়া: (২২/৩৫-৩৭)

[200] মুছলিম: (৫৯৭)

[201] মুছলিম: (৫৯৬)

[202] বুখাৰী: (৮৪৩), হাদীছ নং: (৫৯৫), মুছলিম: (৫৯৫)

[203] এইটো এই কাৰণে যে, প্ৰত্যেক নেকী দহগুণকৈ বৃদ্ধি পাব।

[204] নাছাঈ: (১৩৪৮), ইব্‌ন মাজাহ: (৯২৬), আবু দাউদ: (৫০৬৫), তিৰমিজী: (৩৪১০), আহমদ: (২/৫০২), ছহীহ ছুনানে নাছাঈ: (১/২৯০), ছহীহ ইব্‌ন মাজাহ: (১/১৫২), হাকিম ৰাহিমাহুল্লাহে হাদীছটো ছহীহ বুলি কৈছে, ইমাম জাহাবি ৰাহিমাহুল্লাহে তেওঁৰ সমৰ্থন কৰিছে, হাকিম: (১/২৫৫)

[205] বুখাৰী: (৬৩২৯)

[206] মুছলিম: ৪৩-(৫৯৫)

[207] নাছাঈ: (১৩৫০) আৰু (১৩৫১), তিৰমিজী: (৩৪১৩), ইব্‌ন খুজাইমাহ: (৫৭২), আহমদ: (৫/১৮৪), দাৰামি: (১/৩১২), তাবাৰানী, হাদীছ নং: (৪৮৯৮), ইব্‌ন হিব্বান, হাদীছ নং:

(২০১৭), হাকিম: (১/২৫৩), তেওঁ হাদীছটো ছহীহ বুলি কৈছে, ইমান জাহাবি ৰাহিমাহুল্লাহে তেওঁৰ সমৰ্থন কৰিছে।

[208] নাছাঈ ফি আমালিল ইয়াওম আৰু লাইলাহ: (১০০), ইব্‌ন ছুন্নি ফি আমালিল ইয়াওম আৰু লাইলা: (১২১), তাবাৰানী ফিল কাবিৰ: (১/১১৪), হাদীছ নং: (৭৫৩২)

[209] আবু দাউদ: (১৫২৩), নাছাঈ: (১৩৩৬), তিৰমিজী: (২৯০৩), ছহীহ ছুনানে আবু দাউদ: (১/২৮৪), ছহীহ ছুনানে তিৰমিজী: (২/৮)

[210] বন্ধনীৰ অংশৰ বাবে চাওঁক! কাশফুল আছতাৰ: (৪/২৫), হাদীছ নং: (৩১০৬)

[211] চাওঁক! আবু যৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছ, তিৰমিজী: (৩৪৭৪), তেওঁ হাদীছটো হাছান, গৰীব আৰু ছহীহ বুলি কৈছে। আহমদ: (৫/৪২০)। চাওঁক! আব্দুৰ ৰহমান ইব্‌ন গুনম আশ্বআৰিৰ পৰা বৰ্ণিত হাদীছ, আহমদ: (৪/২২৭), চাওঁক! আবু আইয়ূবৰ পৰা বৰ্ণিত হাদীছ, আহমদ: (৫/৪১৪), ছহীহ ইব্‌ন হিব্বান: (২০২৩), চাওঁক! আবু আইয়াশৰ পৰা বৰ্ণিত হাদীছ, আহমদ: (৪/৬০), আবু দাউদ: (৫০৭৭), ইব্‌ন মাজাহ: (৩৮৬৭), চাওঁক! মুয়াজৰ পৰা বৰ্ণিত হাদীছ, নাছাঈ ফি আমালিল ইয়াওম আৰু লাইলাহ: (১২৬), ইব্‌ন ছুন্নি ফি আমালিল ইয়াওম আৰু লাইলাহ: (১৩৯), তাবাৰানী: (৭০৫), চাওঁক! উমাৰা ইব্‌ন শাবিবৰ পৰা বৰ্ণিত হাদীছ, নাছাঈ ফি আমালিল ইয়াওম আৰু লাইলা: (৫৭৭), তিৰমিজী: (৩৫৩৪), চাওঁক! আবু উমামাহৰ পৰা বৰ্ণিত হাদীছ সম্পৰ্কে মুনজিৰি ৰাহিমাহুল্লাহে কৈছে, “তাবাৰানী তেওঁৰ আওছাত গ্ৰন্থত সুন্দৰ চনদত এইটো বৰ্ণনা কৰিছে”, তাৰগিব আৰু তাৰহিব: (১/৩৭৫) হায়ছামিয়ে কৈছে: (এই হাদীছটো তাবাৰানী

ৰাহিমাহুল্লাহে তেওঁৰ আওছাত আৰু কাবিৰ গ্ৰন্থত বৰ্ণনা কৰিছে, আওছাত গ্ৰন্থৰ বৰ্ণনাকাৰী সকলোৱেই নিৰ্ভৰযোগ্য”। মাজমাউ‘য যাওয়ায়েদ : (১০/১১১), চাওঁক! আবু দাৰদাৰ পৰা বৰ্ণিত হাদীছ, হায়ছামিয়ে তাক মাজমাউ‘য যাৱাইদ গ্ৰন্থত উল্লেখ কৰি কৈছে, এই হাদীছ তাবাৰানীয়ে তেওঁৰ কাবিৰ আৰু আওছাত গ্ৰন্থত বৰ্ণনা কৰিছে। মাজমাউয যাৱাইদ: (১০/১১১)

[212] ইব্‌ন মাজাহ: (৯২৫), আহমদ: (৬/৩০৫), ছহীহ ছুনানে ইব্‌ন মাজাহ: (১/১৫২), চাওঁক! মাজমাউয যাৱাইদ: (১০/১১১)

[213] মুছলিম: (৭০৯)

[214] বুখাৰী: (৮৪২), মুছলিম: (৫৮৩)

[215] বুখাৰী: (৮৪১), মুছলিম: (৫৮৩)

[216] ফাতহুল বাৰি: (২/৩২৬)

[217] মুছলিম: (৫৯৫)

[218] বুখাৰী: (১১৮২)

[219] মুছলিম: (৭২৮)

[220] তিৰমিজী: (৪১৫)

[221] বুখাৰী: (১১৮), মুছলিম: (৭২৯)

[222] বুলুগুল মাৰামৰ (৩৭4) নং হাদীছৰ ব্যাখ্যাৰ সময়ত তেওঁৰ মুখত এই কথাবোৰ মই শ্ৰৱণ কৰিছো।

[223] আহমদ: (৬/৩২৬), আবু দাউদ: (১২৬৯), তিৰমিজী: (৪২৭), নাছাঈ: (১৮১4), ইব্‌ন মাজাহ: (১১৬০), ছহীহ ছুনানে ইব্‌ন মাজাহ: (১/১৯১)। মই আল্লামা ইব্‌ন বায ৰাহিমাহুল্লাহক বুলুগুল মাৰামৰ (৩৮১) নং হাদীছৰ ব্যাখ্যাত কওঁতে শুনিছোঁ: “এই হাদীছৰ চনদ অতি

সুন্দৰ, কিন্তু ইব্‌ন ওমৰ আৰু আয়িশা ৰাদ্বিয়াল্লাহু আনহুমাৰ হাদীছত যি আছে, তাৰ ওপৰত ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ নিয়মিত আমল আছিল"। মই কওঁ: মই তেওঁক জীৱনৰ শেষ বয়সতো দেখিছোঁ, তেওঁ বহি বহি জোহৰৰ আগত চাৰি ৰাকাত আৰু জোহৰৰ পিছত চাৰি ৰাকাত পঢ়িছিল, আল্লাহ তা'আলাই তেওঁৰ ওপৰত ৰহম কৰক।

[224] আহমাদ: (২/১১৭), আবু দাউদ: (১২৭১), তিৰমিজী: (৪৩০), ছহীহ ইব্‌ন খুজাইমা: (১১৯৩), ছহীহ ছুনানে আবু দাউদ: (১/২৩৭)। মই ইব্‌ন বায ৰাহিমাহুল্লাহক বুলুগুল মাৰামৰ (৩৮২) নং হাদীছৰ ব্যাখ্যাত কওঁতে শুনিছোঁ: "এই হাদীছৰ চনদ গ্ৰহণ কৰাত কোনো সমস্যা নাই, এই হাদীছৰ পৰা প্ৰমাণিত হয় যে, আছৰৰ পূৰ্বে চাৰি ৰাকাত পঢ়া বৈধ আৰু ছুন্নত, কিন্তু এইটো ছূন্নতে ৰাতিবাহ নহয়, কাৰণ ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি ৱাছাল্লামে এইবোৰ নিয়মিত পঢ়া নাই। আলি ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে, নবী চাল্লাল্লাহু আলাইহি ৱাছাল্লামে আছৰৰ পূৰ্বে দুই ৰাকাত পঢ়িছিল, ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে, আছৰৰ পূৰ্বে দুই ৰাকাত অথবা চাৰি ৰাকাত পঢ়া মুছলিমসকলৰ বাবে মুস্তাহাব"।

সংকলন: ড. ছাঈদ ইব্‌ন আলী ইব্‌ন অহাফ আল-কাহতানী

অনুবাদকঃ ড. আৰফান আলী

সম্পাদনা : ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী

জুবাইৰ ৰহমান বিন পিয়াৰ আলী

সূত্ৰ : ইছলাম প্ৰচাৰ ব্যুৰো, ৰাবওৱাহ, ৰিয়াদ, ছৌদি আৰব